# ।। তৃতীয় অধ্যায় ।।

# তৃতীয় অধ্যায়

## মায়ঙৰ লোককথা, প্ৰবচন, লোকভাষা ইত্যাদি

### ৩.০ গদ্যধৰ্মী লোক-কথা ঃ

মৌখিক পৰম্পৰাত প্ৰচলিত কথা বা কাহিনী গদ্যৰূপত বিকাশ লাভ কৰিলে গদ্যধৰ্মী লোক-কথা বোলা হয়। গদ্য-পদ্য উভয়তে কাহিনী বা কথা ৰচিত হয়। পৃথিৱীৰ প্ৰতিখন দেশতে প্ৰতিটো জাতিৰ মাজতে গদ্যধৰ্মী লোককথা আছে। মানৱ সমাজত কাহিনী শুনাৰ প্ৰৱণতাই গদ্যধৰ্মী লোকসাহিত্যৰ সৃষ্টিৰ মূল। পুৰুষ স্ত্ৰী, শিশু নিৰ্বিশেষে বীৰত্বব্যঞ্জক কাহিনী, শিক্ষামূলক কাহিনী, নৈতিকতাৰ জয় আৰু অসাধুৰ পৰাজয় শুনাৰ প্ৰৱণতাই গদ্যধৰ্মী লোককথাৰ জন্ম দিয়ে। বীৰত্বপূৰ্ণ কাহিনী বৰ্ণোৱা আৰু শুনা-মানৱ মনৰ আদিম হাবিয়াস। ইয়াৰ ফলস্বৰূপেই জনশ্ৰুতি, সাধুকথা, পুৰাণ কথা আদিৰ সৃষ্টি কৰে। 'পৃথিৱীৰ বিভিন্ন সমাজত প্ৰচলিত পৰম্পৰাগত সাধুকথা বা লোককথাৰ পৰা সহজে অনুমান কৰিব পাৰি যে অন্ততঃ তিনিহাজাৰ, চাৰিহাজাৰ বছৰৰ পূৰ্বৰ পৰা লোককথাৰ কথন শৈলীৰ উৎকৰ্ষ সাধিত হৈ আহিছে।'[১] সকলো কথিত লোকসাহিত্যৰ দৰে সাধুকথায়ো মানৱ সভ্যতাৰ গৌৰৱময় দিশ এটা প্ৰত্যক্ষ কৰিছে।

গদ্যধৰ্মী লোক-সাহিত্য বা সাধুকথা কোৱা আৰু শুনা এক আমোদজনক পৰম্পৰা। কোৱাজনৰ কথনভংগীয়ে শুনোঁতাজনৰ মনত ৰস লগাব পাৰে বাবে কথনভংগীৰ ওপৰত সাধু বা লোক-কথাৰ অধিক গুৰুত্ব দিয়া হয়। একেটা সাধুৱেই এজন পাকৈত বক্তাৰ মুখত শুনি যিমান ৰস পাব পাৰি অনভিজ্ঞজনে সিমান ৰস দান কৰিব নোৱাৰিবও পাৰে।

গদ্যধৰ্মী লোককথা মুখ পৰম্পৰাত পুৰুষানুক্ৰমে চলি থাকে। এনে কাহিনী লিখিত পৰম্পৰাত প্ৰৱেশ কৰিলেও ই লোককথাই। অনাখৰী লোক সমাজত অতীজৰে পৰা সকলোধৰণৰ সমল বচন-শ্ৰৱণ পদ্ধতিৰ মাধ্যমেৰে চলি থাকে।

লোক কথাৰ পদ্ধতিগত বিচাৰ বিশ্লেষণ পোনপ্ৰথমে কৰিছিল গ্ৰীম ভাতৃদ্বয়ে। গ্ৰীম ভাতৃদ্বয়ে লোককথা অধ্যয়ন কৰিছিল ভাষাৰ দৃষ্টিভংগীৰ ফালৰ পৰা। মেক্সমূলাৰে

---

১ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃষ্ঠা ১৬৪

সৌৰজগতৰ জ্যোতিমণ্ডলীৰ প্ৰসংগৰ আধাৰত দিবলৈ প্ৰয়াস কৰিছিল। তেওঁ আৰু তেওঁৰ অনুৱৰ্ত্তীসকলৰ মতে পুৰাণ কথাবোৰৰ মাজত বংশগত সম্পৰ্ক (Generic relationship) ৰক্ষিত হৈ আহিছে। প্ৰসাৰণবাদী তত্ত্বৰ মতে লোক-কথা কোনো এঠাইত, কোনো এটা নৃ-গোষ্ঠীৰ মাজত উৎপত্তি হৈ মানৱ সমাজৰ প্ৰবজনৰ হেতু অথবা সাংস্কৃতিক প্ৰসাৰণৰ জৰিয়তে পৃথিৱীৰ বিভিন্ন স্থানত বিয়পি পৰে। থিয়ডোৰ বেনফেৰ মতে ভাৰতবৰ্ষৰ পৰাই লোককথা ইউৰোপ এছিয়াৰ প্ৰায়বোৰ অঞ্চল পৰ্যন্ত জনপ্ৰব্ৰজনৰ হেতু প্ৰসাৰিত হৈছে। প্ৰসাৰণবাদীয়ে সাধুকথাৰ একক জন্মত গুৰুত্ব দিয়ে। নৃ-তাত্ত্বিকসকলে সাধুকথাৰ একাধিক বা বহুজনৰ ধাৰণাৰ ওপৰত গুৰুত্ব দিয়ে। তেওঁলোক সাধুকথাৰ একক জন্মৰ ওপৰত গুৰুত্ব নিদিয়ে। মনোসমীক্ষক সকলৰ মতে যৌন প্ৰতীকৰ আধাৰত লোক কথাৰ জন্ম। তেওঁলোকৰ মতে একোটি লোককথাৰপৰা একোখন সমাজৰ অন্তৰ্নিহিত মানসিক প্ৰবৃত্তি আৰু অদমিত বাসনাৰ পৰিচয় পোৱা যায়।'[২]

লোককথা বা গদ্যধৰ্মী লোককথাৰ মাজেদি এখন দেশৰ মাটি, পানী, আকাশ, সমাজ, পাৰিবাৰিক জীৱন, লোক বিশ্বাস, আচাৰ-অনুষ্ঠান, জীৱন দৃষ্টি ফুটি ওলায়। বিষ্ণুশৰ্মাৰ 'পঞ্চতন্ত্ৰ' নামে খ্যাত গ্ৰন্থত ভাৰতীয় মানুহৰ চিন্তা-ভাৱনা, বিশ্বাস পৰম্পৰা আদি সাধুকথাৰ ছলেৰে দাঙি ধৰা হৈছে। জাতকৰ সাধুৰ ছলেৰে বৌদ্ধধৰ্মৰ নীতিকথা আৰু উপদেশ শুনোৱা হৈছে। 'কথাসৰিৎসাগৰ' হৈছে বহু সাধুৰ সংকলন। হিতোপদেশত নীতিকথাৰ নিদৰ্শন দেখা যায়। ৰামায়ণ-মহাভাৰত, ভাগৱত পুৰাণ আদিতো অসংখ্য সাধুকথা বা কাহিনী পোৱা যায়। মুছলমান শাসনৰ যুগত জনপ্ৰিয়তা লাভ কৰা 'আৰব্য উপন্যাস', আদিতো বহু সাধু আছে। অসমীয়া সাহিত্যও সাধুকথাত চহকী। সংস্কৃতৰপৰা অনুবাদ কৰা সাধুৰ উপৰিও চিলনীৰ জীয়েকৰ সাধু, বুঢ়ী আইৰ সাধু, কমলা কুঁৱৰীৰ সাধু, তেজীমলাৰ সাধু, চম্পাৱতীৰ সাধু, দেও-ভূতৰ সাধু ইত্যাদি উল্লেখযোগ্য এই সাধুসমূহ মায়ং অঞ্চলতো প্ৰচলিত হৈ আছে।

গদ্যধৰ্মী লোক কথাত তিনিটা পৰ্যায় থাকে সেইকেইটা হ'ল— ১) পৰিচয়,

২ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১৬৫

২) উৎকণ্ঠা আৰু ৩) পৰিণতি।[৩] পৰিচয়ত প্ৰাথমিক পৰ্যায়ত সাধু কোৱাজনে পৰিবেশৰ কথা কৈ চৰিত্ৰবোৰৰ চিনাকি দিয়ে। দ্বিতীয় পৰ্যায়ত কাহিনীৰ বৰ্ণনা, কাহিনীৰ প্ৰতি শ্ৰোতাৰ কৌতুহল বঢ়াবলৈ কিছুমান পাৰ্শ্ব ঘটনাৰ সমাৱেশ আৰু উৎকণ্ঠাৰ সৃষ্টি কৰা হয়। শেষৰ পৰ্যায় পৰিণতি। পৰিণতিত কাহিনীৰ অন্তত কি হ'ল ঘাইকৈ নীতিবচনমূলক কথাৰে সামৰণি মৰা হয়। ভাৰতীয় সাহিত্যত হিতোপদেশ, জাতকৰ সাধু উল্লেখযোগ্য। আন এবিধ জনপ্ৰিয় পদ্ধতি ৰূপক (allegory)ত দীঘল আৰু জটিল কাহিনীৰ মাজেদি শিক্ষা আৰু আনন্দ প্ৰদান কৰা হয়। ইংৰাজী সাহিত্যৰ জন বনিয়নৰ 'দ্যা পিলগ্ৰিমছ প্ৰগেছ' উল্লেখযোগ্য ৰূপক। আন এক শ্ৰেণীৰ উপকথা (fable)ত পশুপক্ষীয়েও মানুহৰ দৰে আচৰণ কৰে। 'শিয়াল আৰু কাউৰী'ৰ সাধু উল্লেখযোগ্য উপকথা।

**৩.১ গদ্যধৰ্মী লোক-কথাৰ শ্ৰেণী বিভাজন ঃ**

গদ্যধৰ্মী লোক-কথাক ইয়াৰ বিষয়বস্তু, সংযুতি আৰু প্ৰসংগ অথবা অনুষংগৰ ফালৰ পৰা প্ৰধান ভাৱে তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি।

৩.১.১ পুৰাণকথা বা পুৰাকথা বা পুৰাবৃত্ত বা গোঁসাই কথা, আখ্যান, অতিকথা (Myth)

৩.১.২ জনশ্ৰুতিমূলক বা জনশ্ৰুতিগত কথা বা কাহিনী (Legend) উপাখ্যান

৩.১.৩ সাধুকথা, সাধু, সাজোকথা, উপকথা, কিচ্ছা, কাহিনী (Tale)[৪]

৩.১.১ পুৰাণ কথা বা পুৰাকথা বা পুৰাবৃত্ত বা গোঁসাই কথা, আখ্যান, অতিকথা (Myth) ঃ

প্ৰাচীন কালত উৎপত্তি হোৱা আৰু সত্য বুলি ঠাৱৰ কৰা বা গণ্য কৰা পৰম্পৰাগত কাহিনীৰ নাম মিথ। কোনো জনগোষ্ঠীৰ সৃষ্টিতত্ব আৰু অলৌকিক পৰম্পৰা, তেওঁলোকৰ বিশ্বাসত স্থান পোৱা দেৱ-দেৱী আৰু বীৰ পুৰুষৰ কাৰ্যাৱলী তথা সেই জনগোষ্ঠীৰ সাংস্কৃতিক লক্ষণ, ধৰ্মীয় বিশ্বাস আদিয়েই মিথৰ প্ৰধান উপজীব্য।'[৫] পুৰাণ কথাবোৰ লোকসমাজে প্ৰাচীন কালৰ সত্য ঘটনা বুলি মানি লয়।

---

৩ শৰ্মা, মুনিন্দ্ৰ নাথ (সম্পা.) ঃ প্ৰবন্ধ কৰণি, প্ৰবন্ধ ঃ সাধুকথা আৰু কথনভংগী, ৰাম গোস্বামী, পৃ. ৭৮

৪ শৰ্মা, নবীনচন্দ্ৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃষ্ঠা ১৬৫

৫ E.W.Woegelin, 'Myth in Standard Dictonary of Folklore, ed M. Leach, p.778

**১. মানুহৰ জন্ম কথা ঃ**

নেপালৰ ৰায়সকলৰ মতে তেওঁলোকৰ আদি দেৱতা পাৰুংহই পৃথিৱীৰ দৈত্য-দানৱ-পিশাচ সকলোকে ধ্বংস কৰিলে। সেই কাৰণে জীৱ সৃষ্টি কৰিবৰ আৱশ্যক হ'ল। তেওঁ প্ৰথমতে পানী সৃষ্টি কৰিলে। তাৰ পিছত অন্যান্য জীৱ-জন্তু সৃষ্টি কৰিলে। ভগৱানে প্ৰথমে সৃষ্টিকৰা মানুহৰ নাম আছিল মিনা। মিনা অৰ্থ মানুহ। তাক হুজ্জা নামেৰেও মতা হৈছিল।[৬]

**২. শস্যৰ জন্মকথা ঃ**

পুৰণি কালত এহাল বুঢ়া-বুঢ়ী আছিল। তেওঁলোক অতিকৈ বৃদ্ধ হৈ অহাত বুঢ়ীজনীয়ে বুঢ়াক ক'লে যে বুঢ়া-বুঢ়ীৰ মৃত্যুৰ পিছত ল'ৰা-ছোৱালীয়ে কি কৰি খাব? বুঢ়ীৰ কথাত বুঢ়াই বুঢ়ীক বাটত খাবৰ কাৰণে ভোকৰ ভাত, লাৰু আদি বান্ধিবলৈ দিলে।

বুঢ়াই বুঢ়ীৰপৰা ভোক আৰু পিয়াহৰ লাৰু বাওঁফালত বান্ধি লৈ শস্যৰ গুটি আনিবৰ বাবে কুবেৰৰ ওচৰলৈ গ'ল। কুবেৰে বুঢ়াক আগমনৰ বতৰা সোধাত, বুঢ়াই শস্যৰ গুটি মানুহলৈও এভাগ লাগে বুলি কুবেৰক ক'লে। তেতিয়া কুবেৰে বুঢ়াৰ হাতত নানাবিধৰ শস্যৰ গুটি দি পঠিয়ালে। বুঢ়াই তাকে লৈ ঘৰলৈ উভতি গ'ল। এদিনাখন বুঢ়াই কুবেৰে দিয়া শস্যৰ গুটি সিঁচি দিলে। তেতিয়াই পৃথিৱীত প্ৰথম শস্য উৎপন্ন হ'ল।[৭]

**৩.১.২ জনশ্ৰুতি বা কিংবদন্তীমূলক কথা বা কাহিনী ঃ**

মায়ং অঞ্চল যাদু-মন্ত্ৰৰে ভৰা। অঞ্চলটোত বিভিন্ন প্ৰকাৰৰ থলুৱা বৈশিষ্ট্যপূৰ্ণ অলেখ জনশ্ৰুতি সিঁচৰতি হৈ আছে। অঞ্চলটোৰ কিছুমান জনশ্ৰুতি অসমীয়া সমাজৰ পৰম্পৰাগতভাৱে চলি অহা। উদাহৰণস্বৰূপে, তেজীমলাৰ সাধু, তুলা আৰু তেজাৰ সাধু ইত্যাদি। লোক বিশ্বাসৰ ওপৰত ভিত্তি কৰিও কিছুমান জনশ্ৰুতি প্ৰচলিত আছে।

এই জনশ্ৰুতিসমূহক কেইটামান ভাগত ভাগ কৰিব পাৰি—

১। ঠাইৰ নামৰ লগত জড়িত জনশ্ৰুতি

২। ব্যক্তি বিষয়ক জনশ্ৰুতি

---

৬ নাৰ্জি, ভবেন ঃ বড়ো-কছাৰী সমাজ আৰু সংস্কৃতি, পৃ. ৪৮

৭ নাৰ্জি, ভবেন ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৪৯

৩। প্ৰকৃতিৰ বিভিন্ন উপাদানক লৈ প্ৰচলিত জনশ্ৰুতি

৪। মন্ত্ৰকেন্দ্ৰীক জনশ্ৰুতি

৫। দেৱ-দেৱী, অপদেৱতা কেন্দ্ৰীক জনশ্ৰুতি

৬। তিৰো সকলৰ উৎপত্তিকলৈ প্ৰচলিত জনশ্ৰুতি

**১। ঠাইৰ নামৰ লগত জড়িত জনশ্ৰুতি ঃ** ঠাইৰ নামৰ লগত জড়িত অলেখ জনশ্ৰুতি মায়ং অঞ্চলত প্ৰচলিত আছে। মায়ং নামটোৰ উৎপত্তিৰ লগত কেইবাটাও জনশ্ৰুতি পোৱা যায়।

(ক) মায়ঙৰ প্ৰথম ৰজাজন আহিছিল উত্তৰ কাছাৰৰ মাইবঙৰপৰা। মাইবঙৰ পৰা অহাৰ বাবে মায়ং হয়।[৮]

(খ) ৰজা মায়ামত্তই ৰাজ্যৰপৰা বিতাড়িত হৈ আহি বুঢ়ামায়ঙৰ বাংঠাই ভেটিত বসতি কৰি ক্ষমতা বিস্তাৰ কৰে। এই মায়ামত্তৰ পৰাই মায়ং হয়।[৯]

(গ) মায়ঙৰ পাহাৰৰ ওপৰত কামাখ্যা দেৱীয়ে মায়া বা লীলা কৰিবলৈ আহে। এই পাহাৰত কামাখ্যা দেৱীৰ লগতে তেত্ৰিশ কোটি দেৱতাই লীলা কৰে।

এনেদৰে মায়া কৰাৰ বাবে মায়ং হয়।

(ঘ) দক্ষৰ যজ্ঞত প্ৰাণ ত্যাগ কৰা সতীক লৈ যেতিয়া শিৱ ঘূৰি ফুৰিছিল তেতিয়া বিষ্ণুৰ সুদৰ্শন চক্ৰই সতীক ৫১টা খণ্ডত কাটি পেলাইছিল। সতীৰ দেহৰ এটা খণ্ড সেই অঞ্চলটোত পৰিছিল। শাক্ত ধৰ্মীৰ 'মা' হৈছে সতী। গতিকে ঠাই ডোখৰ মায়ং নামেৰে পৰিচিত হ'ল। মাৰ অংগ বাবে মায়ং।[১০]

**বুঢ়ামায়ং আৰু ৰজামায়ং ঃ**

মইবঙৰ পৰা অহা ৰজাই পোনপ্ৰথমে মায়ঙৰ পাহাৰত বাস কৰিছিল। কিন্তু ৰাজ্য চলোৱাত অসুবিধা বাবে ভৈয়ামলৈ গৈ বসতি কৰে। ৰজাই প্ৰথমে বাস কৰা বাবে বুঢ়ামায়ং আৰু ভৈয়াম অঞ্চল ৰজামায়ং হিচাপে প্ৰসিদ্ধি লাভ কৰে।[১১]

---

৮ নাথ, ৰমেশ চন্দ্ৰ ঃ কালশিলা স্মৃতিগ্ৰন্থ সম্পা. উৎপল নাথ পৃ. ৩৩

৯ মায়ং ৰাজ-বংশাৱলী

১০-১১ সংবাদদাতা, হাজৰিকা লোকেন্দ্ৰ, লোনমাটি (৫৫)

**২। ব্যক্তি বিষয়ক জনশ্ৰুতি ঃ**

বহা ঃ ৰজা জোঙালবলহু পলাই আহি এই গাঁৱত অৱস্থিত পাহাৰত বহিছিল বা জিৰাইছিল বাবে বহা হ'ল।[১২]

গৰু বন্ধা ঃ জোঙাল বলহুক এই গাঁওখনৰ কাষৰ কলঙত শিলৰ ভেটাত ডিঙৰি পাতি গৰুৰ দৰে ধৰি বান্ধি বধ কৰা হৈছিল। সেইবাবে গাওঁখনৰ নাম গৰুবন্ধা হ'ল।[১৩]

**৩। প্ৰকৃতিৰ বিভিন্ন উপাদানক লৈ প্ৰচলিত জনশ্ৰুতি ঃ**

মায়ং অঞ্চলৰ বিভিন্ন পাহাৰ, পুখুৰী, অৰণ্য আদি প্ৰকৃতিৰ বিভিন্ন বস্তুক কেন্দ্ৰ কৰিও জনশ্ৰুতি প্ৰচলিত আছে—

**হাতীমূৰীয়া ঃ** অঞ্চলটোত হাতীৰ আকৃতিৰ এটা প্ৰকাণ্ড শিল আছে। কিম্বদন্তী অনুসৰি প্ৰাচীন কালত এটা হাতী দেৱতাৰ শাপত শিল হৈ পৰে। হাতীৰ আকৃতিৰ শিল থকা বাবেই পাহাৰটোৰ নাম হাতীমূৰীয়া হ'ল।[১৪]

**কাছশিলা পাহাৰ ঃ** এবাৰ ব্ৰহ্মপুত্ৰৰপৰা কণী পাৰিবলৈ এজনী কাছ পাহৰলৈ উঠিল। সেই পাহাৰটোত গৌৰীয়ে কেলি কৰি আছিল। তাকে দেখি কাছজনীয়ে ইতিকিং কৰাত শিৱৰ অভিশাপত কাছজনী শিল হৈ থাকিল। কাছজনীয়ে ক্ষমা বিচৰাত শিৱই ক'লে যে যিদিনা ব্ৰহ্মপুত্ৰৰ পানীয়ে কাছজনীক চুব তাই মুক্ত হ'ব। কাছশিলা পাহাৰত কাছৰ আকৃতিৰ শিল এটা আছে।[১৫]

**জীয়ামাৰি ঃ** একালত এই পুখুৰীত জোনাক নিশাবোৰত ঘাইকৈ শনিবাৰ আৰু মংগলবাৰে সোণৰ নাও লৈ অপেশ্বৰীয়ে নাও বাই ফুৰিছিল। গাঁৱত বিয়া বাৰু হ'লে ৰাইজে এই পুখুৰীত কামনা কৰিলেই প্ৰয়োজন অনুসৰি বাচন-বৰ্ত্তন দিছিল। কিন্তু এবাৰ এগৰাকী বৃদ্ধাই বাচন ঘূৰাই নিদি গোবৰৰ তলত পুতি থৈছিল। তাৰ পাছৰেপৰা জীয়ামাৰিয়ে ৰাইজক বাচন-বৰ্ত্তন নিদিয়া হ'ল।[১৬]

**পবিতৰা ঃ** পবিতৰা অভয়াৰণ্যক লৈ থকা জনশ্ৰুতি হৈছে

ক) মায়ঙৰ ৰাজবংশৰ এগৰাকী সুন্দৰী ৰাজকুমাৰী আছিল পৱিত্ৰা। এইগৰাকী ৰাজকুমাৰীৰ অকালতে মৃত্যু হোৱাত তেওঁৰ স্মৃতি যুগমীয়া কৰি ৰাখিবৰবাবেই অৰণ্যখনৰ

১২-১৬ সংবাদদাতা, হাজৰিকা লোকেন্দ্ৰ, লোনমাটি (৫৫)

নাম পৱিত্ৰা বা পবিতৰা ৰখা হ'ল।[১৭]

খ) আন এক কিম্বদন্তী অনুসৰি বৰ্ত্তমানৰ পবিতৰাৰ ঠাইত একালত জনবসতি আছিল। কিন্তু মানে অসমীয়াক কচুকটা দিয়াৰ পাছত ঠাইখন জনপ্ৰাণী শূন্য হৈছিল। চুবুৰীয়া অঞ্চলৰ মানুহে ঠাইখিনি দখল কৰি লৈছিল আৰু জুম বান্ধি ৰাতিহে খেতি কৰিবলৈ গৈছিল। তেওঁলোকৰ সময়ৰ হিচাপে আছিল পুঁৱতি তৰা। এই পুঁৱতি তৰাৰ পৰাই পবিতৰা হ'ল।[১৮]

৪। মন্ত্ৰৰ লগত জড়িত জনশ্ৰুতি প্ৰচলিত আছে। সেইবোৰ হৈছে—

**হৰণলুকী মন্ত্ৰ ঃ** এই মন্ত্ৰৰ বলেৰে শত্ৰুক যুজঁত ঘটুৱাব পাৰি। কিম্বদন্তী অনুসৰি এবাৰ ডিমৰীয়া ৰজাৰ সৈতে মায়ঙৰ ৰজাৰ বিবাদ হৈছিল। মায়ঙৰ সৈন্য কম আছিল। সেইবাবে মায়ঙৰ সৈন্যই হৰণলুকী মন্ত্ৰৰ সহায় ল'লে। তেওঁলোকে মাটিৰ পৰা ধূলি লৈ মন্ত্ৰ মাতি ডিমৰীয়াৰ সৈন্যৰ ফালে মাৰি পঠালত ডিমৰীয়াৰ সৈন্যই একো নেদেখা হৈ যুদ্ধত পৰাজিত হ'ল।[১৯]

**মালচৰণ মন্ত্ৰ ঃ** মালচৰণ শক্তি বৃদ্ধিকাৰক মন্ত্ৰ। এই মন্ত্ৰৰ বলেৰে অসাধাৰণ শাৰীৰিক শক্তিৰ অধিকাৰী হৈ অসাধ্যকো সাধন কৰিব পাৰি বুলি বিশ্বাস কৰা হয়। এবাৰ এজন লোকে দূৰণিবটীয়া বাট তাতে নতুন বাটেৰে ম'হ দুহালো আগবাঢ়িবপৰা নাছিল। তেতিয়া মানুহজনে হেঙেৰাৰ গোজ এটা উভালি তাতেই ম'হ দুহাল বান্ধি মালচৰণ মন্ত্ৰ মাতিছিল আৰু ম'হ দুহাল কান্ধতলৈ ঘৰ পাইছিলহি।[২০]

**বাঘভেটা মন্ত্ৰ ঃ** প্ৰচলিত জনবিশ্বাস অনুসৰি মায়ং অঞ্চলৰ 'চুৰাবেজ' এজন প্ৰসিদ্ধ বেজ। এই বেজজনে বাঘভেটা মন্ত্ৰৰ সহায়ত ৰাইজক লগতলৈ চাৰিওফালে ঘেৰি ধৰি বাঘক বশীভূত কৰি সেও মনাইছিল।[২১]

**৫। দেৱ-দেৱী, অপদেৱতাকেন্দ্ৰিক জনশ্ৰুতি ঃ** দেৱ-দেৱী অথবা অপদেৱতা কেন্দ্ৰীক বহু জনশ্ৰুতি অঞ্চলটোত প্ৰচলিত আছে।

**বুঢ়ী আই ঃ** মায়ঙৰ হিলৈ খুন্দাত বুঢ়ী আইৰ নামেৰে এখনি থান আছে।

১৭-১৮ সংবাদদাতা, হাজৰিকা লোকেন্দ্ৰ, লোনমাটি (৫৫)

১৯-২১ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ, ৰজামায়ং (৭৮)

কিম্বদন্তী অনুসৰি এসময়ত পদুমী গোঁসাইবিলত গাধুই আহি ঘৰত আটাইকে ভাতপানী দিয়াৰ পিচত বুঢ়ী আইৰ থানলৈ গুছি যায়। মানুহগৰাকীক বিচাৰি ঘৰৰ মানুহ গৈ বুঢ়ীআইৰ থান পায়গৈ আৰু দেখে মানুহগৰাকী দুটা শিলৰ ফাক এটাত সোমাই আছে। মানুহগৰাকীক টানি উলিয়াবলৈ চেষ্টা কৰি বিফল হৈ বুঢ়ীআইক সেৱা কৰাত উলিয়াই দিয়ে।[২২]

**বাক ঃ** এসময়ত দুজন ককাই-ভাই আছিল। এদিন তেওঁলোকে পিছদিনা মাছ মাৰিবলৈ যাব বুলি ভাবিলে; কিন্তু সেইদিনাই ৰাতি বাকে ভায়েকক মাৰি নিজে সাইলাখ ভায়েকৰ ৰূপলৈ ককায়েকৰসৈতে মাছ মাৰিবলৈ গ'ল। ককায়েকে মাছ যিমানে ধৰে সিমানেই খালৈৰপৰা নাইকিয়াহৈ যোৱাত ককায়েকৰ সন্দেহ হ'ল আৰু বাকৰ গাত জাল মাৰি দি কাষলতিৰ জোলোঙাটো কাঢ়ি ল'লে। ঘৰলৈ গৈ ককায়েকে সেই জোলোঙাটো সৰিয়হৰ ডুলিত লুকুৱাই থ'লে। কালক্ৰমত ভায়েকৰূপী বাকে বিয়া-বাৰু কৰালে আৰু সন্তানো হ'ল। কিন্তু এদিন মাকক কুতুৰি জোলোঙাটো লৈ বাকটো গুচি গ'ল কিন্তু তাৰ সন্তানকেইটা থাকি গ'ল।[২৩]

৬। তিৱাসকলৰ উৎপত্তিক কেন্দ্ৰ কৰি প্ৰচলিত জনশ্ৰুতি ঃ

কিম্বদন্তী অনুসৰি লালুংসকলক মহাদেৱে সৃষ্টি কৰিছিল। এবাৰ মহাদেৱে অতিপাত মদ খাই অজ্ঞান হৈ পৰি থকা অৱস্থাত তেওঁৰ মুখৰপৰা লেলাউটি ওলাইছিল। জ্ঞান ঘূৰাই পাই মহাদেৱে সেই লেলাউটিৰপৰা এজন পুৰুষ আৰু এগৰাকী নাৰী সৃষ্টি কৰা বাবেই তেওঁলোক আৰু তেওঁলোকৰ বংশধৰসকলক লালুং নামে জনা যায়। এই লালুংসকলেই তিৱা।[২৪]

### ৩.১.৩. সাধুকথা ঃ

#### ১. সাধু কথাৰ উৎপত্তি ঃ

সাধুকথাৰ উৎপত্তি ক'ত, কেনেকৈ হৈছিল এই বিষয়ে কোৱা টান। পৃথিৱীৰ প্ৰতিখন দেশতে প্ৰতিটো জাতিৰ মাজত সাধুকথাৰ প্ৰচলন হৈ আহিছে। সাধুকথাৰ

---

২২-২৩ সংবাদদাত্ৰী, দেৱী, মামণি, ৰজামায়ং (৪৬)
২৪ গগৈ, দিপালী, মায়ঙৰ জনশ্ৰুতি, সাতসৰী, ফেব্ৰুৱাৰী ২০১০

আভিধানিক অৰ্থ— সাধু=সন্ত + কথা বা উপাখ্যান।[২৫] সন্তসকলে কোৱা কথা বা সাধুকথা। বিশ্ববিখ্যাত লোকতত্ত্ববিদ এডুইন চিডনী হাটলেণ্ডে তেখেতৰ 'The science of Fairy Tales' নামৰ গ্ৰন্থত সাধুকথাৰ সংজ্ঞা দিছে এইদৰে—

'Traditionary Narrative not in their present form relating to beings held to be divine, nor to cosmological or national events but in which the super nataral plays an essential part.'[২৬] হাটলেণ্ডে সাধুকথাবোৰক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিছে। এবিধ হ'ল sage আৰু আনবিধ হ'ল 'মাৰ্চেন' (সাউদৰ কাহিনী)[২৭]

সাধুকথা মানুহৰ জীৱনৰ অভিজ্ঞতাৰ ছাঁলৈ আপোনা-আপুনি ফুটি ওলোৱা এবিধ ৰূপকথা। 'ইয়াত সোমাই আছে কল্পনা, প্ৰতীক আৰু ইতিহাসৰ চকামকা ছায়া।'[২৮] সাধুকথা শব্দৰ মূল বিচাৰি বহুতে কাহিনীৰ অন্তৰালত সাধু, সৎ বা নীতি কথা একোটা জড়িত থাকে বাবেই পুৰণি লোক কাহিনীক সাধুকথা বোলা হয় বুলি ভাবে। 'সংস্কৃত ভাষাৰ পঞ্চতন্ত্ৰ, হিতোপদেশ আদি নীতিজ্ঞানমূলক কথাবোৰ অসমত প্ৰচলিত হোৱাৰ পিছত সাধুকথা শব্দটো নীতিজ্ঞানমূলক বুলি ভাবিবলৈ অৱকাশ পাইছে।'[২৯]

অসমীয়া প্ৰতিশব্দ সাধু কথাক প্ৰাচীন কালত সাউদ কথা বুলিও কোৱা হৈছিল। 'সৰহীয়া ডিঙালৈ বণিজলৈ যোৱা সাউদ বহুত দিনৰ মূৰত ঘৰলৈ উলটি আহে। দেশ-বিদেশৰ ৰসাল কাহিনী টোপোলা বান্ধিলৈ আহে সাউদে। গাঁৱৰ গঞাৰ আগত সাউদে নিজৰ বিচিত্ৰ অভিজ্ঞতা বৰ্ণনা কৰে। এই সাউদৰ কথাই সময়ত সাধু-কথা হৈ পৰে।[৩০]

সাধুকথাৰ মাজেদি একোটা জাতিৰ বা এখন দেশৰ মাটি, পানী, আকাশ, সমাজ, পাৰিবাৰিক জীৱন, লোকবিশ্বাস, জীৱন দৃষ্টি প্ৰভৃতি ফুটি ওলায়। প্ৰাচীন ভাৰতৰ সাধুকথাৰ সম্ভাৰসমূহ হৈছে 'কথাসৰিৎ সাগৰ', 'পঞ্চতন্ত্ৰ', 'হিতোপদেশ' ইত্যাদি গ্ৰন্থ। বিষ্ণু শৰ্মাৰ পঞ্চতন্ত্ৰত ভাৰতীয় মানুহৰ চিন্তা-ভাৱনা, বিশ্বাস-পৰম্পৰা, আবেগ-অনুভূতি, কল্পনা প্ৰৱণতা,

২৫ হেমকোষ অভিধান
২৬ Hutland, Cidncy : The Science of Fairy Taks.
২৭ প্ৰগুক্ত গ্ৰন্থ
২৮ শৰ্মা, মুনিন্দ্ৰ নাথ (সম্পা.) ঃ প্ৰবন্ধ কৰণি, সাধুকথা আৰু কথনভংগী, ৰাম গোস্বামী, পৃ. ৭৭
২৯ গগৈ, লীলা ঃ অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা, পৃ. ১৮১
৩০ উক্ত গ্ৰন্থ, পৃ. ১৮১

ইত্যাদি বিষয়বোৰ সাধুকথাৰ ছলেৰে দাঙি ধৰা হৈছে। জাতকৰ গল্পত সাধুৰ ছলেৰে বৌদ্ধ ধৰ্মৰ নীতিকথা আৰু উপদেশসমূহৰ বিষয়ে পোৱা যায়। 'কথা-সৰিৎ সাগৰ' হৈছে অসংখ্য সাধুকথাৰ ভৰাঁল। কোঁৱৰ-কুঁৱৰী আৰু দুঃসাহসী অভিযানৰ বৰ্ণনা হিতোপদেশত নীতিকথাৰ নিদৰ্শন পাব পাৰি। এইবোৰৰ উপৰিও ৰামায়ণ-মহাভাৰত, ভাগৱত পুৰাণ আদিত বৰ্ণিত বিভিন্ন কাহিনী সাধুৰূপে অসমীয়া সমাজত প্ৰচলিত হৈ আহিছে। মুছলমান শাসনৰ যুগত জনপ্ৰিয়তা লাভ কৰা 'আৰব্য উপন্যাস', 'হাতেমতাই' আদি সাধুকথা প্ৰচলিত আছে। অসমীয়া সমাজত চিলনীৰ জীয়েকৰ সাধু, বুঢ়ী আইৰ সাধু, কমলাকুঁৱৰীৰ সাধু, তেজীমলাৰ সাধু, বিভিন্ন দেও-ভূতৰ সাধু ইত্যাদিত আনন্দ, অনুভূতি, আবেগ, উল্লাস, উৎকণ্ঠা, বেজাৰ, বিৰহ, প্ৰেমপ্ৰীতি, ঘৃণা-ঈৰ্ষা সকলো বিষয়ৰ উল্লেখ দেখিবলৈ পোৱা যায়। একোখন সমাজৰ বা পাৰিবাৰিক জীৱনৰ আভ্যন্তৰীণ বা আন্তঃকলহ ইত্যাদিৰ চিত্ৰ সাধুকথাসমূহৰ মাজত দেখিবলৈ পোৱা যায়।

সাধুকথা কোৱাৰ ক্ষেত্ৰতো বিভিন্নতা পৰিলক্ষিত হয়। একেটা সাধুৱেই একোজনৰ মুখত এটা ৰূপ আন এজনৰ মুখত ভিন্ন ৰূপ পৰিগ্ৰহণ কৰা দেখা যায়। লক্ষ্মীনাথ বেজবৰুৱাই 'বুঢ়ী আইৰ সাধু' সংকলন কৰোঁতেও সংগ্ৰহ কৰোঁতাসকলৰ ভাষাৰ ওপৰত হাত ফুৰাইছিল বুলি পাতনিত উল্লেখ কৰিছে। 'সংকলয়িতাৰ কথন আৰু প্ৰকাশভংগী আকৰ্ষণীয় হ'লে মৌখিক ৰূপৰপৰা একাধিক স্তৰ বাগৰি আহি লিখিত ৰূপ পৰিগ্ৰহণ কৰিলেও তেনে সাধুকথাই সাধাৰণ পাঠক আৰু শ্ৰোতাক— আকৃষ্ট কৰিব পাৰে। অৰ্থাৎ লোকসাহিত্যৰ কোনো এটা মৌখিক শ্ৰেণী (genre) কোনো এসময়ত লিখিত ৰূপ পৰিগ্ৰহণ কৰিব পাৰে। আকৌ এনে লিখিত ৰূপটোৰ ব্যাপক পঠন-শ্ৰৱণৰ ফলত ই মৌখিক স্তৰলৈ যাব পাৰে যিটো পৰম্পৰাগতভাৱে বহু যুগ ধৰি প্ৰৱাহিত হৈ থাকে।'[৩১]

সাধুকথাৰ সৃষ্টি মূলতঃ কথকতাৰ বাবে, পঠনৰ বাবে নহয়। কথনভংগীৰ ওপৰত নিৰ্ভৰ কৰি একেটা সাধু জনপ্ৰিয় হয় আৰু ইয়াৰ প্ৰসাৰণ বৃদ্ধি পায়। একেটা সাধুৱেই বক্তাৰ ওপৰত নিৰ্ভৰ কৰি ভিন্ ভিন্ হোৱা দেখা যায়। ইয়াৰ গুৰিতে কথক আৰু শ্ৰোতাৰ মাজত সৃষ্টি হোৱা সম্পৰ্ক (Rapport) আৰু পাৰস্পৰিক ক্ৰিয়া (inter action)।

---

৩১ দাস, প্ৰবীনচন্দ্ৰ ঃ প্ৰাক-বেজবৰুৱা কালত সাধুকথাৰ চৰ্চা আৰু বুঢ়ী আইৰ সাধু, গৰিয়সী ডিচেম্বৰ ২০১১

সাধুকথাত তিনিটা পৰ্যায় থাকে। সেই কেইটা হ'ল ১) পৰিচয় ২) উৎকণ্ঠা আৰু ৩) পৰিণতি[৩২] পৰিচয়ত সাধুকোৱাজনে পৰিবেশৰ কথা কৈ চৰিত্ৰবোৰৰ চিনাকি দিয়ে। কেতিয়াবা ওপৰঞ্চি কথাৰো পাতনি মেলিব লগাত পৰে। দ্বিতীয় পৰ্যায়ত কাহিনীৰ বৰ্ণনা; কৌতুহল বঢ়াবলৈ বিভিন্ন কথাৰ অৱতাৰণা আৰু তৃতীয় পৰ্যায়ত পৰিণতিৰ ফালে লৈ যোৱা হয়। কাহিনীৰ অন্তত কি হ'ল তাক ব্যাখ্যা কৰি কোৱা হয়। সহজ শব্দ, সহজ-সৰল প্ৰকাশভংগী, শ্ৰুতিমধুৰ আবেদন আৰু পৰিবেশ সৃষ্টি হৈছে সাধুকথাৰ প্ৰাণ।

**২. সাধুকথাৰ শ্ৰেণী বিভাগ ঃ** বিষয়বস্তুৰ ফালৰ পৰা নবীন চন্দ্ৰ শৰ্মাই 'লোকসংস্কৃতি' গ্ৰন্থত সাধুকথাক কেইটামান উপশ্ৰেণীত বিভক্ত কৰি দেখুৱাইছে—

১। জন্তুকেন্দ্ৰিক সাধুকথা (Animal tale);

২। যাদুমূলক বা বিস্ময়াৰহ বা ৰোমান্তিক বা অতিলৌকিক (Magical or Wonderous or Romantic or Supernatural tale);

৩। নৈদানিক সাধুকথা বা ব্যাখ্যামূলক সাধুকথা (Etiological or Ex planatory tale);

৪। টেটকুঁটি (Jokes or Homoeous tale);

৫। ক্ষুদ্ৰ সত্য কাহিনী (Ancedote);

৬। মূৰ্খৰ সাধু (Numskull tales);

৭। টেটোন বা টেন্টনৰ সাধু (Trickster tale);

৮। ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিত গঢ়ী সাধুকথা (Cumulature or chain or Formula tale);

৯। মিছলীয়া সাধুকথা (The Tales of Lying);

১০। অন্তহীন সাধুকথা (Endless tale);

১১। সমস্যামূলক সাধুকথা (Dilemma tale);

১২। কথা গীত (Cante fable);

১৩। ধৰ্মমূলক সাধুকথা (Religious tale);

---

৩২ শৰ্মা, মুনিন্দ্ৰ নাথ (সম্পা.) ঃ প্ৰবন্ধ কৰণি, সাধুকথা আৰু কথনভংগী, ৰাম গোস্বামী, পৃ. ৭৮

১৪। নিষিদ্ধ সাধুকথা (Tabu tale);

১৫। অজাচাৰী সাধুকথা (In Cestaous tale)।[৩৩]

মায়ং অঞ্চলত প্ৰাপ্ত সাধুকথাসমূহকো এই ধৰণৰ ভাগত ভাগ কৰিব পাৰি। অসমৰ অন্যান্য অঞ্চলত প্ৰচলিত সাধুকথাসমূহেই অঞ্চলটোত প্ৰচলিত যদিও কিছুমান বিষয়ত ভিন্নতা পৰিলক্ষিত হয়।

**১। জন্তুকেন্দ্ৰিক সাধুকথা ঃ** অতি প্ৰাচীন কালৰপৰা জীৱজন্তুক কেন্দ্ৰ কৰি সাধু কথা ৰচিত হৈ আহিছে। জীৱ-জন্তুৰ চাৰিত্ৰিক বৈশিষ্ট্যৰ ওপৰত ভিত্তি কৰি এই সাধুসমূহ ৰচিত। মায়ং অঞ্চলত প্ৰচলিত পঞ্চতন্ত্ৰৰ সাধুৰ শিয়াল, কাউৰী, বাঘৰ সাধুৰ ইটোৱে সিটোক ঠগাবলৈ বা প্ৰতাৰণা কৰিবলৈ কৰা চেষ্টা দেখা যায়। বগলী আৰু কেকোঁৰা আদি উল্লেখযোগ্য সাধু।

**বাঘ আৰু শিয়ালৰ কথা ঃ**

এবাৰ এখন হাবিত এটা শিয়ালে নিজৰ বুদ্ধিৰে মইমতালি দেখুৱাই বাঘৰ পোৱালিক খাব দিয়া মাংস নিজে খাই প্ৰৱৰ্ত্তিছিল। এনেদৰে চলোতে বাঘ-বাঘিনীয়ে শিয়ালৰ ফাঁকি বুজি উঠাত বাঘটোৱে শিয়ালক খেদি গৈ গছৰ খেৰেঙত চেপা লাগি মৰে। তাৰ পিছত বাঘিনীক ভয় দেখুৱাই ফন্তিমাৰি মুকলি-মূৰীয়াকৈ খাই বৈ থাকিল। এনেকৈ কেইবাটাও পৰীক্ষাত দল বুদ্ধিৰে শিয়ালটোৱে জিকি বাঘ পোৱালীৰ সহিতে খাবলৈ পালে যদিও বাঘ পোৱালিৰ আগত শিয়ালৰ টেঙৰালি ধৰা পৰে আৰু চিকাৰলৈ যাওঁতে লগৰীয়াৰ হোৱা শুনি ফালৰি কাটি নিজ প্ৰকৃতিৰে শিয়ালটোৱে হোৱা দিয়াত ধূৰ্ত্ত শিয়াল বুলি ধৰিব পাৰি বাঘ পোৱালি দুটাই থেকেচা মাৰি মাৰি পেলায়।[৩৪]

**২. যাদুমূলক বা বিস্ময়াৱহ বা অতিলৌকিক বা ৰোমান্টিক সাধুকথা (Magical or Worderous or Romantic or Supernatural tale) ঃ**

যাদুমূলক সাধুকথা জাৰ্মান ভাষাত 'মাৰখেন' (Marchen) স্বৰূপে পৰিচিত।[৩৫]

৩৩ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃষ্ঠা ১৭৪-১৭৫
৩৪ সংবাদদাত্ৰী, মেধি, কবিতা, মনহা (৪৫)
৩৫ শৰ্মা, নবীন চন্দ্ৰ ঃ উক্ত গ্ৰন্থ, পৃ. ১৭৭

অসমীয়া ভাষাৰ ফুলকোঁৱৰৰ সাধু, কমলাকুঁৱৰীৰ সাধু, তেজীমলাৰ সাধু, তেজা আৰু তুলাৰ সাধু, পানেশৈ ইত্যাদি এনে সাধু। মায়ং অঞ্চলত প্ৰাপ্ত এটা সাধু হৈছে শিৱদত্তৰ সাধু। সাধুটো এনেধৰণৰ—

এখন দেশত এজন ৰজা আছিল। ৰজাজনৰ ঘৰটো খেৰৰ কিন্তু গোটা 'ৰুৱা'বোৰৰ ভিতৰত অলেখ মণি মাণিক হীৰা আদি সুমুৱাই থোৱা আছে। ৰজাৰ পুত্ৰ নাছিল। বহু সাধনাৰ মূৰত ৰজাই এটি পুত্ৰ লাভ কৰিলে। যথাসময়ত বিবাহ কৰাই দিলে। এদিনাখন পুত্ৰৰ অনুপস্থিতিত ৰজাই বোৱাৰীয়েকক ভিতৰুৱা বা গুপ্তধনৰ ভাণ্ডাৰ সম্বন্ধে সম্ভেদ দিলে আৰু ক'ত কিমান সা-সম্পত্তি আছে সকলো বিৱৰি ক'লে। পুত্ৰ শিৱদত্ত আৰু বোৱাৰীয়েক তিলোত্তমাক এৰি থৈ এদিন ৰজা বানপ্ৰস্থ হ'ল। যাবৰ সময়ত পুত্ৰ মৃগয়া লৈ যোৱাত বোৱাৰীয়েকক কৈ গ'ল ৰজাই যে মধ্য সাগৰৰ পানী খাব লাগে আৰু বহুত মাছৰ মূৰ খাব দিছে। শিৱদত্ত আহি পোৱাত তিলোত্তমাই এই দুয়োটা কথা ক'লে। তেতিয়া শিৱদত্তই ডাঙৰ দলং এখন সাজি মাজভাগৰপৰা পানী খাবলৈ ল'লে আৰু 'মোৱা' মাছ আনি 'বহুত মাছৰ মূৰ' অৰ্থাৎ সৰুমাছ খাবলৈ ধৰিলে।

শিৱদত্তৰ পত্নীৰ সিহঁতৰ বনকৰা চাকৰ এটাৰ লগত অবৈধ প্ৰেম হ'ল। তাৰ লগতে ধন-সোণ সকলো শেষ হ'ল। শিৱদত্তই তিলোত্তমাক ক'লে যে তেওঁৰ এজন বন্ধু আছে তালৈ যাব। বন্ধুৰ ঘৰতো এক অঘটন ঘটিল। বন্ধুৰ পুত্ৰক কোলাত লৈ থাকোঁতে ডিঙিৰ সোণৰ চেইনডাল পানীত পৰিল। চোৰ বুলি তিৰস্কাৰ কৰাত এইবাৰ তিলোত্তমাৰ সখীৰ ঘৰলৈ যাত্ৰা কৰিলে। লগত চাকৰটোলৈ তিনিও যাত্ৰা কৰিলে।

মধ্যসাগৰ অৰ্থাৎ দলঙৰ মাজ পোৱাৰ লগে লগে চাকৰটোৱে ৰজা শিৱদত্তৰ কীৰিতি আৰু সাজপোচাক পিন্ধি চাব বিচাৰিলে সহজ-সৰল শিৱদত্তই দি দিলে। তিনিওটা সখীৰ ঘৰৰ ওচৰ পাই সাজ-পোছাক, কীৰিটি পুনৰ ঘূৰাই বিচাৰিলে কিন্তু পূৰ্বপৰিকল্পিত ষড়যন্ত্ৰ অনুসৰি তিলোত্তমাই ওলোটাই শিৱদত্তক চাকৰ বুলি কৈ সখীয়েকৰ আগত ক'লে যে এই চাকৰটোক মাৰি তাৰ তেজ আনি দেখুৱাব লাগে বুলি কাটোৱাল এটাক মাতিলে। বুঢ়া কাটোৱালে শিৱদত্তক নি কাটিব খোজোঁতে ৰাজপুত্ৰৰ ৰাজচিহ্ন দেখা পাই প্ৰকৃত ঘটনা জানিব বিচাৰিলে। শিৱদত্তই প্ৰথমে আপত্তি কৰিলে যদিও অৱশেষত সকলো

কথা বিৰৰি ক'লে। কাটোৱালে তেওঁক নিজৰ ঘৰত লুকুৱাই থৈ কুকুৰ এটা কাটি তেজ লৈ দেখুৱালে আৰু তাক লুকুৱাই থৈ সখীয়েকৰ ঘৰলৈ আহি তিলোত্তমা আৰু চাকৰটো থকা বিচনাৰ তলত সোমাই থাকিল। ৰাতি তিলোত্তমাই শহুৰেক ৰজাই 'ৰুৱা' আদিৰ ভিতৰত থোৱা ধন-সোণ, হীৰা-মুকুতা আদিৰ সম্ভেদ দিলে ৰাতি দুয়ো শোৱাৰ পিছত কাটোৱালে উভতি ঘৰলৈ গৈ শিৱদত্তক সকলো বিৰৰি ক'লে আৰু এখন নাৱৰ যোগাৰ কৰি ঘৰলৈ যাব দিলে।

শিৱদত্তই আহি ৰাইজ গোটাই সকলো ধন-সম্পদ আন ঠাইত লুকুৱাই থৈ নিজেও লুকাই থাকিল। তিলোত্তমা আৰু চাকৰটো পিছদিনা উভতি আহি ধন-সোণ একো নেদেখিলে। ৰাইজে শিৱদত্তক লৈ আহিল আৰু চাকৰটোক কি শাস্তি দিব সুধিলে। ৰজাই বিচাৰৰ ভাৰ ৰাইজৰ ওপৰত এৰি দিলে। ৰাইজে লগুৱাটোক তলে-ওপৰে কাঁটা দি পুতি থ'লে।[৩৬]

এই সাধুটো বাস্তৱ জগত আৰু কল্পনাৰ সংমিশ্ৰণ বুলিব পাৰি।

**৩. নৈদানিক সাধুকথা (Etiological or Explanatory tale) ঃ**

নৈদানিক বা ব্যাখ্যামূলক সাধুকথাত সাধাৰণতে জগৎ সৃষ্টি, বিভিন্ন বস্তুৰ উৎপত্তি ইত্যাদি জড়িত হৈ আছে। হুদু, ফেঁচা, বগলী, জোকৰ উৎপত্তি বিষয়ক অলেখ সাধু মায়ং অঞ্চলত প্ৰচলিত হৈ আছে।

**৪. টেটকুঁটি (Jokes and Humorous tale) ঃ**

হাস্য ব্যঙ্গপ্ৰধান সাধুৰ মূলতে আছে সাধুকথা, ক্ষুদ্ৰ সত্য কাহিনী (Anecdote) ব্যঙ্গাত্মক সাধুকথা (Joke) আদিক সামৰে।

**৫. ক্ষুদ্ৰ সত্য কাহিনী** (Anecdote) ঃ এই কাহিনী ব্যক্তি, জন্তু, স্মৰণযোগ্য ঘটনা, স্থান আদিক কেন্দ্ৰ কৰি হয়।

**৬. টেটোন বা টেন্টনৰ সাধুকথা** (Trickster tale) ঃ টেটোন বা টেন্টনৰ সাধুকথাত একোজন চতুৰ ব্যক্তিৰ ঘটনাৰ ক্ৰম থাকে। মায়ং অঞ্চলত প্ৰাপ্ত এনে এটি সাধু হৈছে 'কেঁচাতে মিঠা'। সাধুটোৰ আগতে হয়তো নাম বেলেগ আছিল বৰ্ত্তমান এই নামেৰে পৰিচিত।

---

৩৬ সংবাদদাত্ৰী, ডেকা, বিলাতী, বৰদিয়া (৭০)

**কেঁচাতে মিঠা ঃ**

এজন গাঁৱলীয়া কৃষক-বেপাৰীয়ে কল এঠোক বেচিবলৈ আহি এটা কল বেজীৰে খুচি চেনি মিহলাই লৈ আহি কলঠোক মহাজনক বেচি দামত বিক্রি কৰে। ঘৰলৈ আহি মহাজনে বাকীবোৰ কল মিঠা নোহোৱাত ঠগন খাই বেপাৰীক টকা ওভতাই বিচাৰে। এইবাৰ সি দুটা বগলী ঘৰত আনি এটা ঘৰত থৈ এটা পথাৰলৈ লৈ যায়। পথাৰত গৈ মহাজনে টকা বিচৰাত সি হ'ব ঘৰৰ পৰা লৈ যাব বুলি কৈ ভাত খাই যাব ক'লে মহাজনক আৰু পথাৰত থকা বগলীটোক ঘৰত ঘৈণীয়েকক ভাত ৰান্ধিবলৈ বগলীটোৰ আগত কৈ পঠালে। কিছুসময় পিছত ঘৰলৈ ভাত খাবলৈ আহি মহাজনে ঘৰত থকা বগলীটোক দেখি আচৰিত হৈ একেটা বগলী বুলি ভাবি বগলীটো কিনিব বিচাৰিলে। বেপাৰীয়ে বহু সময় দাম-দৰ কৰি শেষত মান্তি হ'ল আৰু বহু দামত মহাজনে বগলীটো লৈ আহি ঘৰ পালত বগলীটোক কামত লগাই গম পালে সি আকৌ ঠগন খালে। এইবাৰ পুনৰ সি খঙত বেপাৰীৰ ঘৰ পোৱাত বেপাৰীয়ে বুদ্ধি মতে ভাত খাবলৈ জোৰ কৰিলে। বেপাৰীৰ ঘৈণীয়েক ওলাই আহিল ভিতৰত খুলশালীয়েকক সুমুৱাইথৈ। ঘৈণীয়েক দেখিবলৈ ক'লা আপচু। বেপাৰীয়ে ভাত বনাব ক'লৈ কিন্তু অলপ পিছত ভিতৰলৈ গৈ এচাৰি এডালৰে ধমহ্ ধমহ্ কৈ শব্দ কৰিলে। ভাত হ'লত ভাত দিলে খুলশালীয়েকে। বগা ধুনীয়া খুলশালীক দেখি মহাজনে এইমাত্র ক'লা মানুহজনী এতিয়া বগা কেনেকৈ হ'ল জানিব বিচৰাত বেপাৰীয়ে এচাৰি ডাল দেখুৱাই সকলো যাদুমন্ত্র এচাৰি ডালতে আছে বুলিলত মহাজনে বহু দামত এচাৰিডাললৈ পুতেকহঁতক কোৱাবলৈ ধৰিলে। অৱশেষত নিজৰ ভুল বুজি পালে মহাজনে।[৩৭]

সাধুটোত মহাজনৰ নিৰ্বোধ লুভীয়া স্বভাৱ আৰু টেটোনৰ বুদ্ধি প্ৰকাশ পাইছে।

**৭. ক্ৰমাপুঞ্জিত বা নিৰ্ধাৰিত গঢ়ী সাধুকথা** (Cumulative or chain or formula tale) ঃ এই সাধু কৌতুকপূৰ্ণ, হাস্যকৰ আৰু খেল-ধেমালিৰ বৈশিষ্ট্য সম্বলিত। এইবিধ সাধুত এটা পৰিস্থিতিয়ে আন এটা পৰিস্থিতিক ঠেলি দিয়ে, যিটো পৰিস্থিতিতে আকৌ আন এটা পৰিস্থিতিক ঠেলি দিয়ে।[৩৮]

৩৭ সংবাদদাত্ৰী, মেধি, কবিতা, মনহা (৪৫)
৩৮ গোস্বামী, প্ৰফুল্ল দত্ত ঃ অসমীয়া জন সাহিত্য, পৃ. ৫৬

মায়ং অঞ্চলত প্ৰচলিত এনে এটা সাধু হৈছে 'ধুম'ৰ সাধু।

এদিন এজোপা বেলগছৰ তলত এটা শহাপহুৱে ঘাঁহ খাই আছিল। এনেতে ওপৰৰ পৰা বেল এটা পৰাত ধুমকৈ শব্দ এটা হ'ল। সি ভয়তে দৌৰিবলৈ ধৰিলে। এনেতে এটা হৰিণাই পাই কিয় দৌৰিছে সোধাত 'ধুম' ওলাইছে বুলি ক'লে। সিও দৌৰিবলৈ ধৰিলে। এনেকৈ বান্দৰ, বাঘ, সিংহ, হাতী, ঘোঁৰা সকলোৱে ধুম ওলাইছে বুলি দৌৰিবলৈ ধৰিলে। শেষত এটা শিয়ালে পাই সুধিলে, কিন্তু সিহঁতৰ ৰবৰ সময় নাই। শিয়ালে আটাইকে দাবি দি ৰখালে আৰু আচলতে কি ওলাইছে জানিব বিচাৰিলে। ইটোৱে সিটোক দোষাৰোপ কৰি শেষত শহাক শুধিলে। সি সকলো বিৱৰি ক'লে। শিয়ালে সাহ কৰি নেতৃত্ব দি ঘূৰি আহি দেখিলে এটা পকা বেল পৰি আছে। শিয়ালে লগে লগে বেলটো ভোজন কৰিলে।[৩৯]

ক্ৰমপুঞ্জিত বা নিৰ্ধাৰিত গঢ়ী সাধুৰ বিভিন্ন পৰিস্থিতিবোৰ শীৰ্ষ বিন্দুত উপনীত হোৱাৰ পৰবৰ্ত্তী মুহূৰ্তত ক্ৰমশঃ পৰিণতিৰফালে আগবাঢ়ে আৰু আৰম্ভণিৰ পৰিস্থিতি টোৱে পৰিণতি লাভ কৰে।

৮. **মিছলীয়া সাধু** (The tales of lying) ঃ এই শ্ৰেণীৰ সাধুৰ লগত নিৰ্ধাৰিত গঢ়ী সাধুৰ মিল পোৱা যায়।

৯. **অন্তহীন সাধুকথা** (Endless tale) ঃ এই শ্ৰেণীৰ সাধুকথাত আৰম্ভণি এঠাইত সাধুৰ আকৃতিৰে কৰা হয় আৰু পিছত পুনৰাবৃত্তি কৰা হয়।

মায়ং অঞ্চলত প্ৰচলিত এনে এটি সাধু হৈছে— এগৰাকী আইতাকক নাতিয়েক কেইগৰাকীয়ে ৰৰকৈ আমনি কৰি আছিল, সাধু শুনিবলৈ। আইতাকৰ ইতিমধ্যে সাধুৰ ভাণ্ডাৰ শেষ। শেষত আইতাকে বুদ্ধি কৰি সাধু শুনালে।

এঘৰ মানুহৰ ঘৰৰ চোতালত ধান মেলি থোৱা আছিল। ধান খাবলৈ এজাক সৰু সৰু চৰাই আহিল। অসংখ্য চৰায়ে ধান খাবলৈ ধৰাত গৃহস্থই এখন জাল ওপৰত দি দিলে চৰাইবোৰ বন্দী হৈ গ'ল। কিন্তু জালখনৰ ফটা অংশ এটুকুৰাৰে প্ৰথমে এটা চৰাই ডুৰুংকৈ উৰা মাৰিলে। তাৰ অলপসময় পিছত আৰু এটা ডুৰুংকৈ উৰা মাৰিলে।

৩৯ সংবাদদাত্ৰী, দেৱী, দিপ্তী; ৰজামায়ং (২৫)

বাৰে বাৰে একোটা কথাৰ পুনৰাবৃত্তি ঘটিল

*এটা গ'ল ভুৰুং*

*এটা গ'ল ভুৰুং*

নাতিয়েকহঁতৰ আমনি লাগি তাৰ পিছতে কি হ'ল শুধিলে। উত্তৰত আইতাকে আকৌ ক'লে

*এটা গ'ল ভুৰুং।*[৪০]

এই সাধুৰ উত্তৰ অন্তহীন। একোটা কথাৰে পুনৰাবৃত্তি হ'ল।

**১০। সমস্যামূলক সাধুকথা ঃ** এই সাধুকথাত এটা কাহিনী থাকে আৰু কাহিনীৰ পৰিণতিত এটা সমস্যামূলক প্ৰশ্ন থাকে এই প্ৰশ্নটোৰ কেইবাটিও উত্তৰ থাকিব পাৰে। শুদ্ধ উত্তৰ দিওঁতাজনেই জয়ী হয়।

**১১। কথাগীত** (Cante Fable) **ঃ** সাধাৰণতে প্ৰশ্ন আৰু উত্তৰৰ সহায়ত গীত-পদৰ ঘটনা-প্ৰবাহ সামৰণিৰ ফাললৈ গতি কৰে।

**১২। ধৰ্মমূলক বা ধৰ্মীয় সাধু ঃ** ধৰ্মমূলক সাধুকথাত চৰিত্ৰসমূহ ঘাইকৈ অতি মানৱ হয়। মহাদেৱ পাৰ্বতীৰ সাধু আদি এনেজাতীয় সাধু।

**১৩। নিষিদ্ধ সাধুকথা** (Tabx tale) **ঃ** আমাৰ সমাজত পৰম্পৰা অনুসৰি কিছুমান নীতি-নিয়মৰ প্ৰচলন আছে। ৰাতি সাপ, চূণ আদিৰ নাম ল'ব নাপায়। গধূলি ধূণা বিক্ৰি কৰিব নাপায়। এনে বিষয়সংযুক্ত সাধু কথাবোৰ নিষিদ্ধ কথাৰ অন্তৰ্গত।

**১৪। অজাচাৰী সাধুকথা** (In cestuous tale) **ঃ** কোনো এটা কেন্দ্ৰীয় পৰিয়ালৰ স্বামী-স্ত্ৰীৰ বাহিৰে আন পৰিয়ালৰ মাজত পৰম্পৰাগত ভাৱে প্ৰচলিত যৌন-নিষিদ্ধকৰণ ভংগৰ আন নাম অজাচাৰ। ইয়াৰ ওপৰত আধাৰিত সাধু অজাচাৰী সাধুকথা।

**৩.২ প্ৰবাদ-প্ৰৱচন, যোজনা-পটন্তৰ ঃ**

মানুহে প্ৰাত্যহিক জীৱনৰ ব্যৱহাৰিক ক্ষেত্ৰত বিভিন্ন অভিজ্ঞতাৰ সন্মুখীন হয়। এই অভিজ্ঞতাসমূহ মুখে মুখে প্ৰচলিত হোৱাৰ ফলস্বৰূপে এটা পুৰুষৰপৰা আন এটা পুৰুষলৈ প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা, পটন্তৰৰূপত বাগৰি আহে বাবে কোৱা হয়—

৪০ সংবাদদাত্ৰী, তামুলী, কুলদা; জামুগুৰিহাট (৫৮)

দহৰ জ্ঞান একৰ বাণী। (A proverb is one man's wit and wisdom of many) মাত্ৰ দুফাঁকি বা চাৰি ফাঁকি পদৰ মাজত আবদ্ধ এই প্ৰবচন-যোজনা পটন্তৰসমূহে বিশাল জ্ঞান বুকুত লৈ ফুৰে; অৰ্থাৎ, একোটা সাধাৰণ প্ৰবচনে বিশাল অৰ্থ বহন কৰা দেখা যায়। প্ৰবচনসমূহ মানৱ জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ সমষ্টি। "Proverbs are folk wisdom distiled from the experience of many even through clad in their ultimate verbiage by individual known or unknown phrase turners"।[৪১] অৰ্থাৎ, প্ৰবচনসমূহ একপ্ৰকাৰ লোকজ্ঞান, যিবিলাক অভিজ্ঞতাৰ পৰা এটোপ্ এটোপ্‌কৈ নিগৰি পৰি কিছুমান ব্যক্তিৰ জনা-নজনা বাক্য বাহুল্য আৰু খণ্ডবাক্যৰপৰা জন্ম হয়।

আভিধানিক অৰ্থ অনুসৰি যোজনা, দৃষ্টান্ত, ফকৰা পটন্তৰ আদি সমাৰ্থক। "ফকৰা-যোজনা আৰু প্ৰবচনবোৰত সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্ৰচলিত জীৱন চৰ্যা আৰু আশীৰ্বাদ, জাতিৰ মনস্তত্ত্ব, আচাৰ-ব্যৱহাৰ আৰু বহুক্ষেত্ৰত সমালোচনাও পোৱা যায়।[৪২] মহেশ্বৰ নেওগৰ ভাষাত "সিবোৰ লোক-প্ৰজ্ঞাৰ (Folk lore) সূক্ষ্ম সমষ্টি। আন আন লোকসাহিত্যৰ দৰেই প্ৰবাদবাক্যও প্ৰজ্ঞাৰ স্বতঃস্ফুৰ্ত্ত প্ৰকাশ জীৱনৰ টিপ্পনী।"[৪৩] মংগলদেৱ শাস্ত্ৰীয়েও ফকৰা-যোজনাৰ বিষয়ে কৈছে— যে "ফকৰা-যোজনা আদি যুগ-যুগান্তৰৰ সঞ্চিত অভিজ্ঞতা আৰু জ্ঞানৰ মূৰ্ত্তিমান প্ৰকাশ। যিবোৰ যেন পুৰণি ক্ষয় যোৱা মুদ্ৰাৰ দৰে, নানা সামাজিক পৰিৱৰ্ত্তন আনকি বিপ্লৱ সত্বেও সকলো ঠাইতে সকলো মানুহে আগ্ৰহেৰে গ্ৰহণ কৰে।"[৪৪]

একোটা সৰু সৰু ফকৰা-যোজনাৰ মাজতে বিশাল অভিজ্ঞতা-লব্ধ, বহুল জ্ঞান-গৰ্ভ, গূঢ়াৰ্থ সূচক সাৰগৰ্ভ অভিজ্ঞতা পোৱা যায়। এই অভিজ্ঞতাপূৰ্ণ উক্তিবোৰ যে এঠাইতে আবদ্ধ এনে নহয়, ইয়াৰ মাধ্যমত মানুহৰ কথা-বতৰালৈ পৰিপূৰ্ণতা আনি দিব পৰা ক্ষমতা দেখা যায় অৰ্থাৎ কোনো ব্যক্তিয়ে আনজনক বহু কথা কৈ দিয়াতকৈ মাত্ৰ এফাকি যোজনা-ফকৰাৰে আটাইবোৰ কথা কৈ দিব পাৰে, যাৰবাবে যুগ যুগ ধৰি ফকৰা-যোজনাই মানুহৰ সমাজত আদৰ লাভ কৰি আহিছে।

---

৪১ Reaver, J Russell and Boswell G. W. (ed.) : Fundamentals of Flok Literature, P. 20

৪২ শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, পৃ. ২২

৪৩ নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৩৪

৪৪ Shastri, Mangal Dev, Forward note, Assamese Proverbs by P.C. Baruah, 1962

৩.২.১ প্ৰবচন, ফকৰা, যোজনা, পটন্তৰ আটাইবোৰৰে সুকীয়া সুকীয়া লক্ষণ বিদ্যমান।[৪৫] কোনো কথাফাঁকিৰ আন্তৰালত কোনোবা যুগত ঘটি যোৱা কাহিনীৰ কংকাল পৰি আছে। এনে কাহিনী কোনো ঠাইতে প্ৰত্যক্ষ কোনো ঠাইত প্ৰচ্ছন্ন। এইবোৰ হৈছে প্ৰবচন।

*"যাবৎ চন্দ্ৰাৱলী তাবৎ কঠিয়া*
*বিধাতাৰ লিখন নাযায় খণ্ডিয়া।"*

**৩.২.২** কিছুমান কথাৰ মূল কথাটো বুজাবলৈ লগত ছন্দস্পন্দ প্ৰয়োগ কৰি একোফাঁকি কথা এনেয়ে যোৰা দিয়া হয়, এনেবিধ কথাই হ'ল যোজনা। পটন্তৰত সাধাৰণতে দুফাকি কথা থাকে আৰু দুয়োফাকি কথাৰ বিষয়বস্তুৰ স্বভাৱৰ মিল থাকে আৰু সিটোৰ লগত ৰিজাবলৈ ব্যৱহাৰ কৰা হয়।

*"নাবাঢ়ি কোমোৰা চালতে বুঢ়া*
*মাকে বোলে জালি কোমোৰা।"*[৪৬]

**৩.২.৩** ফকৰাসমূহ সাধাৰণতে ধৰ্মীয় তত্ত্বৰ ভড়াল; ধৰ্মৰ গূঢ়াৰ্থ, জ্ঞানবাণী, উপদেশ, পালনীয় দিহা ইত্যাদি ফকৰাৰ যোগেদি কোৱা হয়।

*"দিছিলি মালা হৈছিলো ভকত*
*নিপিন্ধো মালা নহও ভকত।"*[৪৭]

ইত্যাদি প্ৰতীকি অৰ্থত কথাখিনি কোৱা হৈছে।

৩.২.৪ ফকৰা বা যোজনা-পটন্তৰ সংখ্যাত অসংখ্য। মানৱজীৱনৰ সম্ভৱতঃ এনে দৈনন্দিন ঘটনা নাই যাৰ বিষয়ে যোজনা-পটন্তৰত নাই। ঘাইকৈ গ্ৰামাঞ্চলৰ স্বভাৱ কবিসকলে ব্যৱহাৰিক জীৱন, পথাৰ সজ-সমিতি আদিত ব্যৱহাৰৰ উপযোগী কৰি ব্যঞ্জনাময় ৰূপত গঠন কৰি লৈছে। চুটি চুটি সাৰগৰ্ভ বাক্য আদিৰে বিভিন্ন আদৰ্শ নীতিমূলক কথা কোৱা হয়। কোনো বিষয়ৰ ওপৰত বিতৰ্ক কৰোঁতে তাৰ্কিকসকলে ব্যৱহাৰ কৰাৰ উপযোগী ফকৰা বা যোজনা-পটন্তৰো আছে। যিবোৰৰ মাজেদি ক'বলগীয়া কথা বকলা নেমেলাকৈয়ো কম কথাৰ মাজেদি ক'ব পাৰি। যেনে—

৪৫ গগৈ, লীলা ঃ অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, পৃ. ৩৭
৪৬ সংবাদদাতা, হাজৰিকা, তিলক; লোনমাটি (৫৫)
৪৭ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ, ৰজামায়ং (৭৮)

*‘ৰাইজে নখ জোকাৰিলে নৈ বয়।’*

*‘উপকাৰীক অজগৰে খায়।’*

এনেধৰণৰ যোজনাই ভাষাক লগতে বক্তব্য বিষয়ক স্পষ্ট কৰে আৰু কথালৈ গাম্ভীৰ্য আনি দিয়ে।

প্ৰবচনসমূহ অধ্যয়নৰ বাবে প্ৰসংগ (Context) অধ্যয়ন অত্যন্ত প্ৰয়োজনীয়। প্ৰসংগ বুজি নাপালে প্ৰবচনসমূহৰ অৰ্থ বা তাৎপৰ্য বুজিব নোৱাৰি।

অৰ্থৰ অবিহনে প্ৰবচনসমূহ প্ৰয়োগ কৰাটো অতি জটিল। প্ৰবচন বুজিবলৈ অৰ্থ আৰু অৰ্থৰ ভিতৰত সোমাই থকা প্ৰসংগজনাটো অত্যন্ত আৱশ্যকীয়।

**৩.২.৫** ফকৰা-যোজনা বা প্ৰবচনসমূহ ভিন্ন বিষয়ৰ। বিষয়বস্তু অনুসৰি প্ৰবচনসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হৈছে—

(ক) সামাজিক চিত্ৰ ৰূপায়ণত যোজনা পটন্তৰ,

(খ) নীতিবচনমূলক কৰণীয়-অকৰণীয় ইত্যাদি,

(গ) স্বভাৱ আৰু মনৰ বিকাশ সম্পৰ্কীয়,

(ঘ) মানুহৰ দৈনন্দিন জীৱনৰ শুভাশুভ নিৰ্ণায়ক আৰু যাত্ৰা,

(ঙ) পৌৰাণিক কাহিনীযুক্ত প্ৰবচন,

(চ) ৰাজনীতিৰ সৈতে জড়িত প্ৰবচন,

(ছ) দাৰ্শনিক ভাৱাপন্না প্ৰবচন,

(জ) হাস্য-ব্যঙ্গাত্মক প্ৰবচন,

(ঝ) বুৰঞ্জীমূলক প্ৰবচন,

(ঞ) প্ৰকৃতি বিষয়ক,

(ট) গ্ৰাম্য-দোষ-দুষ্ট যোজনা-পটন্তৰ।

**(ক) সামাজিক চিত্ৰ ৰূপায়ণত যোজনা-পটন্তৰ ঃ**

গ্ৰাম্য সমাজৰ অভিজ্ঞতাই যোজনা-পটন্তৰৰো মূল উৎস। গ্ৰাম্য লোকসমাজে বিভিন্ন সামাজিক প্ৰয়োজনত নিজৰ অভিজ্ঞতা ব্যক্ত কৰিবলৈ অথবা পৰিস্থিতৰ এক সুন্দৰ চিত্ৰ অংকন কৰিবলৈ অথবা প্ৰত্যুত্তৰ দিবলৈ ফকৰা-যোজনা বা পটন্তৰৰ আশ্ৰয় লয়। এই যোজনা

পটন্তৰসমূহৰ মাজেদি বিভিন্ন সামাজিক চিত্ৰ ফুটি উঠিছে। মায়ং অঞ্চলৰ ফকৰা-যোজনা পটন্তৰসমূহৰ মাজেদিও লোকসমাজখন চিত্ৰিত হৈ পৰিছে। সামাজিক ৰীতি-নীতি, পাৰস্পৰিক সম্প্ৰীতি, পাৰিবাৰিক জীৱন, পৰিবেশ, নাৰী-পুৰুষৰ পাৰস্পৰিক সম্পৰ্ক, কৃষিকৰ্ম, খাদ্যাভ্যাস, কৰ্মময় জীৱন, সমূহীয়া কৰ্ম আদি সমাজৰ বিভিন্ন দিশ সামগ্ৰিকভাৱে ফকৰা-যোজনা, পটন্তৰসমূহৰ মাজত ফুটি উঠিছে। প্ৰাত্যহিক জীৱনৰ প্ৰতিটো বিষয়ৰ ছবি ফকৰা-যোজনা সমূহৰ মাজত দেখা পোৱা যায়। এনে কিছুমান যোজনা হৈছে—

কৃষিজীৱি সমাজখনৰ ছবি ফকৰা-যোজনাত এনেদৰে মূৰ্ত্তিমান হৈ উঠিছে

*"বোকাতো নিদিও হাত*
*নাখাও শালিধানৰ ভাত।"*[৪৮]

এলেহুৱা, কৰ্মবিমুখ মানুহে কষ্ট কৰি আৰ্জন কৰিব নোখোজে। জা-জলপান খাবলৈও মন অথচ কষ্ট কৰিবৰ সময় নাই। এনেকুৱা ব্যক্তি কৃষিজীৱি সমাজত নিন্দনীয়। দাম্পত্য জীৱনৰ আৰম্ভণি—

*"বা-ধান এপাচি শালিধান এপাচি*
*ঢাৰীতে মিহলি হ'ল।*
*তুমিযে এগাঙৰ মই যে এগাঙৰ*
*ঢাৰীতে চিনাকী হ'ল।"*[৪৯]

বা-ধানৰ শুং আছে, শালিধানৰ নাই। দুয়োটা লগ লাগে ঢাৰীত ৰ'দত দিয়াৰ সময়ত। সেইদৰে দাম্পত্য জীৱনৰ আৰম্ভণিত দুয়ো দুখন গাওঁৰ। চিনাচিনি নাই। ঢাৰীতহে অৰ্থাৎ বিচনাত হে চিনাকী হয়।

*"আম কঠাল দুমাহ*
*মাতামাতি নাই ছমাহ।"*[৫০]

আম আৰু কঠাল গছৰ ফল মাত্ৰ দুমাহ থাকে। দুমাহৰ বাবে ইয়াৰ মূল্য বৃদ্ধি হয়। কিন্তু বাকী বছৰটোৰ আধা দিন অকামিলা হৈ পৰি থাকে। কিছুমান মানুহক প্ৰয়োজনৰ সময়তহে বিচৰা হয়।

---

৪৮-৪৯ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং, (৭৫)
৫০ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ; ৰজামায়ং (৭৮)

স্বামী-স্ত্ৰীৰ মাজৰ তিক্ত-মধুৰ সম্পৰ্ক—

*"মানিমুনি বেঙেৰী খৰে খাইতী ফাফৰী*
*নাপাইহে আনিলং তোক*
*সমনীয়াৰ আগতে নোলাবি ফাফৰী*
*সেজিলাই মাৰিব মোক।"*[৫১]

দেখিবলৈ আপছু ঘৈণীয়েকক ঠাট্টা-মস্কৰাৰ ভয়ত সমনীয়াৰ আগলৈ উলিয়াব নোৱাৰাৰ দুখ গিৰীয়েকৰ মুখে প্ৰকাশ পাইছে।

অসমীয়া সমাজত তামোল-পাণৰ বিশেষ প্ৰচলন আছে। প্ৰাত্যহিক জীৱনত তামোল-পাণ অবিহনে অসমীয়া সমাজ অচল। দৈনন্দিন ব্যৱহাৰৰ উপৰিও বিভিন্ন ধৰ্মানুষ্ঠান আৰু ক্ৰিয়াকাণ্ডতো তামোল-পাণ অপৰিহাৰ্য। অসমীয়া পুৰুষ-মহিলা, ডেকা-গাভৰু, বুঢ়া-ডেকা কাৰো ক্ষেত্ৰত তামোল খোৱাত সামাজিক বাধা নাই। বাৰীত তামোল-পাণ ৰোৱা অসমীয়া মানুহৰ ধৰাবন্ধা ৰীতি। পূজাৰ নৈবদ্যত তামোল-পাণ অপৰিহাৰ্য উপাচাৰ। তামোল, পাণ, চূণ, ধপাত এই চাৰিওবিধ মিলিহে তামোল সম্পূৰ্ণ হয়। ধৰ্মীয় অনুষ্ঠানত থুৰিওৱা তামোলৰ ব্যৱহাৰ অসমীয়া নাৰীৰ শিল্পীসুলভ মনৰো পোৱা হয় তামোল এখন লোৱাৰ সময়ত।

*"তামোল পাণ দিয়া আগত*
*চূণখিনি দিবা পাছত*
*চাধাখিনি দিবা পাছে*
*বাকীখিনি মোৰে আছে।*
*ওঠে দিবা চিপি, দাঁতে দিবা বতি*
*জিভাই কৰিব লটক*
*নলীচাইদেদি যায় পটক।"*[৫২]

এনেদৰে তামোলক লৈ অলেখ যোজনা ৰচিত হৈছে।

মৰম-প্ৰীতিৰ লগতে তামোল-পাণৰ জৰিয়তে মৰম-স্নেহৰ আদান-প্ৰদানৰো পৰিচয়

৫১ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী; ৰজাচুবা (৫০)
৫২ সংবাদদাত্ৰী, বিষয়া, ভদ্ৰা; হাতীমূৰীয়া (৮০)

পোৱা যায়।

*"হালবালং, মাটি মৰিয়ালং, জাবৰ ঘোগলালং*
*তামোল এখন দিবা ভন্তী যাম গধূলা।"*[৫৩]

নতুনকৈ বাৰী পাতি গাঁৰৰপৰা মুকলিলৈ ওলাই অহাজন উজনীয়া অৰ্থাৎ অলপ উন্নত জ্ঞান কৰা হয় সমাজত। কিন্তু নামত উন্নত হ'লেও কামত যে বহু অসুবিধাৰ সন্মুখীন হয় বিশেষকৈ বাৰীৰ সামগ্ৰীৰ বাবে যে আনৰ ওচৰত ধৰুৱা হ'ব লগা হয় তাৰ মনোৰম চিত্ৰ ঃ

*"আগে আছিলং ভাটিত তামোল-পাণ আছিল গাঁঠিত*
*ইতিয়া হলুং উজনীয়া*
*মুখে হলুং খোজনীয়া।"*[৫৪]
*"নতুন ৰান্ধনিৰ পৰিছে পাল*
*শাক-ঢেকীয়া পৰিছে তাল।"*[৫৫]

নতুন ৰান্ধনিৰ হাতত পাল পৰিলে শাকেই ৰান্ধিব নে ঢেকীয়াই ৰান্ধিব একো আও ভাও নাপায়।

খোৱা-বোৱা বিষয়ত অসমীয়া সমাজত নীতি-নিয়ম মানি চলা হয়—

*"শাল শিঙি জপটিয়াই খাং*
*বাঁজী গৰুৰে হাল বাং।"*[৫৬]

গৃহস্থী ঘৰ সম্বন্ধীয়—

*"চৰকাৰত দ্বন্দ্বি বনবাস*
*তিৰীত দ্বন্দ্বি জকৰাভাত।"*[৫৭]

মাকে সন্তানক ভলৰো ভাল আহাৰ দিয়ে। কিন্তু তিৰী অৰ্থাৎ পত্নীৰ লগত হোৱা কাজিয়াই খাদ্যলৈ পৰিবৰ্ত্তন আনে।

সমূহীয়া কাম-কাজ সম্বন্ধে—

---

৫৩-৫৪ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭৫)
৫৫ সংবাদদাত্ৰী, ডেকা, লক্ষীমাই; ৰজাচুবা (৪৫)
৫৬-৫৭ সংবাদদাত্ৰী, ডেকা, লক্ষীমাই; ৰজাচুবা (৪৫)

*"খেলে খালে খায়*

*খেলে নেখালে পেলানি খায়।"*[৫৮]

সমাজত থাকি সমাজৰ হৈ কৰাজনৰ সকাম আদিহে খেলে গ্ৰহণ কৰে।

*"মণ্ডলবৰীয়া বজাৰৰ বেট সৰু বাপুহতি*

*কথা নাপাতিবা।*

*তুলতুলীয়া কৰিব পেট।"*[৫৯]

সৰুলৈ ডাঙৰৰ সকীয়নি যাতে যাৰে তাৰে স'তে কথা নাপাতে কিয়নো মানুহে খুঁট উলিয়াবলৈ পাঙি থাকে। তাৰোপৰি ইফালে একাষাৰ সিফালে একাষাৰ হৈ ভিতৰি সম্পৰ্ক বেয়া কৰিব পাৰে। অৰ্থাৎ ভিতৰি ভিতৰি কোৱা কথাই সম্পৰ্কত ফাট মেলাব পাৰে। আৰু পেট কপটতাৰে পূৰ্ণ হ'ব পাৰে।

ননন্দ আৰু বৌৱেকক লৈ—

*"ডাঙৰ বৌ ধুন্দুলি পাৰি দি খাং*

*সৰুবৌ ধুন্দুলি পাৰি দি খাং*

*ধুন্দুলি পাৰংকে কঁকালটো ভাঙি গ'ল*

*জৰা দিয়া গাঙলৈ যাং।"*[৬০]

জৰা দিয়া গাঙ অৰ্থাৎ হাস্পাতাল বা বেজ বিচাৰি যোৱাৰ কথা কৈছে।

বুঢ়া মানুহক ৰখিয়া কৰি থৈ গ'লে ঘৰৰ বাহিৰে ভিতৰে কি ঘটি থাকে একো ক'ব নোৱাৰে; গতিকে ৰখীয়া কৰি থৈ যোৱা অসাৰ।

*"ওলাই দেখিলো বুঢ়াৰ দুৱাৰ*

*আগেদি গ'ল শহা কি শিয়াল।"*[৬১]

অন্যহাতে এই ফকৰাটিৰ বিপৰীত অৰ্থব্যঞ্জক আন এটি ফকৰা হৈছে—

*"ডেকা লৰ মৰা কাঠিত বুঢ়া।"*[৬২]

অৰ্থাৎ ডেকাক ৰখীয়া কৰি থৈ গ'লে ইফালে সিফালে ঘূৰি ফুৰিব, কিন্তু বুঢ়া

৫৮-৫৯ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী; ৰজাচুবা (৫০)
৬০ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)
৬১-৬২ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী, ৰজাচুবা (৫০)

মানুহে কাঠিত বহিয়েই শাসন কৰিব।

*"শালক মোটকাব নোৱাৰি শ'লকে মোটোকা।"*[৬৩]

ওচৰ-চুবুৰীয়া বা পাৰিবাৰিক জীৱনত প্ৰায়ে এনে ঘটনা ঘটে। ডাঙৰৰ ওচৰত উঠা খং সৰুৰ ওচৰত জাৰে অথবা ডাঙৰক একো কৰিব নোৱাৰি আন এজনক প্ৰতিশোধ লোৱা হয়।

*"গছত উঠি চাবা*
*ৰাইজ যেনি যায় সেইপিনে যাবা।"*[৬৪]

অৰ্থাৎ ৰাইজৰ মতে একে বাটে গ'লে যে লক্ষ্য স্থান পোৱাত সহজ হয়। ওভোটা পথ বৰ্জনীয়।

*"বাৰহাত জালৰ তেৰহাত ফটা*
*কি মাছ মাৰিলি বাপৰ বেটা*
*ৰৌ-বৰালি সৰকি গ'ল*
*পুথি-খলিহনা পাহে পাহে ৰ'ল।"*[৬৫]

জালখনো বাৰহাত কিন্তু তেৰহাত ফটা অৰ্থাৎ কথাৰে ডাঙৰ অথচ কামেৰে সৰু। ৰৌ-বৰালি আদি ডাঙৰ মাছবোৰ সৰকি গৈ সৰু সৰু পুথি-খলিহনাহে ৰৈ গ'ল। অৰ্থাৎ ডাঙৰ ডাঙৰ ব্যক্তি আইনৰ সুৰুঙাৰে সৰকি যায় কিন্তু সৰু সৰু মানুহৰ অলপ কথাও ৰৈ যায়। অন্য অৰ্থ হৈছে, ডাঙৰ কথা চহকী। ওপৰে ওপৰে কয় কিন্তু সৰুৰ কথা হে ৰৈ যায়।

**খ) নীতিবচনমূলক, কৰণীয়-অকৰণীয় ইত্যাদি ঃ**

অচিনাকী ব্যক্তি বা বস্তুৰ ক্ষেত্ৰত সহযোগিতাৰ ক্ষেত্ৰত সাৱধান হ'ব লগা সম্পৰ্কে যোজনা আছে—

*"অচিন কাঠৰ ঠোৰাও নলগাবা।*
*আগ নুশুনি গুণে পাছ*

---

৬৩ সংবাদদাত্ৰী, ডেকা, লক্ষীমাই; ৰজাচুবা (৪৫)
৬৪ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭৫)
৬৫ সংবাদদাত্ৰী, ডেকা, বিলাতী; বৰদিয়া (৬০)

*লোভত মৰে বৰশীৰ মাছ।”*[৬৬]

বৰশীৰ মাছ লোভত মৰে কাৰণ আগলৈ কি আছে গমিপিতি নোলোৱাৰ বাবে। সেইদৰে আগপাছ ভালকৈ গমিলৈহে মানুহে কামত অগ্ৰসৰ হ'ব লাগে।

*“আগত গ'লে খোৰাই যাওক*
*পিছত গ'লে ঘোঁৰাই যাওক।”*[৬৭]

অৰ্থাৎ আগত যোৱাজন সদায় চাই-চিন্তিহে খোজ দিব লাগে কিন্তু এজন আগবাঢ়ি যোৱাৰ পাছত পিছৰজন দ্ৰুতগতিত যাব পাৰে।

*“এলাগীক নকৰিবা হেলা*
*এলাগীয়েহে ৰাখিব বিপদৰ বেলা।”*[৬৮]

এলাগী বুলি একাশৰীয়াকৈ থোৱাগৰাকীয়ে সদায় নিজৰ সামৰ্থ্য দেখুৱাবলৈ চল বিচাৰি থাকে। গতিকে বিপদৰ সময়ত এলাগী বুলি আঁতৰাই থোৱা গৰাকীয়েহে বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহে।

*“মেলত থাকি নকয় উচিত*
*পাপ লাগে কিঞ্চিৎ কিঞ্চিৎ।”*[৬৯]

সমাজত থাকিও উচিত বুলি বা ন্যায় বুলি জনাটো যিয়ে নকয় তেওঁকো লোকসমাজে সামান্য অপৰাধী বুলি কৈছে।

*“মাটি কিনিবি তিনিটা বান্ধনি*
*গৰু আনিবি গাই।*
*ছোৱালী আনিবি এলাই জাবৰি*
*ঘৰ ৰাখিব তাই।”*[৭০]

মাটি সদায় তিনিটা বান্ধনি থকা চাই কিনিব লাগে। গৰু গাই কিনিলে বংশ বৃদ্ধি হোৱাৰ লগতে গাখীৰো খাব পায়। ছোৱালীৰ এলাই জাবৰিজনীয়ে খং উঠিলেও সহ্যৰ সীমা পাৰ হৈ নাযায়, যিটো গৃহস্থালী কৰা নাৰীৰ এক শুভ লক্ষণ বুলি সমাজে স্বীকৃতি দিয়ে।

---

৬৬-৭০ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)

*"বান্ধিলে মন শিলৰ খুঁটি*

*নাবান্ধিলে মন ঘোঁৰাৰ ছুটি।"*[৭১]

মনটোক সংযত কৰি ৰখাটোৱেই মূল কথা। সংযমী হ'লে মনটো শিলৰ খুঁটিৰ দৰে কিন্তু অসংযত হ'লে ঘোঁৰা চেকুৰাৰ দৰে চেকুৰিব পাৰে।

*"নক'লেও নোৱাৰি ফটামুখ*

*ক'লেও লাগে ভকতৰ দোষ।"*[৭২]

সমাজত থাকি উচিৎ কথা ক'বলৈ মন যায় কিন্তু তাৰ বাবে ভকত জগৰীয়া হ'লে ভকতৰ ৰোষত পৰাৰ ভয়।

**গ) স্বভাৱ আৰু মনৰ বিকাশ সম্পৰ্কীয় ঃ**

মানৱ চৰিত্ৰ অতি জটিল। সামাজিক বা পাৰিবাৰিক জীৱনত মানৱ চৰিত্ৰত জটিল দিশবোৰ আৰু স্বভাৱজাত প্ৰবৃত্তিসমূহ মূৰ্ত্তিমান হৈ উঠে। ফকৰা-যোজনাসমূহত ইয়াৰ নিখুঁট চিত্ৰ ফুটি উঠিছে। নাৰী আৰু পুৰুষকলৈ বহু যোজনা-পটন্তৰ পোৱা গৈছে। এই ফকৰাসমূহৰ সৰহভাগতে নাৰীৰ ভাল-বেয়া দিশ; ডেকামনৰ হাবিয়াস, নাৰী মনস্তত্ত্ব, পুৰুষৰ স্বভাৱজাত গুণ-প্ৰভৃতি ইত্যাদি পৰিষ্কাৰকৈ ফুটি উঠা দেখিবলৈ পোৱা যায়।

*"আগলতি দেখি সাংলতি হাঁহে*

*ৰ ৰ আগলতি তোলৈও আছে।"*[৭৩]

এজনক দেখি আনজনে হাঁহিলে সকলোৰে একেদিন নাথাকে। এদিন আনজনৰো অৱস্থা একে হ'ব পাৰে। সেয়ে আনক হাঁহিব নালাগে।

*"অবুজনক বুজোৱা ঢেৰুৱা ঠাৰি সিজোৱা*

*একে কথা।"*[৭৪]

*"আপদীয়া য'লৈ যায়*

*হুলে বিন্ধি বৰলে খায়।"*[৭৫]

কিছুমান ব্যক্তি য'লৈ গ'লেও বিপদে নেৰে এনে অৰ্থ কৰিছে।

---

৭১-৭২ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)

৭৩-৭৫ সংবাদদাত্ৰী, দেবী, ভদ্ৰা; বৰুৱাচুবা (৬৫)

ফকৰাসমূহ আলোচনা কৰিলে দেখা যায় সৰহ ভাগ যোজনাই নাৰীকেন্দ্ৰীক। যোজনা-পটন্তৰসমূহ অধ্যয়ন কৰিলেও দেখা যায় সৰহভাগ যোজনাই নাৰীৰ সা-সুবিধা, স্বভাৱ চৰিত্ৰ আচাৰ ব্যৱহাৰ, সৌন্দৰ্য, নিপুণতা, চঞ্চলতা আদিকলৈ ৰচনা কৰা হৈছে। যাইকৈ ঘৰখনৰ আভ্যন্তৰীণ উন্নয়ণ নিৰ্ভৰ কৰে নাৰীগৰাকীৰ ওপৰত। সেয়ে নিশ্চয় লোকসমাজ সৃষ্ট এই যোজনাসমূহত নাৰীগৰাকীক সুকীয়া দৃষ্টিৰে চোৱা হৈছে। নাৰীকলৈ ৰচনা কৰা এনে কিছুমান যোজনা বা পটন্তৰ আছে যিবিলাকে আজিৰ সমাজত বিতৰ্কৰ সৃষ্টি কৰিব পাৰে। নাৰী সম্পৰ্কীয় যোজনাবিলাকৰপৰা আমাৰ পুৰুষ প্ৰধান সমাজৰ ধাৰণাটো স্পষ্ট হৈ পৰে।

*"আহোতে নাৰদ যাওতে নাৰদ*
*নাৰদৰ ঘৰৰ ছোৱালী নানিবা*
*মেখেলা মেলি দিয়ে ছালত।"*[৭৬]

নাৰদ লোক সমাজত টুটকীয়া ব্যক্তিক কোৱা হয়। টুটকীয়া মানুহে ইঘৰ-সিঘৰ কৰি থাকোঁতে নিজৰ কন্যাকে সামাজিক ৰীতি-নীতি নিয়ম শৃংখলা শিকোৱা নহয়। সেয়ে এনে পৰিয়ালৰ ছোৱালী আনিবলৈ বাৰণ কৰা হৈছে।

*"আৰ ছিগা চুলি তাৰ ছিগা চুলি*
*মাৰি যাং নেখেৰী খোপা*
*আৰ চিঙা মেখেলী তাৰ চিঙা মেখেলী*
*মাৰি যাং গেৰুৱা লতা।"*[৭৭]

নিজৰ বুলিবলৈ একো নাই। আনৰ পৰা ইটো সিটো ধাৰ কৰিও নিজৰ ধুনপেছ ঠিক ৰখাৰ কথা কোৱা হৈছে।

*"ভাজনীয়ে কাপোৰ বোৱে দেখিবলৈ ভাল*
*ধাপৰীয়ে কাপোৰ ধোৱে শহাপহুৰ জাল।"*[৭৮]

শহাপহুৰ জাল পাতল। এই জালখনৰ দৰে কাপোৰ বোৱে ধাপৰী বা ভাজনীয়ে। কিন্তু পাকৈত বোৱনীৰ কাপোৰ দেখিয়ে গম পাব পাৰি।

৭৬ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)
৭৭-৭৮ সংবাদদাত্ৰী, ডেকা, লক্ষীমাই; ৰজাচুবা (৫০)

এই যোজনাসমূহ সম্পূৰ্ণ নাৰীকেন্দ্ৰীক। কোনোবাটোত যদি নাৰীৰ প্ৰশংসা কোনোবাটোত নিন্দা, মুঠতে নাৰীৰ লক্ষণ, দোষ-গুণ ইত্যাদিৰে এইসমূহ পৰিপূৰ্ণ।

কিছুমান যোজনা আকৌ পুৰুষকেন্দ্ৰীক।

*"আগফালে চুৰিয়াৰ ফেৰ*

*পিছফালে ঢকুনাৰ বেৰ।"*[৭৯]

বাহিৰলৈ ওলাই থকা অৱস্থাতো ফিৰ্‌ফিৰায়। কিন্তু ভিতৰৰ আৰ্থিক অৱস্থাতো একেবাৰে ফোপোলা।

*"অতি বুধিয়কৰ গলত ফাঁচি।"*[৮০]

*"তোৰ বাৰীৰ আদা ভাই*

*মোৰ বাৰীৰ আদা*

*তোৰ জীয়েৰে আদা খায়*

*মোক বুলিলে দাদা।"*[৮১]

ওচৰ চুবুৰীয়াৰ মাজত পাৰস্পৰিক সম্পৰ্কক লৈ এই যোজনা।

*"বাটে বাটে ফুৰং মই বাঘে খাই যদি খাক*

*সৰুৱা গছতে গাটো ঘুহিয়াং মই*

*দেহাটো যায় যদি যাওক।"*[৮২]

এই যোজনাটো 'ৰজাচুবা' অঞ্চলৰ। ৰজামায়ং অঞ্চলত ফকৰাটো এনেধৰণৰ—

*"গাখীৰৰ টেকেলিতে মূৰটো সুমুৱাও*

*দেহাটো যায় যদি যাওক।"*[৮৩]

বাটে বাটে ঘূৰি ফুৰিছে। কিবা এটা দুখত ভাগি পৰিছে। দেৱতায়ো নামাৰে, যমেও নামাৰে গতিকে গাখীৰৰ টেকেলিতে মূৰটো সুমুৱাই মৰিব বিচাৰিছে।

*"চৈধ্যে চতাল মধ্যে পতাল।"*[৮৪]

---

৭৯ সংবাদদাত্ৰী, ডেকা, লক্ষীমাই; ৰজাচুবা (৫০)

৮০ সংবাদদাতা, ডেকা, উমাকান্ত; ৰজাচুবা (৬০)

৮১-৮২ সংবাদদাত্ৰী, কোৱৰ, ৰেখা; ৰজাচুবা (৫০)

৮৩-৮৪ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭০)

ওচৰৰ পৰাই টোকোৰা চৰায়ে মাটিতো পৰে তৎক্ষণাত ওপৰলৈ উৰি যায়। ধান খায় চোতালত মানুহলৈ ভয় কৰি পটক্কৈ ওপৰলৈ উৰি যায়। অৰ্থাৎ এচাম মানুহে মুহূৰ্ততে এটা মত আকৌ পিছমুহূৰ্ততে অন্য এটা মত।

পতি-পত্নীৰ সম্বন্ধক লৈ—

*"ধুন দেখি ধুনিলি মোহ দেখি মোহিলি*
*ৰূপ দেখি নধৰিবি গাত*
*চন্দন কাঠ বুলি সাৱটি ধৰিলি*
*পছা শিমলুৰ কাঠ।"*[৮৫]

ধুনীয়া বুলি ওপৰলৈ তুলিলত পাছতহে গম পোৱা গ'ল পছা শিমলুৰ কাঠৰ দৰে কাম নোহোৱা।

*"শালে শিঙিয়ে বিলখন*
*কুকুৰে মেকুৰীয়ে ঘৰখন।"*[৮৬]

বিলত শাল-শিঙি আদি সকলো প্ৰকাৰৰ মাছ থাকে। বিলখন এনেদৰেই শুৱনি হৈ থাকে। সেইদৰে ঘৰখনত জীৱজন্তুৰ প্ৰতি মৰম থাকিলেহে কুকুৰ-মেকুৰীৰে ভৰি পৰে। ভালকৈ সকলোকে মিলা-প্ৰীতিৰে চলি থাকিবলৈ কোৱা হৈছে।

*"কি চাং তোৰ দেকি*
*ধূলা উৰাইচি মোৰ দেকি।"*[৮৭]

আনৰ ফালে চাব নোৱাৰাকৈ নিজৰ কাম বাকী আছে।

ডেকা-গাভৰুৰ মনৰ হাবিয়াস, আশা-আকাংক্ষা আদিও প্ৰকাশ পাইছে এনেদৰে—

*"সাপে কণী পাৰে লেছেৰা লেছেৰী*
*কাছই কণী পাৰে গাঁতত*
*তোমাৰে লগতে শুবলৈ নেপালো*
*এৰী কাপোৰৰে তলত।"*[৮৮]

---

৮৫-৮৬ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭০)
৮৭-৮৮ সংবাদদাত্ৰী, ডেকা, বেণুমাই; ৰজাচুবা (৫০)

এনেবোৰ ফকৰা বিহু আদিৰ আৰম্ভণিতেও গোৱা হয়।

**(ঘ) মানুহৰ দৈনন্দিন জীৱনৰ শুভাশুভ নিৰ্ণায়ক আৰু যাত্ৰা ঃ**

লোক-সমাজৰ প্ৰাত্যহিক জীৱনৰ শুভাশুভ নিৰ্ণায়ক আৰু শুভক্ষণ অনুযায়ী যাত্ৰা কৰাত নিৰ্দেশ দিয়া হৈছে যোজনা পটন্তৰৰ জৰিয়তে। এনে ধৰণৰ ফকৰা-যোজনাই লোক সমাজৰ গভীৰ পৰ্যবেক্ষণ আৰু সূক্ষ্ম ৰূপক প্ৰতিফলিত কৰে। দৈনন্দিন জীৱনত প্ৰত্যেক মানুহে কিছুমান নীতি-নিয়ম, নিৰ্দেশ আদি মানি চলিব লাগে। যুগ যুগ ধৰি মানুহৰ সঞ্চিত অভিজ্ঞতাই ফকৰা-যোজনাৰ মাজেদি প্ৰকাশ লাভ কৰিছে। মায়ং অঞ্চলৰ ফকৰা-যোজনাসমূহতো অঞ্চলটোৰ লোকসমাজখনৰ প্ৰতিটো দিশেই ফুটি উঠিছে। দৈনন্দিন জীৱনৰ খাদ্যাভাস, কৃষি, মানৱ-জীৱন, অতিথি-অপ্যায়ন, গৃহসজ্জা, ওচৰ-চুবুৰীয়াৰ প্ৰতি আচাৰ-ব্যৱহাৰ কথা বতৰা, কৰ্মমুখিতা, সমূহীয়া কাৰ্য আদি সকলোবোৰ বিষয়তে থকা নীতি-নিয়ম সমূহ ফকৰা-যোজনাৰ মাজেদি প্ৰকাশ পাইছে।

মায়ং অঞ্চলত বানপানীৰ বাবে কৃষি আদিৰ উৎপাদনত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। এই সম্পৰ্কে যোজনা আছে—

*"শাওনৰ পানী ৰাওনে যায়*
*ভাদৰ পানী ঘৰ তল বুৰায়।"*[৮৯]

অৰ্থাৎ শাওন মাহত হোৱা পানী ক্ষতিকাৰক নহয়, কিন্তু ভাদৰ শেহতীয়া বানপানীয়ে ঘৰবাৰী ধ্বংস কৰে।

*"ঘৰৰ কথা নকবি পৰক*
*ঘৰ হয় লৰক ফৰক।"*[৯০]

গৃহস্থীঘৰৰ গোপনীয় কথা বাহিৰ কৰিলে সন্মান হানি হ'ব পাৰে।

*"চোতাল সৰা গাভৰু চুলি মেলা কেশ*
*মই যাও হাতলৈ কি দিয়া লেখ।"*[৯১]

ঘৰ-চোতাল সৰাৰ সময়ত তিৰোতাক চুলি বান্ধি ল'ব দিছে। এনে কৰিলে চুলি য'তে ত'তে পৰাৰ সম্ভাৱনা নাথাকে।

---

৮৯-৯১ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)

মায়ং অঞ্চলত এনে অলেখ ফকৰাৰ প্ৰচলন হৈ থকা দেখিবলৈ পোৱা যায়।

**(ঙ) পৌৰাণিক কাহিনী যুক্ত ঃ**

কিছুমান যোজনা-পটন্তৰৰ ভিতৰত একোটা পৌৰাণিক কাহিনী সোমাই থাকে। এই কাহিনীটোক আশ্ৰয় কৰিয়েই ফকৰাই মূৰ্ত্তিমান ৰূপ লাভ কৰে। এনে এটি ফকৰা হ'ল—

*"শিলশিলীয়া শিমলু গোটে গাতে কাটা*
*আহাৰে ছনাগিলে কিনু অদ্ভুত কথা*
*হেৰা হেৰা পণ্ডিত ভাই উৰা মাল্লি*
*মোকে খায়।"*[৯২]

ইয়াৰ ভিতৰত এটা কাহিনী সোমাই আছে। কাঁইটেৰে পূৰ্ণ শিমলু এজোপাত চিলনীয়ে বাঁহ সাজি পোৱালী জগাইছিল। এদিন চিলনীটোৱে এটা সাপ নি পোৱালি কেইটাক খাব দিছিল। ওলোটাই সাপটোৱে পোৱালীকেইটাক খাই থ'লে। গতিকে আহাৰ বা খাদ্যই পোৱালিকেইটাক খাই থ'লে অথচ পোৱালীকেইটা যদি ডাঙৰ হয় সেই সাপডালক খালেহেঁতেন। স্থানান্তৰত সাপৰ পৰিৱৰ্তে মেকুৰী পোৱালী বুলি পোৱা গৈছে। এই সাধুটো নাজানিলে ফকৰাটোৰ সঠিক অৰ্থ উদ্‌ঘাটন কৰা অসম্ভৱ।

*"পঢ়োৱা পণ্ডিত, নপঢ়োৱা ওজা।*
*নুচুই দাঙিলে পোহাৰী পঁজা।"*[৯৩]

ইয়াৰ অন্তৰালত কাহিনীটো এনেধৰণৰ—

বিল এখনত সন্যাসী এজনে গা-ধুই আছিল। এজনী পোহাৰী দেশ ভ্ৰমণ কৰি আহিছে। তাইৰ পিয়াহ লগাত সন্যাসীজনক পানী খাব পাৰিবনে বুলি সুধিলে। পাৰিব বুলি কোৱাত পোহাৰীজনীয়ে হেকেৰ-কেৰকৈ শিল এটাৰ ওপৰত পাচিটো থৈ পানী খালে। পানী খাই উঠি পাচিটো ডাঙিব নোৱাৰা হ'লত সন্যাসীজনক পাচিটো উঠাই দিবলৈ দিলে। তেতিয়া সন্যাসীজনে অস্বস্তিত পৰিল আৰু বুদ্ধি কৰি তেওঁ বল দিব বুলি ক'লে আৰু

৯২ সংবাদদাত্ৰী, ডেকা, বিলাতী; বৰদিয়া (৬০)
৯৩ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭৫)

মাটিত বহিব দি শিলটোৰ ওপৰত থকা পাচিটো মূৰত ল'ব দিলে। লগে লগে তাই অলপ কষ্ট কৰি পাচিটো কেকো-জেকোকৈ মূৰত তুলিলে। ইয়াৰ অৰ্থ হৈছে মানুহে কিছুমান কাম বুদ্ধিৰ বলত কৰিব পাৰে। সন্যাসীজন পণ্ডিতো নহয়, ওজাও নহয়, কিন্তু নোচোৰাকৈ পোহাৰীৰ পাচিটো দাঙিব পাৰিলে কেৱল বুদ্ধিৰ বলত। সাধুটোৰ অন্তৰালত এক নীতিবাক্য আছে যে বুদ্ধি থাকিলে মানুহে নিজে নকৰাকৈয়ে আনৰ কাম কিছুমান কৰিব পাৰে।

*"সজৰ লগত সজ সংগ*
*মধু কৰিলো পাণ*
*শ্ৰীবৎস ৰজাৰ মূৰত উঠি*
*গংগাত কৰিলো স্নান।"*[৯৪]

এই যোজনাটো এটা গুবৰুৱাক লৈ। পোকটো এডাল কৰৱী গছৰ তলত থকা গোবৰত পৰি গোবৰ খুচৰি আছিল। এবাৰ গুবৰুৱাটোক দেখি ফুলৰ ৰস পাণ কৰি থকা মৌ এটাই ক'লে যে সদায় কিমান গোবৰ খায়। এদিন মৌখাই চাওকচোন কিমান সুন্দৰ লাগিব। লগে লগে গুবৰুৱাই ভাবিলে আৰু ওপৰলৈ গৈ মৌ পান কৰিলে। সোৱাদ পাই গোটেই ৰাতিটো পাৰ হৈ গ'ল। সন্ধ্যা হ'লে কৰৱী ফুল জাপ খায়। গুবৰুৱা থকা ফুল পাহো জাপ খালে। পিছদিনা পুৱা শ্ৰীবৎস ৰজাৰ লিগিৰীয়ে সেই ফুলপাহ লৈ গ'ল ৰজাৰ স্নানৰ বাবে। ৰজাই সেই গুবৰুৱা সোমাই থকা ফুলপাহকে মূৰত লৈ স্নান কৰিলে। লগে লগে গুবৰুৱাৰো গংগাস্নান হ'ল। এই গোটেই সাধুটো ফকৰাটোৰ মাজত সোমাই আছে। সজ সংগত পৰিলে মানুহে মুক্তি লাভ কৰিব পাৰে। ফকৰাটোৰ অন্তৰালত এই নীতিবচন সোমাই আছে।

এনেধৰণৰ বিভিন্ন যোজনা আছে। ভিতৰত সোমাই থকা সাধুটো নাজানিলে যোজনাটোৰ সঠিক মূল্যায়ন কৰা সম্ভৱ নহয়। আন কিছুমান এনে যোজনা হ'ল—

*"সীতা পাতালক যাব*
*কাৰোবাৰ তপ কোনোবাই নিব।"*[৯৫]

৯৪ সংবাদদাতা, ডেকা, লোহিত; হাতীমূৰীয়া (৭০)
৯৫ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)

*"শান্তি কৰা তেলীয়া সাৰেং শান্তি কৰাই ৰ'ল।*
*তেলত ডুবি মাৰি ফেচুলুকা ৰজা হ'ল।"*[৯৬]

*"ৰজাৰ কাৰ্যত বৈদ্যৰ হেলা*
*গা ধুব যাওতে ডেৰপৰ বেলা।"*[৯৭]

সাধুকথা বা আখ্যান আদিৰ মাজত থকা মূল বক্তব্যক সাৰ কৰি লৈ এই যোজনা-পটন্তৰসমূহৰ সৃষ্টি হৈছে। বিভিন্ন পৌৰাণিক কাহিনী, ৰামায়ণ, মহাভাৰত আদি মহাকাব্যৰ কাহিনী বিষয়ক অথবা চৰিত্ৰসমূহক লৈও বিভিন্ন সময়ত বিভিন্ন যোজনা নিৰ্মাণ হৈছে। এনেদৰে ফকৰাৰ মাজেদি প্ৰাচীন কাব্যগ্ৰন্থসমূহৰ নীতি-আদৰ্শ লোকসমাজৰ মাজত প্ৰচাৰ কৰাই ঘাই উদ্দেশ্য।

**(চ) ৰাজনীতিৰ সৈতে জড়িত ঃ**

ৰাজনীতিৰ সৈতে জড়িত যোজনাও পোৱা যায়। গ্ৰাম্যাঞ্চলত সাধাৰণতে কোনো বিচাৰ আদি সদায় ৰাইজৰ মাজতেই হয়। ৰাইজৰ বিচাৰকেই চূড়ান্ত বুলি গণ্য কৰা যায়। এনে বহু যোজনা আছে যিবোৰত ৰাইজৰ বিচাৰ দ্বন্দ্ব আদি পোৱা যায়। ৰজা সম্বন্ধীয় যোজনাসমূহে প্ৰাচীন সমাজব্যৱস্থাত ৰজাৰ শাসন ইত্যাদিৰ কথা সোঁৱৰাই দিয়ে।

*"ৰাইজৰ দায় সদায় লাগক*
*ৰজাৰ দায় এদিনো নালাগক।"*[৯৮]

ৰাইজৰ দায় লাগিলে তামোল-পাণ দি সেৱা এভাগ কৰিলেই মৰিষণ হয় কিন্তু ৰজাৰ বিচাৰে মৃত্যুদণ্ড পৰ্যন্ত দিব পাৰে।

*"ৰজাই ভালবোলে যাক*
*ঢেকী পোখলিও নালাগে তাক।"*[৯৯]

ৰজাৰ আপোন হ'ব পৰাতো সৌভাগ্যৰ কথা—

*"ৰাইজে চোৰ বুলিলে মেথিও চোৰ।"*[১০০]

৯৬-৯৯ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)
১০০ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭৫)

এনেধৰণৰ অলেখ ফকৰা মায়ং অঞ্চলত প্ৰচলিত হৈ আছে।

**(ছ) দাৰ্শনিক ভাৱাপন্ন ঃ**

কিছুমান ফকৰা যোজনাত এটি দাৰ্শনিক ভাব নিহিত হৈ থাকে। বাহ্যিক দৃষ্টিত এই ফকৰাসমূহ ওলোটা কথাৰে পৰিপূৰ্ণ যদিও তাৰ মাজেদি এক গুঢ় ৰহস্যৰ ঘন বাৰ্তা প্ৰকাশ কৰা দেখা যায়। সাধাৰণতে ভকতীয়া পৰিৱেশত এই ফকৰা-যোজনাসমূহ ব্যৱহাৰ কৰা দেখা যায়। চৰ্যাগীত কিছুমানতো সাঁথৰ ধ্বনিত দেখা যায়। চৰ্যাগীতত অৱশ্যে প্ৰশ্ন নহয়, ধৰ্মীয় গূঢ় ৰহস্যহে নিহিত হৈ থাকে। সেইফালৰ পৰা চৰ্যাগীতবোৰ আমাৰ ভকতীয়া ফকৰাৰ লগতহে মিলে।" [১০১] গতিকে অনুমান কৰিব পাৰি চৰ্যাগীত বা তাৰো আগৰ পৰা অসমীয়া লোক সাহিত্যত ফকৰা প্ৰচলিত হৈ আছে। মায়ং অঞ্চলতো ভকতীয়া ঠাঁচত অৰ্থাৎ দাৰ্শনিক ভাৱাপন্ন এনে ফকৰাৰ প্ৰচলন আছে।

*'ধৰ্মৰ ন চাৰন্ত সংগ।*
*এহিমতে পাণ্ডৱৰ নাই ৰণ ভংগ।'* [১০২]

*'এক কাঠি কাড়ে সাতোটা হৰিণা মাৰে*
*কাকোৰেই নক'লে লাজে*
*ছমাহ খাপ দি নিগনি এটা মাৰিলে*
*তাতেহে ধনঞ্জয় ঢোল বাজে।'* [১০৩]

*'বোপাই আছিল ভকত মই গৈছিলো লগত*
*গাজীকল খাবলৈ পাই ময়ো হ'লো ভকত।'* [১০৪]

ইয়াত প্ৰসাদৰ লোভত ভকত হোৱা সকলৰ কথা বুজোৱা হৈছে।

*'বামুণ হৈ নপঢ়ে বেদ...*
*ভকত হৈ নকৰে ভেদ*
*সাধু হৈ নাখায় মদ*

---

১০১ বৰুৱা, প্ৰহ্লাদ কুমাৰ ঃ অসমীয়া লোক সাহিত্য, পৃ. ৭৪
১০২ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭৫)
১০৩-১০৪ সংবাদদাতা, ডেকা, উমাকান্ত; ৰজাচুবা (৬০)

*এই তিনি নাপায় পৰম্পদ।'*[১০৫]

ইয়াত গায় অর্থাৎ বেদ, ভাই মানে ৰিপু আৰু মদ মানে ভক্তিৰস। অর্থাৎ ব্রাহ্মণে যদি বেদ অধ্যয়ন নকৰে, ভকতে যদি ৰিপু বশ নকৰে আৰু সাধুৱে যদি ভক্তিৰস পান কৰিব নাজানে তেনেহ'লে পৰম্পদ লাভ কৰিব নোৱাৰে।

এনেধৰণৰ দার্শনিক ভাৱাপন্ন যোজনাৰ মায়ঙত প্রচলন আছে।

*'চক্রৱৎ পৰিৱৰ্ত্তন্তে সুখানিচ, দুখনিচ।'*[১০৬]

*'চাইচাই বুলিবি বাট।*
*দেহৰ ভিতৰে আছে খাল-বাম,*
*পিছলি পৰিবি তাত।'*[১০৭]

**জ) হাস্য ব্যঙ্গাত্মক প্রবচন ঃ**

প্রবচন বা যোজনা সমূহৰ মাজত লোক সমাজৰ হাস্য ব্যঙ্গাত্মক ভাব কিছুমান প্রকাশ পাইছে। কাৰোবাক খোচ মাৰি কথা ক'বলৈ, কৃপণ ব্যক্তিক সমালোচনা কৰিবলৈ এনে যোজনা কোৱা হয়। কামত অকাজী কিন্তু আগভাগ লোৱা অর্থাৎ সমাজৰ অকাজীক সমালোচনা কৰিবলৈ হাস্যব্যঙ্গৰ সহায় লোৱা হয়।

*'এহাত কাপোৰৰ দুহাত দহী*
*ক'লৈ যোৱা ফোপজহী।'*[১০৮]

*'কাজীৰ টিকাত পাজি।*
*অকাজীৰ টিকাত মুগাৰ মেখেলা*
*যায় খম্‌খমকৈ বাজি।'*[১০৯]

দুয়োটা প্রবচনতেই শিপিনী মহিলাৰ গুণগান গোৱা হৈছে। আনহাতে অকাজী শিপিনীয়ে আগভাগ লৈ আচল শিপিনীক পিছুৱাই থয়।

---

১০৫-১০৭ সংবাদদাতা, নাথ, দিপনচন্দ্র; ৰজামায়ং (৭৮)
১০৮ সংবাদদাত্রী, দেৱী, নীলিমা; ৰজামায়ং, (৩৫)
১০৯ সংবাদদাত্রী, দেৱী, ক্ষীৰদা; ৰজামায়ং, (৭৫)

*'নিজৰ কটি ঠেক ঠেকীয়া*

*লোকৰ কটিত পানী চতিওৱা।'*[১১০]

এই আটাইবোৰ প্রবচন বা যোজনাতে ব্যঙ্গাত্মক ভাবেৰে আত্মসমালোচনা কৰিবলৈ দিয়া হৈছে। প্রথমে নিজৰ দোষ আঁতৰাইহে আনৰ দোষ খুচৰিবলৈ যাব লাগে। গতিকে দেখা যায় যে ব্যঙ্গাত্মক দৃষ্টিৰে লোক সমাজলৈ কৰণীয়-অকৰণীয় সকলো দিহা-আগবঢ়ায় প্রবাদ প্রবচন সমূহে।

**ঝ) বুৰঞ্জীমূলক ঃ**

ফকৰা-যোজনা বা প্রবচনসমূহৰ উৎপত্তি কেতিয়া হৈছিল গম পোৱা নাযায় যদিও কিছুমান যোজনা বুৰঞ্জীয়ে ঢুকি পোৱাৰ সময়ৰ বুলি ঠাৱৰ কৰিব পাৰি। এই যোজনা বা প্রবচনসমূহত বুৰঞ্জীৰ পৰশ দেখিবলৈ পোৱা যায়। আহোম ৰাজত্বৰ সময়ত এনে বহু ফকৰাৰ সৃষ্টি হৈছিল। সেই প্রবাদ বা যোজনাসমূহে বুৰঞ্জীৰ বহু ঘটনাৰ স্বাক্ষৰ বহন কৰি আহিছে। এনে কিছুমান যোজনা হৈছে—

*"গড়গএগ্রা মিতিৰৰ ভাও*

*মুখেৰে বোলে থাক থাক*

*ভৰিৰে হেঁচুকে ঠেলে নাও।"*[১১১]

*"গড়গাঁৱৰ পিছল বাট*

*বুঢ়াকো নমনি ডেকাকো নমনি*

*খোজেপতি লাখুটি পাত।"*[১১২]

*'বান্দীয়ে ভাঙিলে কতৰা*

*গড়গাঁও পালেগৈ বতৰা।'*[১১৩]

মায়ং অঞ্চলত প্রচলিত এই যোজনাকেইটাই আহোম যুগৰ বতৰা দিয়া পৰিলক্ষিত

১১০ কোঁৱৰ, ৰেখা; ৰজাচুবা (৫০)
১১১ ডেকা, উমাকান্ত; ৰজাচুবা (৬০)
১১২-১১৩ সংবাদদাতা, নাথ, দিপনচন্দ্র; ৰজামায়ং (৭৮)

হয়। গড়গাঁওক কেন্দ্ৰ কৰি এনে বহু ফকৰা প্ৰচলিত হোৱাটোৱে সেই সময়ত এনেবোৰ ফকৰা-যোজনাৰ উৎপত্তি হৈছে বুলি অনুমান কৰিব পাৰি। সেইদৰে 'দেশতকৈ মোমাই ডাঙৰ নহয়' আদি যোজনাই একোটা বুৰঞ্জীমূলক ঘটনাৰ সাক্ষী। গড়গাঁৱক কেন্দ্ৰ কৰি ৰচিত অন্য এটি যোজনা হ'ল—

*'ইয়াতে মাৰিলো টিপা*
*গড়গাঁও পালেগৈ শিপা।'* [১১৪]

এই যোজনাটিৰ উত্তৰ হিচাবে প্ৰথমে ভূমিকম্প, বিজুলীবাতিক কোৱা হৈছিল, বৰ্তমান আধুনিক যুগত মোবাইল ফোন বুলি কোৱা হয়।

স্বৰ্গ নাৰায়ণৰ পাছত চুক্লেংমুং (১৫৩৯-১৫৫২) আহোম ৰাজপাটত উঠে। এওঁ বকতৰ পৰা আহোম ৰাজধানী গড়গাঁৱলৈ তুলি আনে আৰু সেইবাবেই তেওঁক গড়গঞা ৰজা বোলা হয়। এইজনা স্বৰ্গদেৱে গড়গাঁও পুখুৰী খন্দোৱায় আৰু নগা আলি বন্ধোৱায়।[১১৫] গড়গাঁৱক লৈ অলেখ ফকৰা গঢ় লৈ উঠিছে। আহোম যুগত গড়গাঁৱক কেন্দ্ৰ কৰি শিক্ষা-সংস্কৃতিয়ে আগভাগ লৈছিল। যোজনাসমূহ তাৰেই স্বাক্ষৰ বহন কৰি আহিছে।

**ঞ) প্ৰকৃতি বিষয়ক ঃ**

প্ৰকৃতিৰ বিভিন্ন বস্তুকলৈ কিছুমান ফকৰা সৃষ্টি হৈ মায়ং অঞ্চলত প্ৰচলিত হৈ আছে। বিভিন্ন ফলমূল, গছ-গছনি, জীৱজন্তু, চৰাই-চিৰিকতি, তৰু-তৃণ, পাহাৰ-পৰ্বত ইত্যাদি প্ৰতিটো বস্তুৰেই যোজনা সমূহত প্ৰাণপাই উঠিছে। এনে কিছুমান যোজনা হ'ল—

*"টেঙা আম এবাৰহে বেচিব পাৰি।"*[১১৬]

*'অজাত গছৰ বিজাত গুটি*
*কেঁচাই যে টেঙাই পকিলেও টেঙা।'*[১১৭]

*'উই পৰুৱাৰ পাখি গজিলেই মৰণ।'*[১১৮]

১১৪ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)
১১৫ সংক্ষিপ্ত অসমীয়া বিশ্বকোষ (১ম খণ্ড), পৃ. ২৭
১১৬-১১৮ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)

*'চৰায়ে ৰমলিয়াক যাবা*

*মানুহে ৰমলিয়াক নাযাবা।'*[১১৯]

এই যোজনা পটন্তৰসমূহত প্ৰকৃতিয়ে প্ৰাণ পাই উঠিছে। অৰ্থাৎ প্ৰকৃতিৰ আচৰণৰ স'তে বা প্ৰকৃতিৰ সামঞ্জস্যৰ ভেঁটিত, প্ৰকৃতিৰ বৈশিষ্ট্যক উপলক্ষ্য কৰি অথবা প্ৰকৃতি আৰু মানৱ আচৰণক তুলনা কৰি এই যোজনাসমূহ গঢ় লৈ উঠা পৰিলক্ষিত হয়। প্ৰকৃতিৰ গুণ লক্ষণ আদিক মানৱ চৰিত্ৰত আৰোপ কৰি তুলনা বা সমিলমিলৰ জৰিয়তে যোজনাসমূহ সৃষ্টি কৰা হৈছে। মানৱ জীৱন আৰু বিচিত্ৰ প্ৰকৃতিৰ জীৱন ওতঃপ্ৰোতভাৱে সংযুক্ত হৈ আহিছে এই যোজনাসমূহত। কথাতৈ কাণ নকৰা মানুহক হাতীৰ স'তে তুলনা কৰা হয়—

*'ধান খোৱা হাতী গিদাও নকৰে কাটি।'*[১২০]

খোৱা বোৱা বা বিভিন্ন কাৰ্যত বাছিহে কাম কৰিব লাগিব এনে অৰ্থত—

*'শালশিঙি জপটিয়াই খাং*

*বাজী গৰুৰে হাল বাং।'*[১২১]

মানুহৰ শাৰিৰীক অবয়বক প্ৰকৃতিৰ স'তে তুলনা কৰি এনেদৰে যোজনাৰ সৃষ্টি হৈছে—

*"আৰ বুৰুং নুবুৰুং তেতেলী পাত*

*বনীজঙাইটো আহিছি ভাৰকৰী যেন দাঁত।"*[১২২]

**(ট) গ্ৰাম্য-দোষ-দুষ্ট যোজনা-পটন্তৰ ঃ**

মায়ং অঞ্চলত প্ৰাপ্ত যোজনা পটন্তৰসমূহত বহুসংখ্যক যোজনা গ্ৰাম্য দোষ-দুষ্ট কথোপকথনত ব্যৱহাৰ কৰা দেখা যায়। এই যোজনাসমূহে মানৱজীৱনৰ অন্ধকাৰ দিশসমূহত পোহৰ পেলোৱা পৰিলক্ষিত হয়। এনে কিছুমান ফকৰা যোজনা হ'ল—

*'ফুৰফুৰ ফা ফা নলাৰ চুঙা*

*কাৰ কাৰ পেট বিহাইছি*

১১৯ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)
১২০ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী; ৰজাচুবা, (৫০)
১২১-১২২ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী; ৰজাচুবা, (৫০)

*মোৰ লগত ঘোমা।'*[১২৩]

*'উলু কুকুৰা ৰঙা ৰদত বহি* শুকোৰা।'*[১২৪]

*'নিজৰ টিকা ঠেকঠেকীয়া*

*লোকলৈ পানী চতিওৱা।'*[১২৫]

*'যশোদা* বুলি নোশোধা।'*[১২৬]

গতিকে দেখা যায় যে যোজনা বা পটন্তৰসমূহৰ মাজেদি কোনো এটা জাতিয়ে নিজৰ সঞ্চিত অভিজ্ঞতা, কৰণীয়-অকৰণীয় সকলোবোৰ বক্তব্য প্ৰকাশ কৰি নতুন পুৰুষলৈ সঞ্চিত কৰে। লোকসমাজৰ মৌখিক পৰম্পৰাত এই যোজনা-পটন্তৰসমূহ প্ৰাণ পাই ন-পুৰুষলৈ সম্প্ৰসাৰিত হোৱা দেখা যায়।

**৩.৩ ফকৰা ঃ**

ফকৰাসমূহ যোজনা-পটন্তৰ বা প্ৰবচনসমূহতকৈ কিছু বেলেগ। ই গভীৰ আৰু পৰমাৰ্থিক অৰ্থবোধক নিৰ্দিষ্ট অৰ্থ কৰে। প্ৰাচীন কালত ধৰ্মক গূঢ় ৰহস্যসমূহ, কৰণীয় বিধিসমূহ গুৰুৱে শিষ্যলৈ প্ৰেৰণ কৰোঁতে ফকৰাৰ সহায় লৈ কৰিছিল। সঞ্চিত অভিজ্ঞতা বা ধৰ্মীয় বাণী শিষ্যলৈ প্ৰেৰিত হৈছিল ফকৰাৰ মাধ্যমেৰে। সেয়ে ফকৰাসমূহ প্ৰবচন বা যোজনাসমূহতকৈ কিছু জটিল আৰু ৰহস্যময়। একোটা ক'বলগীয়া কথা উদ্ভতকৈ প্ৰকাশ কৰিছিল, কিন্তু এইবোৰৰ অন্তৰালত আছিল আন এক গভীৰ অৰ্থ। সেই ফকৰা জানিবলৈ সেয়ে ধৰ্মীয় তত্ত্ব কিছু পৰিমাণে অনুধাৱন কৰিব পাৰিব লাগিব। মায়ং অঞ্চলত বৈষ্ণৱ পন্থৰ যিসকল লোক আছে তেওঁলোকৰ মাজতো এনে পৰম্পৰা প্ৰচলিত হৈ আছে। 'ভকত বৈষ্ণৱসকলে গুৰুমুখী বিদ্যাক গুপ্ত কৰি ৰাখিবলৈয়ে এই ফকৰাবোৰৰ সৃষ্টি কৰিছিল বুলি কোৱা হয়।"[১২৭] মায়ং অঞ্চলত প্ৰাপ্ত এনে ফকৰা হৈছে—

*"ব্ৰাহ্মণ হৈ নামাৰে গায়। সাধু হৈ নামাৰে ভাই*

---

১২৩ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী; ৰজাচুবা, (৫০)
১২৪-১২৬ কোঁৱৰ, ৰেখা; ৰজাচুবা (৫০)
১২৭ চহৰীয়া, কনকচন্দ্ৰ ঃ দৰঙী লোকসাহিত্যৰ ৰূপৰেখা, পৃ. ৩৪৩

*ভকত হৈ নিপিয়ে মদ। সি নাপায় ভকতিৰ তত।"*[১২৮]

ইয়াত গাই মানে 'বেদ', 'ভাই' মানে ৰিপু আৰু 'মদ' মানে ভক্তিৰস। অৰ্থাৎ ব্ৰাহ্মণে যদি বেদ অধ্যয়ন নকৰে, ভকতে যদি ৰিপুসমূহ বশ কৰিব নোৱাৰে আৰু সাধুৱে যদি ভক্তিৰস পান কৰিব নেজানে তেন্তে পৰম্পদ লাভ কৰিব নোৱাৰে।

তামোল-পাণ খোৱা ৰীতি অসমীয়া সমাজত প্ৰচলিত। ফকৰাত ই প্ৰাণ পাইছে এনেদৰে ঃ

*'সোণৰ আনিবা গুটি*
*ৰূপৰ আনিবা পাত*
*পানীৰ আনিবা চলচলি*
*হাতীৰ আনিবা দাঁত।*[১২৯]

ইয়াত তামোল, পাণ, পুঠিমাছ আৰু মূলা আনিবলৈ কোৱা হৈছে। ফকৰাসমূহ ভকত-বৈষ্ণৱ সমাজত প্ৰচলিত। সেই বাবে ভকত বৈষ্ণৱ কৰণীয় অকৰণীয় বা পৰমাৰ্থিক ভাবৰ আদান প্ৰদান হয় এই ফকৰাৰ মাজেৰে। ফকৰাৰ ভাষা প্ৰহেলিকাময় আৰু উদ্ভট হোৱা দেখা যায় ঃ

*'অতি কথকীক কথাই খায়,*
*বৈদ্যক খায় সাপে।*
*সাতখন ভাগৱত যিয়েই লুটিয়াই*
*তাকো চোৰে মহাপাপে।।*[১৩০]

বেছি কথা কোৱা ব্যক্তি কথাতে বান্ধ খায়। বৈদ্যকো সাপে খাব পাৰে, সাতখন ভাগৱত পাঠ কৰা জনকো মহাপাপে চুব পাৰে। আনহাতে কিছুমান ফকৰাত প্ৰতীকী ভাৱেৰে কোনো কথা কোৱা হয়।

*'জপা ওপৰত শপা*
*শপা তলত তেল*
*যমদূতে বান্ধি থৈছে*

১২৮-১৩০ সংবাদদাতা, নাথ, দিপনচন্দ্ৰ; ৰজামায়ং (৭৮)

*কোনে পাৰ মেল।'*[১৩১]

*'ক'ৰ জীৱ আহি ক'ত ললা ঠাই।*

*সম্বন্ধত লাগে দাদা, খুড়া ভাই।।'*[১৩২]

দেখাত গ্ৰাম্য দোষদুষ্ট যেন লাগিলেও তাৰ অন্তৰালত গূঢ় ৰহস্য কিছুমান সোমাই থকা দেখা যায় ফকৰাৰ মাজত।

*"হাতত পিন্ধে মণি মাদলী*

*গলত পিন্ধে খাৰু*

*পিঠাগুৰিৰ হাল বায় চপৰাৰ বান্ধে লাৰু"*[১৩৩]

*"আহিছো জানকীৰ কাষে নকও মনৰ লাজে।*

*যিটো বস্তু বিচাৰি আহিছো দুই ঠেঙৰ মাজে।।"*[১৩৪]

উত্তৰ ঃ গাখীৰ

এনেধৰণৰ অসংখ্য গ্ৰাম্যদোষ দুষ্ট শব্দৰ ব্যৱহাৰেৰে সমৃদ্ধ ফকৰা-যোজনা গ্ৰামাঞ্চলত সিচৰঁতি হৈ আছে বৰ্ত্তমানো।

*'হাঁহে কৰে ভেউ ভেউ*

*কুকুৰে পাৰে ডিমা।*

*গছৰ ওপৰত গৰুচৰে*

*মাটিত পখীৰ বাহা।।'*[১৩৫]

এইবোৰৰ প্ৰকৃত অৰ্থ উহ্য ৰাখি ওলোটাকৈ কোৱা হৈছে। প্ৰত্যেক ঠাইতে ভিন্ ভিন্ ফকৰা-যোজনা পোৱা হয়। এটা অঞ্চলৰ ফকৰা আন এটা অঞ্চলৰ লগত সাদৃশ্য নাথাকিবও পাৰে। 'ধানে প্ৰতি কণটো মানুহে প্ৰতি মনটো'ৰ দৰে ফকৰাৰো অৰ্থ ভিন্ন হ'ব পাৰে। কিছুমান ফকৰা-যোজনাৰ অৰ্থ বক্তাই কৈ নিদিলে তাৰ অৰ্থ অনুধাৱন কৰিব নোৱাৰি। আনহাতে কিছুমান উমৈহতীয়া ফকৰাও আছে। অৰ্থাৎ প্ৰত্যেক ঠাইতে তাৰ অৰ্থ একে।

---

১৩১-১৩২ সংবাদদাত্ৰী, কোঁৱৰ, ৰেখা; ৰজাচুবা (৫০)
১৩৩-১৩৪ সংবাদদাতা, ডেকা, উমাকান্ত; ৰজাচুবা (৬০)
১৩৫ সংবাদদাত্ৰী, ডেকা, ৰাতিবৰী; ৰজাচুবা, (৫০)

অসমৰ আন আন অঞ্চলৰ দৰে মায়ং অঞ্চলতো সেই ফকৰাসমূহ একে অৰ্থত একেদৰে প্ৰচলিত হৈ আহিছে।

ফকৰা-যোজনা কিছুমান আকৌ ঠাই অনুযায়ী পাঠ ভিন্ন হোৱা দেখা যায়। একেটা ফকৰাই বেলেগ পাঠ কিন্তু অৰ্থ একেটাই এনে বহু ফকৰাও পোৱা গৈছে। আনহাতে কিছুমান পাঠ একে অৰ্থ ভিন্ন এনে ফকৰা-যোজনাও পোৱা গৈছে। উদাহৰণস্বৰূপে অসমৰ অন্যান্য অঞ্চলত প্ৰাপ্ত এটি ফকৰাৰ পাঠ এনে ধৰণৰ—

*'ৰামকৃষ্ণ বাণী*
*পকাধানৰ আগ তল গ'ল*
*গুৰিয়ে নাপালে পানী।'*[১৩৬]

ই এটা ভকতীয়া সাঁথৰ। ইয়াৰ মাজেদি গভীৰ ভক্তিতত্ত্ব ব্যাখ্যা কৰা হৈছে। যিসকল লোক প্ৰকৃত ভক্ত, সেই সকল হয় জ্ঞানত প্ৰবুদ্ধ; সিসকলৰ কাম-ক্ৰোধ আদি ৰিপু সংযত। অৰ্থাৎ জ্ঞানে মূৰ হে তল নিয়ায়, গুৰি অৰ্থাৎ ৰিপুবোৰে একো নাপায়, সংযত হৈ থাকিব লগাত পৰে।

মায়ং অঞ্চলত এই ফকৰাটিৰ পাঠ এনেদৰে পোৱা গৈছে—

*'কথাৰ মাজৰ কাণি*
*পকা ধানৰ আগতল গ'ল*
*গোৰে নাপায় পানী।'*[১৩৭]

ইয়াৰ অৰ্থ এনেধৰণৰ শালিধান ৰুলে শিৰটো থিয় হৈ থাকে কিন্তু পকি আহিলে আগটো হালি আহে। গুৰিটোত জাহুকনি অৰ্থাৎ জংঘলে আৱৰি থাকে। নিয়ৰৰ পানী টোপে টোপে পৰি আগটোত পৰে। আৰু আগটো বেছিকৈ হালি ঠাইখিনি তিতি যায় কিন্তু গুৰিটোত পানী নপৰে। উপৰুৱা জ্ঞানৰ কথা বুজাবলৈ এনে ফকৰাৰ ব্যৱহাৰ কৰা দেখা যায়।

কিছুমান ফকৰাৰ মাজত একোটা কাহিনী সোমাই থাকে। সেই কাহিনী বা সাধুটো জানিলেহে ফকৰাটোৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিব পৰা যায়। মায়ং অঞ্চলত এনে ফকৰা

১৩৬ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ২৭২
১৩৭ সংবাদদাত্ৰী, দেৱী, ক্ষীৰদা; ৰজামায়ং (৭০)

একোটি কিন্তু সাধুটোৰ পাঠৰ সামান্য তাৰতম্য থকা ফকৰাও পোৱা গৈছে। এনে এটি ফকৰা হৈছে ঃ (বৰদিয়া অঞ্চলত প্ৰাপ্ত)

*“শিলশিলীয়া শিমলু গোটে গোটে কটা*
*আহাৰে চনাগিলে কিনু অদ্ভুত কথা।*
*হেৰা হেৰা পণ্ডিত ভাই*
*উৰা মাল্লি মোকে খায়।”* ১৩৮

(ৰজামায়ং অঞ্চলত প্ৰাপ্ত)

*“শিলশিলীয়া শিমলু গোটে গাতে কাটা*
*আহাৰে চনাগিলে কিনু অদ্ভুত কথা।”* ১৩৯

এই দুয়োটা ফকৰাৰে মূল সাধুটোৰ কিছু পাৰ্থক্য দেখা যায়। (পাঠান্তৰত আলোচনা কৰা হৈছে)

**৩.৪ লোকোক্তি ঃ**

মায়ং অঞ্চলত বিভিন্ন লোকোক্তিৰ প্ৰচলন আছে। এই লোকোক্তিসমূহৰ মাজত অঞ্চলটোৰ গৌৰৱ, কাহিনী ইত্যাদিৰ কথা সোমাই আছে। লোকোক্তিসমূহ তুলনামূলকভাৱে অৰ্ব্বাচীন। মায়ং অঞ্চলৰ গৌৰৱময় বাৰ্ত্তা এই লোকোক্তিসমূহৰ মাজত দেখিবলৈ পোৱা যায়। কিছুমান লোকোক্তি এনে ঃ

*“হাতীমূৰীয়াৰ ঢুলীয়া*
*ৰজামায়ঙৰ তালীয়া*
*বৰগাঁৱৰ কালীয়া*
*শিলডুবিৰ বহুৱাই নাচে*
*দৰং ডুমুৰা তল যাব*
*মায়ংখনহে বাছি থাকিব।”* ১৪০

---

১৩৮ সংবাদদাত্ৰী, ডেকা, বিলাতী; বৰদিয়া (৬৫)
১৩৯ সংবাদদাত্ৰী, দেৱী ক্ষীৰদা, ৰজামায়ং (৭৫)
১৪০ সংবাদদাত্ৰী, দেৱী, মামণি, ৰজামায়ং (৪৭)

মায়ঙৰ লোকসমাজৰ মুখৰ ফকৰা কিছুমান এনেধৰণৰ—

*'পানবাৰীত বাগৰিল গাড়ী*
*বাবাজীয়ে খুৰালে দাড়ি।'*[১৪১]

*'মায়ঙত লাগিল ধৰ-পাকৰ*
*মহদা গোঁসাইৰ উঠিল জ্বৰ।'*[১৪২]

*'মায়ঙৰ লুংলুঙীয়া বাট*
*মহদা গোঁসাই পলাই ফাট।'*[১৪৩]

এই লোকোক্তিসমূহে ঘাইকৈ প্ৰবাদ পুৰুষ মহদানন্দ গোঁসাইৰ নেতৃত্বত স্বাধীনতা যুঁজত পানবাৰীত ৰেল বগৰোৱাৰ কাহিনী, ছদ্মবেশী গোঁসাইৰ কাৰ্য কলাপৰ বীৰত্ব-ব্যঞ্জক কাহিনী প্ৰকাশ কৰিছে। কিছুমান লোকোক্তিত আকৌ অঞ্চলটোৰ গৌৰৱময় কাহিনী বা অঞ্চলটোৰ বিভিন্ন গাৰৰ জনপ্ৰিয়তাৰ ইতিহাস তুলি ধৰিছে ঃ

*"বৰঠাকুৰৰ জাপি, মহদা গোঁসাইৰ চাবি*
*হৰকান্তই দুঅনা পায়*
*আহিনা কোঁৱৰ আহে আৰু যায়।"*[১৪৪]

মায়ং অঞ্চলৰ বিভিন্ন গাঁৰৰ প্ৰসিদ্ধি কিছুমান লোকোক্তি পৰিস্কাৰকৈ ফুটি উঠিছেঃ

*"ঔগুৰিৰ অমৰা সতী ভেটিৰ দমৰা*
*কাজলীৰ বেঙুৰী গায়।*
*বান্ধিব নোৱাৰো চাৰিব নোৱাৰো*
*পঘা চিঙি চিঙি যায়।"*[১৪৫]

এনেদৰে দেখা যায় যে মায়ং অঞ্চলত প্ৰচলিত লোকোক্তিসমূহে অঞ্চলটোৰ বিভিন্ন গাঁৰৰ বা ব্যক্তিৰ গৌৰৱময় ইতিহাস দাঙি ধৰাৰ লগতে কিছুমান লোকোক্তিত আকৌ অঞ্চলবোৰৰ বাধা নিষেধবোৰ প্ৰতিফলিত কৰিছে।

---

১৪১-১৪৪ সংবাদদাত্ৰী, ডেকা, বেণুমাই; বৰদিয়া (৫০)
১৪৫ সংবাদদাত্ৰী, দেৱী, কামিনী; ৰজামায়ং (৬৫)

**৩.৫ ডাকৰ বচন ঃ**

অতি প্ৰাচীন কালৰপৰাই অসমৰ লোকসমাজত 'ডাকৰ বচন' বোলা প্ৰবচন কিছুমানৰো প্ৰচলন আছে। লোকসমাজত ডাকৰ বচনৰ কথা কোৱা হয়— 'ডাকৰ বচন বেদৰ বাণী'

লোকসমাজৰ বিশ্বাস যে 'ডাক' বোলা এগৰাকী মহাজ্ঞানী পুৰুষ আছিল আৰু সেই জ্ঞানী পুৰুষ জনাই ৰচনা কৰা বচন বা প্ৰবচন সমূহকে 'ডাকৰ বচন' বোলা হয়। ডাকৰ বচনত আছে—

*"লেহি ডঙৰা ডাকৰ গাঁও।*
*তিনিশ পুখুৰীৰ তিনিশ নাও।"*[১৪৬]

ডাকে উপজিয়েই প্ৰসুতি গৃহৰ তিৰোতাসকলক দিহা-পৰামৰ্শ দিয়া বুলি জন্ম-প্ৰকৰণৰপৰা জনা যায়। ডাকৰ জ্ঞান-গভীৰতা আৰু বুদ্ধিমত্তাৰ আগত ঠাৰৰিব নোৱাৰি পণ্ডিত বা গণক বাপুসকলে অপকৌশলেৰে ডাকক হত্যা কৰোৱা কাৰ্য লোকসমাজত প্ৰচলিত।

'সমাজ বিজ্ঞানীসকলে ডাকক এজন বিশিষ্ট বা ঐতিহাসিক পুৰুষৰূপে মানিবলৈ টান পাইছে। কাৰণ অসমৰ দৰে বংগ আৰু বিহাৰৰ লোকেও ডাকক তেওঁলোকৰ মানুহ বুলি দাবী কৰে। তদুপৰি খনা, ডংক, ঘাঘ, ভডডৰ, ভডডৰী আদিৰ নামত ভাৰতৰ ভিন ভিন প্ৰান্তত প্ৰচলিত হৈ থকা প্ৰবচন আদিও অসমৰ ডাকৰ বচনৰ অনুৰূপ।'[১৪৭]

এইবোৰ কথা বহল আৰু তুলনামূলকভাৱে আলোচনা কৰি নবীন চন্দ্ৰ শৰ্মা সিদ্ধান্তলৈ আহিছে যে ডাক আদি কৰি এই পুৰুষ বা নাৰীসকল কোনো ঐতিহাসিক ব্যক্তি নাছিল। "দূৰ অতীতৰ পৰা মুখ পৰম্পৰা চলি অহা কৃষি, জ্যোতিষ, শুভাশুভ নিৰ্ণয়, যাত্ৰাবিচাৰ আদি সম্পৰ্কীয় প্ৰবচনবোৰ লোকমানসে ডাক, ডংক, ঘাঘ, ভড্ডৰ, ভড্ডৰী আদিৰ নামত সংযোগ কৰি দিছে সেই প্ৰবচনবোৰৰ মূল্য আৰু গাম্ভীৰ্য বঢ়াবলৈ।"[১৪৮] গতিকে ডাক কোনো নিৰ্দিষ্ট ব্যক্তি হোৱাতকৈ মুখপৰম্পৰা অনুযায়ী হোৱা বচনহে বুলি মানি ল'ব পাৰি।

---

১৪৬ দত্ত, দণ্ডীৰাম (সম্পা.) ঃ ডাকৰ বচন ১৯৬৮ পৃ. ১৪৪
১৪৭ শৰ্মা, শশী ঃ অসমৰ লোকসাহিত্য, পৃ. ২৭৩
১৪৮ শৰ্মা, নবীনচন্দ্ৰ (সম্পা.) ঃ ডাক প্ৰবচন, ১৯৮৭ পৃ. ২০১-২০২

ডাকৰ বচনত নোহোৱা কথা নাই। ইয়াত ডাকৰ জন্ম প্ৰকৰণৰপৰা মৃত্যুলৈকে সংযোগ কৰাৰ উপৰিও (১) জ্যোতিষ প্ৰকৰণ, (২) লগ্নঘৰ নিৰূপক, (৩) শাহু লক্ষণ, (৪) স্ত্ৰী লক্ষণ, (৫) গৃহিণী লক্ষণ, (৬) কুলক্ষণী স্ত্ৰীৰ লক্ষণ, (৭) সুপুৰুষৰ লক্ষণ, (৮) ন্যায় প্ৰকৰণ, (৯) নীতি প্ৰকৰণ, (১০) নষ্ট হোৱা, (১১) শৰীৰ বিচক্ষণ, (১২) দ্ৰব্যগুণ কথা, (১৩) পৰিত্যাগ কৰা, (১৪) ৰাজনীতি প্ৰকৰণ, (১৫) ৰন্ধণ প্ৰকৰণ, (১৬) ভোজন প্ৰকৰণ, (১৭) নাগ লক্ষণ, (১৮) গৃহলক্ষণ, (১৯) কৃষিলক্ষণ, (২০) হালবোৱা, (২১) বৰষুণৰ লক্ষণ, (২২) ৰোগৰ ঔষধ, (২৩) ৰোগীৰ জীৱন-মৰণ জ্ঞান, (২৪) অস্ত্ৰৰ নাল আৰু ঢেঁকী, (২৫) অদ্ভুত কথা, (২৬) যাত্ৰা লক্ষণ, (২৭) কুপুৰুষ লক্ষণ, (২৮) পুৰুষৰ সামুদ্ৰিক লক্ষণ, (৩০) স্ত্ৰী পুৰুষৰ আগ-পাছ মৰণ লক্ষণ, (৩১) সুলক্ষ্মী তিৰোতাৰ লক্ষণ, (৩২) ৰাহু আৰু কেতু, (৩৩) যমঘটন, (৩৪) কোষ্ঠিফল আদিয়েও ডাকৰ বচনত ঠাই পাইছে।[১৪৯]

মায়ং অঞ্চলত প্ৰাপ্ত ডাকৰ বচনসমূহত ইয়াৰে আটাইবোৰ বিষয় সম্পন্ন প্ৰাপ্ত হোৱা নাই যদিও বহুসংখ্যক ডাকৰ বচন পোৱা গৈছে। সেইসমূহত কৃষি, স্ত্ৰী-পুৰুষ, সমাজ, প্ৰাকৃতিক অৱস্থা, গৃহসজ্জা, যাত্ৰা, সা-সম্পদ, ব্যৱসায় বাণিজ্য ইত্যাদিকলৈ ৰচিত ডাকৰ বচনেই সংখ্যাত সৰহ। ডাকৰ বচনসমূহ আলোচনা কৰা হ'ল—

জ্যোতিষ শাস্ত্ৰ, যজ্ঞ, সমঘটন, শুভাশুভ কৰ্মফল ইত্যাদি বিষয়ক ডাকৰ বচনসমূহ এনেধৰণৰ—

*"হাল বালে উঠে দলি।*
*মঙ্গলচালে খোজে বলী।।"*[১৫০]

*'ক'ত ভাগ্যে তামোলতী বাৰী।*
*ক'ত ভাগ্যে পুত্ৰৱতী নাৰী।।*
*ক'ত ভাগ্যে পৰক পৰে বায়।*
*ক'ত ভাগ্যে জতক জতে যায়।।*[১৫১]

কৃষি সম্পৰ্কীয় অলেখ ডাকৰ বচন পোৱা যায়। কৃষি, সঁচ, জলসিঞ্চন, মাটি, আলি,

---

১৪৯ দত্ত, দণ্ডীৰাম (সম্পা.) ঃ ডাকৰ বচন ১৯৬৮
১৫০-১৫১ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ; ৰজামায়ং (৭৮)

পথাৰ, কৃষিকাৰ্যত ব্যৱহৃত অস্ত্ৰৰ নাল ইত্যাদিক লৈও ডাকৰ বচন প্ৰচলিত আছে—

*'আহু ৰুবা খোজত বুৰি।*
*শালি ৰুবা বেগেতে জুৰি।।'* [১৫২]

*'আহিন কাতিত ৰাখিবা পানীক।*
*যেনেকৈ ৰাখে ৰজাই ৰাণীক।।'* [১৫৩]

*'দুইহাত দুইমুঠি বেজৰৰ নাল।*
*চিবুক সমানে লাগে টাঙোন ডাল।।'* [১৫৪]

প্ৰাকৃতিক অৱস্থা, পৰিঘটনা, বানপানী ইত্যাদিক লৈ আৰু তাৰ শুভাশুভফল সম্পৰ্কে থকা ডাকৰ বচনসমূহ এনেধৰণৰ—

*"আকাশত হয় পানীৰ গছা।*
*পৃথিৱী বুৰিব জানিবা সঁচা।।"* [১৫৫]

*"যদি বৰষে মাঘৰ শেষ।*
*ধন্য ৰজাৰ পুণ্য দেশ।।"* [১৫৬]

*"যদি বৰষে গধুলি।*
*বানপানী পায় পদূলি।।"* [১৫৭]

এই বচনসমূহত লোকসমাজত বিজ্ঞ আৰু সূক্ষ্ম পৰ্যবেক্ষণ ক্ষমতা প্ৰকাশ পাইছে। সহজ সৰল ভাষা, বাক্য গাঁঠনি আৰু ছন্দমিল ডাকৰ বচনসমূহৰ অন্যতম লক্ষণ। গৃহস্থী ঘৰ, পুৰুষ-স্ত্ৰীৰ লক্ষণৰ, জ্ঞাতিসম্বন্ধ, গৃহসজ্জা, ৰান্ধনিশাল, খাদ্যভ্যাস্, অতিথি জীৱজন্তু ইত্যাদি সম্বন্ধে অলেখ ডাকৰ বচন মায়ং অঞ্চলত প্ৰচলিত হৈ আছে।

*'নাহি মাতবোল নকৰে দ্বন্দ্ব।*
*খং তোলালেও নোবোলে মন্দ।*
*সিটো গৃহস্থৰ বাঢ়য় শ্ৰী।*
*বোলয় সেহি লক্ষ্মী স্ত্ৰী।।'* [১৫৮]

১৫২-১৫৮ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ; ৰজামায়ং (৭৮)

ইয়াত সুগৃহস্থীৰ কথা কোৱা হৈছে।

*"টিক বলধা ওলায় মাটি।*
*মাক ভালেহে জীয়েক জাতি।।"*[১৫৯]

*"ফটা হওক ছিটা হওক পাটৰ টঙালি।*
*কণা হওক খোৰা হওক ভূঞাৰ পোৱালি।।"*[১৬০]

শ্রীমন্ত শংকৰদেৱ এই বাৰ ভূঞাসকলৰে এজন সুযোগ্য বংশধৰ।[১৬১] পাটৰ কাপোৰ সম্ভ্রান্ত অসমীয়াৰ পোছাক আৰু কণা হ'লেও যোৰা হলেও ভূঞাৰ এক সমাজৰ সুকীয়া মৰ্যাদাত আছে বাবে এনেদৰে কোৱা হৈছে।

ডাকৰ বচনসমূহ একেটা বচনতে বিভিন্ন বস্তুৰ গুণ-লক্ষণ-বৈশিষ্ট্য সম্পৰ্কে থুপাই থোৱা জ্ঞানৰ ভৰাঁল। উল্লিখিত ডাকৰ বচনটোত এহাতে কৃষি অন্যহাতে ছোৱালী কেনে ধৰণৰ হ'ব লাগে এই দুয়োটা কথা একেলগে গাঁঠি থোৱা হৈছে। সেইদৰে বহু ডাকৰ বচন পুৰুষ আৰু স্ত্রীৰ গুণ-লক্ষণ-বিশিষ্ট।

*'গৃহিণী হুইয়া বোলয় কঠোৰ*
*আয় নাচায় ব্যয় কৰে প্রচুৰ।*
*ডাকে বোলে সেই কুলক্ষণী নাৰী*
*ঘৰ চলাইতে কভু নাপাৰি।।'*[১৬২]

গৃহসজ্জা সম্পৰ্কে—

*'পূবে হাঁহ, পশ্চিমে বাঁহ।*
*উত্তৰে চৰু, দক্ষিণে গৰু।।'*[১৬৩]

খাদ্যভ্যাস সম্পৰ্কে বহু বচন পোৱা যায়। কিছুমানত প্রাকৃতিক চিকিৎসাও দেখিবলৈ পোৱা যায়। এনে ডাকৰ বচন হৈছে—

*'পুহত কল, মাঘত জল।*

---

১৫৯-১৬০ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ; ৰজামায়ং (৭৮)
১৬১ সংক্ষিপ্ত অসমীয়া বিশ্বকোষ (১ম খণ্ড), পৃ. ২৭
১৬২-১৬৩ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ; ৰজামায়ং (৭৮)

*যি খায়, সাত ভতৰাৰ বল।।'*[১৬৪]

*'ভাত খাই খাবা তিনি শিলিখা।*
*কি কৰিব তাক ৰোগ পিলিকা।।'*[১৬৫]

ব্যৱসায় বাণিজ্য সম্পৰ্কেও ডাকৰ বচনত পোৱা যায়—

*'তিনিশ যাঠি জোপা ৰুবা কল।*
*মাহেকে-পষেকে চিকুনাবা তল।*
*পাত-পচলা লাভতে খাবা।*
*লংকাৰ বানিজ্য হাততে পাবা।।'*[১৬৬]

সেইদৰে বুদ্ধি জ্ঞান সম্পৰ্কে, পৰিত্যাগ-নিষেধ ধৰুৱামানুহ, জীৱ-জন্তুৰপৰা ৰক্ষা পোৱাৰ বুদ্ধি সম্পৰ্কেও ডাকৰ বচনত পোৱা যায়। ডাকৰ বচনসমূহত ঘাইকৈ লোকসমাজৰ বিভিন্ন কাৰ্যাৱলী, বিশ্বাস-অবিশ্বাস, কৰণীয়-অকৰণীয় ইত্যাদিৰ চিত্ৰ ঘাইকৈ প্ৰতিফলিত হৈছে।

**চৰচাপৰিৰ কথোপ-কথনতো ফকৰা-যোজনা-পটন্তৰ আদি পোৱা যায় ঃ**

*"চেৰা মুৰ্দা ছেৰী মাই*
*দেহী মুৰ্গী বহন গাই*
*এই চায়জনেৰ বিশ্বাস নাই।"*[১৬৭]

ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ মাজতো অলেখ যোজনা পটন্তৰ প্ৰচলিত হৈ আছে।

বঙলা ভাষাৰ 'নিম তিতা নিসিন্দা তিতা, আৰও তিতা ঘৰ, তাৰ চেয়ে অধিক তিতা বোন সাতিনেৰ ঘৰ।'[১৬৮] 'অতিকৈ তিতা নেমুটেঙাৰ পাত তাতকৈ তিতা মাহী আইৰ মাত।'

**৩.৬ সাঁথৰ ঃ**

মানৱ জীৱনৰ জ্ঞান  বুদ্ধিমত্তা বা প্ৰতিভাৰ প্ৰাচীন অন্যতম ৰূপ সাঁথৰসমূহ। সাঁথৰ

---

১৬৪-১৬৬ সংবাদদাতা, নাথ, দিপন চন্দ্ৰ; ৰজামায়ং (৭৮)
১৬৭ হোছেইন, ইছমাইল ঃ অসমৰ চৰচাপৰিৰ লোকসাহিত্য, পৃ. ২৮০
১৬৮ সংবাদদাত্ৰী, মণ্ডল, বেলাৰাণী, ২নং মূৰকাটা (৫০)

অভিধাৰ প্ৰতিশব্দ স্বৰূপে দৃষ্টান্ত, দিষ্টান আদি শব্দ ব্যৱহাৰ কৰা হয়। 'সাঁথৰ বিলাকো এক হিচাপে ফকৰা অৱশ্যে ফকৰাৰ অৰ্থ ভকতীয়া আৰু সাঁথৰৰ অৰ্থ বা সমাধান ঐহিক আৰু সাধাৰণ।'[১৬৯] ফকৰাৰ দৰেই সাঁথৰৰ ভাষাও প্ৰহেলিকাময়। সাঁথৰ প্ৰহেলিকাময় প্ৰশ্ন। এই প্ৰশ্ন বৰ্ণনাৰ ৰূপত উপস্থাপন কৰা হয়। উত্তৰ দাতাই এই বৰ্ণনা প্ৰায়ে অনুমান কৰিব লগা হয়। সাঁথৰৰ উত্তৰ নজনাসকলক বিভ্ৰান্ত কৰিবলৈ আৰু তেওঁলোকৰ উদ্ভাৱনী শক্তি পৰীক্ষা কৰিবলৈ সাঁথৰৰ ব্যৱহাৰ কৰা হয়। আৰচাৰ টাইলাৰৰ মতে সাঁথৰৰ অতি প্ৰয়োজনীয় সংযুতি দুই প্ৰকাৰৰ বৰ্ণনাত্মক বা অস্ত্যৰ্থক (Positive) আৰু আনটো ঋণাত্মক বা নঞৰ্থক বা নাস্ত্যৰ্থক (Negetive) ধনাত্মক বা বাস্তৱিক অংশটো প্ৰায়ে ৰূপাত্মক আৰু সাঁথৰৰ উত্তৰ এই অংশটোৰ ওপৰতেই নিৰ্ভৰ কৰে।'[১৭০]

নবীনচন্দ্ৰ শৰ্মাই সাঁথৰৰ সংযুতিক দিশত গুৰুত্ব দি ইয়াৰ সূত্ৰ তলত দিয়াৰ দৰে নিৰ্দ্ধাৰণ কৰিছে। সাঁথৰ পৰম্পৰাগত বাচিক অভিব্যঞ্জন, ই এটা বা তাতোকৈ সৰহ বৰ্ণনাত্মক সমলৰ সমষ্টি বৰ্ণনাত্মক সমলবোৰৰ ভিতৰত অন্ততঃ এযোৰাৰ মাজত পাৰস্পৰিক বৈপৰীত্য পৰিলক্ষিত আৰু বৰ্ণনাত্মক সমলৰ বিষয়বস্তু অনুমান সাপেক্ষে। সাঁথৰত চাৰিবিধ বিৰোধ বা বৈপৰীত্য থাকিব পাৰে।

ক) ৰূপক বা প্ৰতীকৰ বৈপৰীত্য বা বিৰোধ

খ) অসম্পূৰ্ণ ৰূপক বা প্ৰতীক

গ) বৰ্ণনাৰ অধিক্যৰ জৰিয়তে প্ৰকটিত বিৰোধ

ঘ) মিথ্যা ৰূপক বা প্ৰতীকৰ জৰিয়তে পৰিস্ফুট বিৰোধ।[১৭১]

সাঁথৰসমূহ এজনে কয় আৰু আনবোৰে উত্তৰ উলিয়াবলৈ চেষ্টা কৰে। দুয়োপক্ষৰ বাবেই ই সেয়ে মনোৰঞ্জক হৈ উঠে।

সাঁথৰসমূহক ইয়াৰ গঠন আৰু প্ৰকৃতি অনুসৰি তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

১। বৰ্ণনাত্মক সাঁথৰ (Descriptive riddle)

---

১৬৯ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃ. ১৯৯

১৭০-১৭১ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ১৯৯

২। টেটকুঁটি মূলক সাঁথৰ (Joking questions)

৩। জ্ঞানমূলক সাঁথৰ (Wisdom questions)

৪। সমস্যামূলক সাঁথৰ (Puzzles)

৫। সাধুমূলক সাঁথৰ (Catch riddle)

**৩.৬.১ বৰ্ণনামূলক সাঁথৰ ঃ**

কেইবাটাও প্ৰশ্ন সম্বলিত দীঘলীয়া বৰ্ণনা যুক্ত সাঁথৰে ই বৰ্ণনামূলক সাঁথৰৰ অন্তৰ্গত। এইবিধ সাঁথৰক 'আচল সাঁথৰ' (True Riddle) বুলিও কোৱা হয়। বৰ্ণনাত্মক সাঁথৰত ছন্দগন্ধী আৰু কাব্যময়। এটাৰ পিছত আন এটা প্ৰশ্ন মালাৰ দৰে গাঁঠি থোৱা থাকে। মায়ং অঞ্চলত প্ৰাপ্ত সাঁথৰৰ অধিক সংখ্যক সাঁথৰেই বৰ্ণনামূলক সাঁথৰ। কেইটামান সাঁথৰ এনেধৰণৰ ঃ

*ক) 'লেং লেং কৰি দুডাল বাৰি*
*তাৰ ওপৰত দুডাল ঠাৰি*
*তাৰ মাজত ভাতৰ জৰী*
*তাৰ ওপৰত ফটা বটা*
*সেই পিনে দিয়েই খোৱা, কোৱা*
*তাৰ ওপৰত কাঁহৰ লোটা*
*তাৰ ওপৰত জাবৰ এসোপা।'*[১৭২]

**উত্তৰ ঃ** মানুহৰ দেহটো

ইয়াত ভৰি দুখনক দুডাল বাৰি; হাতক দুডাল ঠাৰি, পেট ভাতৰ জৰী, মুখ খনক ফটা বটা, ডিঙিটোক কাহৰ লোটা, মূৰৰ চুলিক জাবৰ বুলি বুজোৱা হৈছে। বৰ্ণনামূলক সাঁথৰৰ ই এক সুন্দৰ উদাহৰণ। এটাৰ পিছত আনটো বৰ্ণনা মালা গঁঠাৰ দৰে ই সংপৃক্ত হৈ আছে।

*খ) 'চাৰিটা আখৰেৰে মোৰ নামটো গঠিত*
*শুৱনী নগৰ বুলি মই পৰিচিত*

১৭২ সংবাদদাত্ৰী, দেৱী, সংগীতা; ৰজামায়ং ২০

*প্ৰথম আৰু দ্বিতীয়ই মিলি শৰীৰত বয়*

*প্ৰথম আৰু চতুৰ্থই মিলি এটি সংখ্যা হয়*

*তৃতীয়ই চতুৰ্থই মিলি নগৰ বুজায়*

*কোৱাচোন বাৰু মোৰ নাম কি হয়?'*[১৭৩]

**উত্তৰ ঃ** তেজপুৰ

ইয়াত 'তেজপুৰ' নামটোৰ বিভিন্ন বৰ্ণ ইফাল সিফাল কৰি কেইবাটাও প্ৰশ্ন সজোৱা হৈছে।

*গ) 'চাৰি ভৰিৰে বহো মই*

*আঠ ভৰিৰে খোজ কাঢ়ো*

*বাঘ নহয়, ঘৰিয়ালো নহয়,*

*গোটেই মানুহ গিলো।'*[১৭৪]

**উত্তৰ ঃ** দোলা।

দোলাখনৰ চাৰিটা খুটা, চাৰিজন মানুহে দাঙি নিয়া, ভিতৰত মানুহ সোমাই যাবপৰা কথাটো বুজোৱা হৈছে।

*ঘ) 'ৰ'দ বৰষুণ একোকে নামানো*

*ৰজাৰ পৰা প্ৰজালৈকে সকলোকে ৰাখো*

*কেতিয়াবা লাখুটি কেতিয়াবা টাঙোন*

*ক'লা হ'লেও মোৰ ৰঙ; ৰঙীন কাপোৰ পিন্ধো।'*[১৭৫]

**উত্তৰ ঃ** ছাতি।

ৰ'দ বৰষুণত ছাতি লোৱা হয়, ৰজা-প্ৰজাসকলোৱে লয় কেতিয়াবা লাখুটি টাঙোন আৰু ৰঙীন কাপোৰেৰে তৈয়াৰ কৰি লোৱা হয়।

*ঙ) 'দক্ষিণ মেৰু মোৰ বাসস্থান*

*গাবলৈ নাজানো শুৱলা গান*

---

১৭৩ সংবাদদাত্ৰী, দেৱী, তিলোত্তমা; ৰজামায়ং (২০)

১৭৪-১৭৫ সংবাদদাত্ৰী, দেৱী, জোনটি; মুঢ়বাড়ী (২০)

*পাখি থাকিলেও খোজহে কাঢ়ো*

*পানীৰ তলত বেগাই ধৰো*

*নোৱাৰো ডেউকা কৰিব ভাঁজ*

*কণি উম দিয়া পুৰুষৰ কাজ*

*শতৰুলৈ যদি নকৰো ভয়*

*কোনে তপৰাই মোৰ নামটি কয়।'*[১৭৬]

**উত্তৰ ঃ** পেংগুইন।

পেংগুইন চৰাই বাসস্থান, খোজকঢ়াৰ ধৰণ কৰণ, কণী উমনি দিয়াৰ পদ্ধতি ইত্যাদি পোৱা যায়। মায়ং অঞ্চলৰ উত্তৰ দিশত বিখ্যাত পবিতৰা অভয়াৰণ্যলৈ বিভিন্ন পৰিভ্ৰমী চৰাই আহে সেই বাবেই চৰাই বিষয়ক বহুতো সাঁথৰ শুনিবলৈ পোৱা যায়।

*চ) 'ভো ভো কৰে কিন্তু ভোমোৰা নহয়*

*গাটো বগা কিন্তু কোমোৰা নহয়।*

*পানীত জন্ম তাৰ নহয় মাছ।'*[১৭৭]

*শুভ কাৰ্যৰ আৰম্ভণিতে সি কৰে আগ পাছ।*

**উত্তৰ ঃ** শংখ

পূজাৰ আৰম্ভণিতে শংখ বজোৱা হয়, ৰং বগা, শামুকৰ খোলা, ইত্যাদি অৰ্থত শংখক বুজোৱা হৈছে। এনে কেইটিমান সাঁথৰ হৈছে—

*ছ) 'লিক্‌লিকাই আছে সোহাই*

*গাত লাগি দেহ জুৰায়*

*অলপ পাছতে কিটকিটায়*

*এবাৰ খালে তেজ ওলায়।'*[১৭৮]

**উত্তৰ ঃ** জোক

*জ) 'লংকাৰ ৰাৱণ সি আছে দশশিৰ*

*মাছ নহয় মাংস নহয় সকলোৱে খায়*

১৭৬-১৭৮ সংবাদদাত্ৰী, দেৱী, তিলোত্তমা; ৰজামায়ং (২০)

*আহিন কাতিৰ পাছত পাবলৈ নাই।'*[১৭৯]

**উত্তৰ ঃ** জিকা

*ঝ) 'লতা গছৰ গুণৰ সঁচ*
*তই ধৰণীৰ যশ*
*কুটুম আহিলে নোলায় আপোন ৰস।'*[১৮০]

**উত্তৰ ঃ** পাণ গছ।

*ঞ) 'চকা আছে গাড়ী নহয়*
*লগুণ আছে বামুণ নহয়*
*শব্দ আছে জীৱ নহয়।'*[১৮১]

**উত্তৰ ঃ** যঁতৰ

*(ট) 'চুচঁৰি ফুৰে অজলা, গাৰ বৰণ কজলা*
*খেদিলে নাযায় জলে-স্থলে, বগায় যায়*
*গচকত প্ৰাণ যায়।'*[১৮২]

**উত্তৰ ঃ** শামুক

**৩.৬.২ টেটকুঁটিমূলক সাঁথৰ ঃ**

এই জাতীয় সাঁথৰত প্ৰশ্নটোৰেই সাঁথৰটোৰ শেহৰ বাক্যৰূপ প্ৰকাৰ্য্য সাধন কৰে। ইয়াত সাধাৰণতে অসম্ভৱ বা ওভোটা কথাৰ অৱতাৰণা কৰি প্ৰশ্ন কৰা হয়। টেটকুঁটি শব্দৰ অভিধানিক অৰ্থ হৈছে ধেমেলীয়া। মায়ং অঞ্চলত প্ৰচলিত এনে সাঁথৰত সাধাৰণতে বৰ্ণনা নাথাকে লোকসমাজত ব্যৱহৃত বিভিন্ন প্ৰকাৰৰ বস্তুকেই এই শ্ৰেণী সাঁথৰৰ বিষয় বস্তুৰে সামৰে। কিছুমান এনে সাঁথৰ হৈছে ঃ

*ক)* "অ'ত গুম্ গুম্, ত'ত গুম্ গুম্ ব্ৰহ্মাণ্ডত জুই লাগিছে কোনে নুমাব পাৰে।"[১৮৩]

**উত্তৰ ঃ** ৰ'দ

খ) "অসৎ কামৰ বেটা, পুত্ৰক তলত থৈ গছত উঠিলা কিয়া?"[১৮৪]

**উত্তৰ ঃ** কাঠ আলু

---

১৭৯-১৮২ সংবাদদাত্ৰী, দেৱী, তিলোত্তমা; ৰজামায়ং (২০)
১৮৩-১৮৪ সংবাদদাত্ৰী, দেৱী, জোনটি; মুঢ়বাড়ী (২০)

গ) "ইহে সিহে বকটি পুৰি আঞ্জা খুৱাব কোনে?"[১৮৫]

**উত্তৰ** ঃ চৰু

ঘ) "সংসাৰ চলাইছে চা

মাজৰটো নকও যা

শেষৰটো ল, কি হ'ব ক?"[১৮৬]

**উত্তৰ** ঃ চাউল

ঙ) "শাৰী শাৰী গুটি জোঙা জোপোহাত, থাকোনো কেনেকৈ নোখোৱাকৈ তাক?"[১৮৭]

**উত্তৰ** ঃ গোমধান

চ) "লেং লেং কৈ মানুহজনী ঔ টেঙা হেন খোপা সৌফালে গৈছিলা দেখিছিলানে বোপা?"[১৮৮]

**উত্তৰ** ঃ বাঁহনীবাৰী

কিছুমান অঞ্চলৰ নাম বা ঠাইৰ নামক লৈও এনে সাঁথৰ সৃষ্টি হ'ব পাৰে। উদাহৰণ স্বৰূপে

ছ) কি তৰা আকাশত নাই?

**উত্তৰ** ঃ পৰিতৰা।[১৮৯]

অৱশ্যে বৰ্ণ নহয় ই উচ্চাৰণ ভিত্তিকহে হোৱা দেখা যায়। যেনে হাতী/ হাটী একে ধৰা যায়। আন কিছুমান টেটকুঁটিমূলক সাঁথৰ হৈছে এনেধৰণৰ—

জ) কি কাটিলে দীঘল হয়?

**উত্তৰ** ঃ গড়খাৱৈ।

ঝ) কি টানিলে চুটি হয়?

**উত্তৰ** ঃ বিড়ি।

---

১৮৫-১৮৬ সংবাদদাতা, নাথ, অসীমকুমাৰ; ৰজামায়ং (২০)

১৮৭-১৮৯ সংবাদদাত্ৰী, বৰা, কুইন; হাতীমূৰীয়া (২০)

ঞ) কি পাতৰ ৰং নাই?

**উত্তৰ ঃ** উৎপাত।

ট) কি কল খাব নোৱাৰি?

**উত্তৰ ঃ** দমকল।[১৯০]

ঠ) এজন ছাত্ৰই বজাৰলৈ সাত কি'লো ভোল নিছিল। বাটতে চাৰে তিনি কি'লো ৰাখিলে বজাৰলৈ কিমান নিলে?

**উত্তৰ ঃ** চাৰি কিলো।

ইয়াত চাৰ ইংৰাজী Sir শব্দৰ সমাৰ্থক।

ড) মোক নাকাটিবা, কাটিলে তুমি কান্দিবা।

**উত্তৰ ঃ** পিয়াজ।[১৯১]

ঢ) মাকে বৰশী বাই, পুতেকে সৰগ ধিয়াই।

**উত্তৰ ঃ** বাঁহগছ।

ণ) যেন পূৰ্ণিমাৰ জোন, কইনাৰ কপালত জিলিকিল কোন?

**উত্তৰ ঃ** সেন্দুৰৰ ফোঁট।[১৯২]

টেটকুঁটিমূলক সাঁথৰত বিষয়ৰ বৰ্ণনা নাথাকে যদিও কাৰ্যৰ উল্লেখ থাকে। লোকসমাজত ব্যৱহৃত বিবিধ বস্তুকেই প্ৰধানতঃ এই শ্ৰেণীৰ সাঁথৰৰ বিষয়বস্তুৰে সামৰে। এই জাতীয় সাঁথৰে বিশেষকৈ শিশুসকলৰ কল্পনাশক্তি বিকাশত অসামান্য প্ৰভাৱ পৰে।

*'আহিলো মই কাজে, নকও মই লাজে*
*যিটো বস্তু বিচাৰি আহিছো দুই ঠেঙৰ মাজে।'*[১৯৩]

**উত্তৰ ঃ** গাখীৰ

*'লাৰিলি ঘিলা*
*নালাৰিলি নগাওঁ জিলা।'*[১৯৪]

---

১৯০ সংবাদদাত্ৰী, বৰা, কুইন; হাতীমুৰীয়া (২০)
১৯১-১৯৪ সংবাদদাত্ৰী, দেৱী, তিলোত্তমা; ৰজামায়ং (২০)

**উত্তৰ ঃ** কেৰেলুৱা

মায়ং অঞ্চলৰ লোকসমাজত এনে অলেখ টেটকুঁটিমূলক সাঁথৰ সিচঁৰতি হৈ আছে। ই এক প্ৰকাৰ শিশুৰপৰা বৃদ্ধলৈকে অৰ্থাৎ আবাল বৃদ্ধ বণিতাই মনোৰঞ্জন কৰা একপ্ৰকাৰ খেল বুলি অভিহিত কৰিব পাৰি।

**৩.৬.৩ জ্ঞানমূলক সাঁথৰ ঃ**

বৰ্ণনামূলক আৰু টেটকুঁটিমূলক সাঁথৰৰ গঠন প্ৰণালীৰ লগত জ্ঞানমূলক সাঁথৰৰ গঠন প্ৰণালী নিমিলে। এই শ্ৰেণীৰ সাঁথৰৰ বৰ্ণ বা বিষয়ৰ বিৰৰণ নাই বাবে প্ৰতক্ষভাৱে প্ৰশ্নৰ সৈতে মুখামুখী হ'ব লাগে যাৰ বাবে ভাবিবৰ বা কল্পনাৰ অৱকাশ নাই। প্ৰত্যক্ষভাৱে প্ৰশ্নৰ সন্মুখীন হোৱা নাই। পোনপটীয়াকৈ কেৱল মাত্ৰ প্ৰশ্নটোৰ উল্লেখ থকা জ্ঞানমূলক সাঁথৰৰ বিষয়বস্তু প্ৰধানতঃ ভূগোল, পদাৰ্থ বিজ্ঞান, বৰ্ণ, ভাষা, সাহিত্য ইত্যাদিৰ পূৰ্বজ্ঞান লব্ধ অভিজ্ঞতাৰেসৈতে সম্পৃক্ত। অৰ্থাৎ বিভিন্ন জ্ঞান বিজ্ঞানৰ ভেটিতহে এই সাঁথৰসমূহৰ উত্তৰ দিব পৰা যায়। কেইটামান উদাহৰণ এনেধৰণৰ ঃ

ক) উপজিয়ে বুঢ়া হয় কোন?

**উত্তৰ ঃ** বুঢ়া আঙুলি।

খ) উপজিয়ে বগা হয় কোন?

**উত্তৰ ঃ** গাখীৰ বা নহৰু।

গ) খোৱাৰ আগত কাণত ধৰে কি?

**উত্তৰ ঃ** ঘটি

ঘ) খাই মৰিলে কোন, নাখায় মৰিল কোন?[১৯৫]

**উত্তৰ ঃ** ভীষ্ম আৰু বকাসুৰ

জ্ঞানমূলক সাঁথৰৰ উত্তৰ সাঁথৰটোৰ বিষয়বস্তুৰপৰা দিব নোৱাৰি বৰং এনে সাঁথৰ বা প্ৰশ্নৰ উত্তৰ ইতিমধ্যে জানিব লাগিব। এই জাতীয় সাঁথৰসমূহ বুদ্ধি সম্পন্ন বক্তাই নিজেই তাৎকালিক ভাৱে প্ৰশ্ন যুগুত কৰি শুনিব পাৰে। ই অত্যন্ত মনোৰঞ্জক সাঁথৰ।

১৯৫ সংবাদদাত্ৰী, দেৱী, তিলোত্তমা; ৰজামায়ং (২০)

কোনো কোনো ক্ষেত্রত প্রশ্নৰ প্ৰত্যক্ষ অৱতাৰণা নকৰাকৈ উত্তৰ বা সমাধান উলিয়াবলৈ চেষ্টা কৰা হয়। যেনে—

ক) কাণত উঠি নাকত বহে।

**উত্তৰ ঃ** চশমা

খ) খালে খীণাই নাখালে নিখিণাই।

**উত্তৰ ঃ** খেৰৰ মেজি

গ) গেৰেলা বহু, গোটেই গতে খহু।[১৯৬]

**উত্তৰ ঃ** কঁঠাল

ঘ) ঠেলি দিলে মেলি যায়।

**উত্তৰ ঃ** ছাতি

ঙ) ঠেঁহ পাতি বহি থাকে, চুই দিলে কান্দি উঠে।[১৯৭]

**উত্তৰ ঃ** ৰেডিঅ'

এই আটাইকেইটা সাঁথৰতে প্ৰশ্নবোধক চিন উহ্য ৰাখি এঁকোটা সৰল বাক্যৰ সহায়ত প্ৰশ্ন উত্থাপন কৰা হৈছে। মায়ং অঞ্চলৰ বিভিন্ন আঞ্চলিক বিষয়ক উপজীৱ্য কৰি এই ধৰণৰ সাথঁৰ গঢ় লৈ উঠা দেখিবলৈ পোৱা গৈছে।

**৩.৬.৪ সমস্যামূলক সাঁথৰ ঃ**

যিবোৰ সাঁথৰৰ উত্তৰ উলিয়াবলৈ ভালেমান সমস্যাৰ সমাধান কৰি ল'বলগীয়া হয়, সেইবোৰেই সমস্যামূলক সাঁথৰ। এই শ্ৰেণী সাঁথৰে উত্তৰ দিওঁতাক সততে বিবুদ্ধিত পেলায়। জ্ঞানমূলক সাঁথৰৰ দৰেই এই শ্ৰেণী সাঁথৰৰ উত্তৰ উলিয়াবলৈও পূৰ্বলব্ধ জ্ঞানৰ প্ৰয়োজন হয়। সাধাৰণতে সম্বন্ধসূচক শব্দক কেন্দ্ৰ কৰি এই শ্ৰেণীৰ সাঁথৰ সোধা হয়। কেতিয়াবা আৰম্ভণিতে উত্তৰটো দি পাছত প্ৰশ্নৰ উত্থাপন কৰা হয়। উত্তৰটো দিয়োতে লাহেকৈ শব্দ কেইটা কৈ পিছৰ অংশত বেছি জোৰ দিয়া হয় বাবে উত্তৰ দিওতাই আগৰ অংশ পাহৰি পিছৰ অংশত জোৰ দিয়ে বাবে প্ৰশ্নই সমস্যাৰ সৃষ্টি কৰে।

১৯৬-১৯৭ সংবাদদাত্ৰী, দেৱী, সংগীতা; ৰাজমায়ং (২০)

ক) *'আইৰ ভায়েক মোৰ হয় মামা*

*মোমাইৰ ভিনীহিয়েক মোৰ হয় কি?'*[১৯৮]

**উত্তৰ** ঃ পিতাই

খ) *'ভকতজনক শুধি ছোৱা সম্বন্ধ লাগে কি*

*তোৰ বাপে বিয়া কৰাইছে মোৰ বাপাৰজী।'*[১৯৯]

**উত্তৰ** ঃ ভাগিনীয়েক

গ) *'পানীত থাকো মই মাছ নহয়*

*গাখীৰৰ দৰে বগা মই গাখীৰ নহয়*

*কোৱাচোন কোন বাৰু মই?'*[২০০]

**উত্তৰ** ঃ শংখ

ঘ) *'বিয়ালৈ নমতাকৈ ৰভাঘৰ ভৰিল*

*বিয়াৰ শেষৰ দিনা কইনাজনী পানীত পৰি মৰিল।'*[২০১]

**উত্তৰ** ঃ প্ৰতিমা

ঙ) *'ইঘৰৰো মাক জীয়েক সিঘৰৰো মাক জীয়েক*

*যোগ কৰি চাই হিচাপত লাগিল শনি।*

*উত্তৰ ওলাল তিনিজনী।'*[২০২]

**উত্তৰ** ঃ আইতা-মাক-জীয়েক

কেতিয়াবা এই জাতীয় সাঁথৰক বৰ্ণনাত্মক গদ্য বা ৰূপকৰ সহায়ত প্ৰশ্নৰ অৱতাৰণা কৰা হয়। অৱশ্যে এই জাতীয় সাঁথৰসমূহ অৰ্ব্বাচীন।

উদাহৰণ স্বৰূপে ঃ এটা কোঠাত পঞ্চাশজন সৈনিক ৰাখি থোৱা হৈছে। এজন সেনাধ্যক্ষই ইচ্ছা হ'লেই এজনক উলিয়াই আনি কোঠাটোৰ বেৰ এখনত মৰিয়াই, মূৰটো খুন্দিয়াই মাৰি পেলায়।

**উত্তৰ** ঃ জুইশলাবাহ [২০৩]

---

১৯৮-২০৩ সংবাদদাত্ৰী, দেৱী, সংগীতা; ৰাজমায়ং (২০)

এই সাঁথৰবোৰত প্ৰথমতে এটা সমস্যাৰ সৃষ্টি কৰি তাৰ উত্তৰ উলিয়াবলৈ দিয়া হয়। আন কেইটামান এনে সাঁথৰ হৈছে।

চ) *'চাবলৈ আহিছে মোক*

*সুমোৱাই ল'ম তোক*

*মোক চাব তোক নিব।'*[২০৪]

**উত্তৰ ঃ** চেঁপা আৰু মাছ

শব্দৰ চাতুৰ্য ইয়াৰ এক অন্যতম বৈশিষ্ট্য। তদুপৰি এই শ্ৰেণীৰ সাঁথৰৰ উত্থাপনত বক্তাৰ ক্ষিপ্ৰতাও পৰিলক্ষিত হয়। মায়ং অঞ্চলত প্ৰচলিত সমস্যামূলক সাঁথৰসমূহত ঘাইকৈ সম্বন্ধ বা পাৰস্পৰিক সম্পৰ্কৰ ভেটিত নিৰ্দ্ধাৰণ কৰা হয়। এই শ্ৰেণীৰ সাঁথৰৰ উত্তৰ দিবলৈ নিজ পাৰিবাৰিক সম্বন্ধক ভেটি হিচাবে লৈ উত্তৰ দিলে উত্তৰটো সহজে ওলাই পৰে।

**৩.৬.৫ সাধুকথামূলক সাঁথৰ ঃ**

এই শ্ৰেণী সাঁথৰ সাধুকথাৰসৈতে জড়িত। এই সাঁথৰবোৰৰ অন্তৰালত একোটা কাহিনী বা আখ্যান জড়িত হৈ থাকে বাবে ইয়াক সাধুকথামূলক সাঁথৰ বুলি কোৱা হয়। এই শ্ৰেণীৰ সাঁথৰবোৰত উত্তৰবোৰ টপকৈ বুদ্ধিৰ জোৰত কৈ দিব নোৱাৰি। সাধাৰণতে সাংসাৰিক অভিজ্ঞতাইহে এইবোৰ সাঁথৰৰ অৰ্থ ভঙাত সহায় কৰে। এই জাতীয় সাঁথৰৰ মাজত সোমাই থকা কাহিনীটো ব্যাখ্যা কৰিলেই ইয়াৰ উত্তৰ পোৱা যায়। কাহিনীটো নাজানিলে ইয়াৰ উত্তৰ বা সমস্যাটোৰ সমাধান কৰিব নোৱাৰি। সাধাৰণতে এই শ্ৰেণীৰ সাঁথৰৰ উত্তৰ কাহিনীক অৱলম্বন কৰি প্ৰশ্ন সোধা হয় বাবে উত্তৰকৰ্তাৰ বাবে ই কঠিন পৰীক্ষা হৈ পৰে। বিভিন্ন সাধুকথা উপকথা, আখ্যান ইত্যাদিক কেন্দ্ৰ কৰিও ইয়াৰ উৎপত্তি হয়। উদাহৰণ স্বৰূপে—

ক) *"সজৰ লগত সজ সংগ*

*মধু কৰিলো পান,*

*শ্ৰীবৎস ৰজাৰ মূৰত উঠি*

*গংগাত কৰিলো স্নান।"*[২০৫]

---

২০৪ সংবাদদাতা, ডেকা, লোহিত; হাতীমূৰীয়া (৬৫)

২০৫ সংবাদদাত্ৰী, ডেকা, বিলাতী; বৰদিয়া (৬০)

ইয়াৰ অন্তৰালত এটা সাধু আছে—

*খ) "বাৰহাত শিমলু তেৰহাত ফতা*
*আধাৰে চনা খায় কি ক'ম কথা*
*হেৰ হেৰ পণ্ডিত ভাই*
*উৰা মাইল্লি মোকে খায়।"*[২০৬]

বাৰহাত ওখ শিমলু এজোপাত এটা চিলনীয়ে পোৱালী তুলিছিল। সাপ সোমাই পোৱালীটো খাবলৈ ধৰাত সাপৰ মনৰ কথা ব্যক্ত কৰিছে। চিলনীয়ে সাপক খায়, পোৱালীটোক সাপে খায়; কিন্তু পোৱালীটো ডাঙৰ হ'লে সাপকে খাব পৰা হ'ব। চিলনীৰ আধাৰ খাদ্য সাপৰ খাদ্য পোৱালী গতিকে আধাৰ বা খাদ্যই পোৱালী বাবে সৰু হৈ থকাত খাব পৰা নাই। এনেধৰণৰ আনকিছুমান সাঁথৰত দেখা যায় একোটা কাহিনী বা আখ্যান বা সাধুকথাৰ ওপৰত নিৰ্ভৰ কৰি গঢ় লৈ উঠিছে।

গ) আমাৰ তেখেত তেখেতবৰলৈ গৈছিল, তেখেতৰ পৰা অলপ তেখেত আনিছিল, তেখেতখিনি ভাজি খালো; এতিয়া মুখখন তেখেত তেখেত লাগি আছে।

**উত্তৰ ঃ** তিতা আৰু তিতাবৰ [২০৭]

প্ৰাচীন কালত নাৰীয়ে নিজৰ স্বামীৰ নাম কাঢ়িব নাপায় বুলি বিশ্বাস আছিল। এগৰাকী সৰল মহিলাই নিজৰ স্বামী ক'লৈ গৈছিল, কি আনিছিল স্বামীৰ নাম ল'ব নাপায় বাবে এনেদৰে কৈছিল।

(ঘ) দ্বন্দ্ব চকুলোৰে সি বৰ মৰমিয়াল দাঁতেৰেহে কৰে খৰিয়াল জলত থাকে তাৰ সমস্ত পৰিয়াল বন্ধুৰ কলিজা খাব নোপোৱাটোৰেই তাৰ জীৱনৰ পয়মাল।[২০৮]

এই সাঁথৰটোৰ অন্তৰালত আছে এটা মনোৰম সাধুকথা। এবাৰ এটা পুখুৰীত ঘৰিয়াল এটা পৰিয়াল সহ বাস কৰিছিল। পুখুৰীটোৰ পাৰত এজোপা জামু গছত সদায় বান্দৰ এটাই জামুখাই থাকে। এদিন ভোকত থকা ঘৰিয়ালটোক বান্দৰে জামু খাবলৈ দিলে। সেইদিনাৰ পৰা দুয়ো বন্ধু হ'ল। ঘৰিয়ালৰ মাইকীজনীয়ে গম পাই এদিন বান্দৰৰ কলিজাটো খাবলৈ হাবিয়াস কৰিলে। সেই উদ্দেশ্যে ঘৰিয়ালটোৱে বান্দৰটোক পিঠিত লৈ এদিন যাত্ৰা কৰিলে।

২০৬-২০৮ সংবাদদাতা, নাথ, অসীমকুমাৰ; ৰজামায়ং (২০)

অলপ দূৰ যোৱাৰ পাছত আচল উদ্দেশ্য গম পাই চতুক বান্দৰটোৱে কলিজাটো জামুগছডালত এৰি থৈ অহিল গতিকে জামুৰ ওচৰলৈ আকৌ যাব লাগে বুলি কোৱাত ঘৰিয়ালটোৱে তাকে কৰিলে। চল চাই বান্দৰটো আকৌ জামুগছলৈ জাপ মাৰিলে। গতিকে দেখা যায় গোটেই সাঁথৰ টোৱে সাধুটোৰ সংক্ষিপ্ত ৰূপ বহন কৰিছে।

ঙ) *'ডকাইতকো মাৰে, সাধুকো মাৰে*

*মাৰোঁতে মাৰোঁতে মৰে*

*হাজাৰ মানুহে তাকে চাই থাকে*

*মৰাটো আকৌ জীয়ে।'*[২০৯]

**উত্তৰ ঃ** নাটক

নাটক হৈছে অভিনয়ৰ মাধ্যম। নাটকতহে এইবোৰ সম্ভৱ। এনেধৰণৰ অলেখ সাধুকথা মূলক সাঁথৰ লোকসমাজত প্ৰচলিত হৈ আছে। কিছুমান নীতি উপদেশমূলক বাণীও এনে সাঁথৰৰ মাজত নিহিত হৈ থাকে। আনহাতে কিছুমান আখ্যান প্ৰধান।

উল্লিখিত সাঁথৰসমূহৰ উপৰিও ভালেমান ব্যঙ্গপ্ৰধান সাঁথৰো মায়ং অঞ্চলত প্ৰচলিত হৈ আছে।

ক) *'ইটা, কাঠ নোলোৱাকৈ ঘৰ বান্ধে যি*

*ক'বলৈ গ'লে তেৱোঁ এজন মহাশিল্পী,*

*কেৱল ঘৰ বান্ধি ফুৰে*

*খিড়িকী নকটাকৈ বগা বেৰ দিয়ে,*

*ঘৰটো জগিলেই কাপোৰ হৈ পৰে।'*[২১০]

**উত্তৰ ঃ** পলু

খ) আল্লাৰ কি কুদাৰত লাঠিৰ মধ্যেই সৰবৎ।

**উত্তৰ ঃ** কুঁহিয়াৰ।[২১১]

গ) আহোতে এক লাঠি, যাওঁতে এক লাঠি কিহে খায়।[২১২]

উত্তৰ ঃ দুৱাৰ দলি।

---

২০৯ সংবাদদাত্ৰী, দেৱী, সংগীতা; ৰাজমায়ং (২০)

২১০-২১২ সংবাদদাত্ৰী, দেৱী, বিনীতা; ৰাজমায়ং (২০)

এনেদৰে দেখা যায় মায়ং অঞ্চলত প্ৰাপ্ত ভিন ভিন বিষয়ক কেন্দ্ৰ কৰি গঢ় লোৱা সাঁথৰসমূহ লোকসমাজ বুদ্ধিৰ বিকাশ ঘটাই, কল্পনা শক্তি বৃদ্ধি কৰি, মনোৰঞ্জনৰ আহিলাত পৰিণত হয়। পুৰণি সাঁথৰসমূহৰো নতুন অৰ্থ উলিয়াই আনন্দৰ খোৰাক বুলি অনুমান কৰা হয়। যেনে 'ইয়াতে মাৰিলো টিপা গড়গাওঁ পালেগৈ শিপা'। ইয়াৰ উত্তৰ প্ৰথমে ভূমিকম্প, তাৰপিছত বিজুলীবাতি আৰু বৰ্ত্তমান মোবাইল ফোন বুলি কোৱা হৈছে। গতিকে দেখা যায় সময়ৰ অগ্ৰগতিৰ লগে লগে কিছুমান সাঁথৰ নতুন ৰূপ পৰিগ্ৰহণ কৰি নতুন হৈ পৰিছে।

### ৩.৭. লোকভাষা ঃ

মানুহৰ মুখে মুখে প্ৰচলিত কথিত ভাষাই লোকভাষা। 'যি ভাষা কোনো ধৰণৰ অনুষ্ঠানিক পদ্ধতিৰে শিকা নাযায়, যি ভাষা পৰিমাৰ্জিত আৰু ৰীতিবদ্ধ নহয়, সেই ভাষাই লোকভাষা।'[২১৩] 'লোকভাষা কোনো এটা আঞ্চলিক উপভাষাৰ অন্তৰ্গত নিৰক্ষৰ সম্প্ৰদায়ৰ মাজত প্ৰচলিত। ভাষাৰ মাধ্যমৰ এখন সমাজৰ বিবিধ সামাজিক সাংগঠনিক ৰূপৰ প্ৰতিফলন ঘটে। সামাজিক পৰিবেশ অনুযায়ী মানুহৰ ব্যক্তিগত কথা-বতৰাই ভাষা-সংগঠনৰ মাধ্যমত নিৰ্দ্ধাৰিত ৰূপ লয়।'[২১৪] লোকভাষা তুলনামূলকভাৱে সাধু বা কৰ্ষিত ভাষাতকৈ পুৰণি। সাধু বা কৰ্ষিত ভাষা আৰু লোক ভাষাৰ পাৰ্থক্য এনেধৰণৰ— "We are not concerned with cultivated speech, that is, the speech patterns of the highly educated, but rather with folk speech, the speech patterns that develop independently of formal schooling and are characteristic of, but by no means entirely limited to, the older and relativly uneducated group within any regional dialect area."[২১৫]

সাধাৰণতে যাতায়ত আৰু যোগাযোগৰ উন্নত ব্যৱস্থা নথকা আৰু শিক্ষা আৰু আধুনিকতাই স্পৰ্শ নকৰা প্ৰবীণ পুৰুষ বা অনাখৰী মহিলাৰ ভাষিক বৈশিষ্ট্যৰ বিশ্লেষণ আৰু বৰ্ণনাতেই সাধাৰণভাৱে লোক-ভাষা অধ্যয়নৰ সীমা পৰিসীমিত।

'লোকসাহিত্যৰ দৰে লোকভাষাও মুখ-পৰম্পৰা প্ৰচলিত। ভাষা কওঁতাজনৰ দখলত থকা শব্দৰাজিৰ পৰিসীমাৰ মাজত এনে কিছুমান শব্দ থাকে যিবোৰ লিখাৰ

---

২১৩ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃষ্ঠা ২০৪

২১৪ বিশ্বকোষ, ৪ৰ্থ খণ্ড, অসম সাহিত্য সভা, পৃ. ৮৬৩

২১৫ Richmond W. Edson : Folk speech in Folklore and Folklite, ed R.M. Dorson P.148

প্ৰসংগত মুঠেই ব্যৱহাৰ নহয়; অথবা আনুষ্ঠানিক পৰিস্থিতিত প্ৰায়েই প্ৰয়োগ নহয়। এই শব্দৰাজিৰ মাজত অনেক নিষিদ্ধ শব্দও আছে।'[২১৬] কথিত বা লোকভাষাত ধ্বনি, শব্দ ৰূপ, গঠনৰীতি আদিৰ ক্ষেত্ৰত বিভিন্নতা পৰিলক্ষিত হয় কিন্তু লিখিত ভাষাত এক বিস্তৃত অঞ্চলজুৰি এক সমৰূপতা লাভ কৰে। 'লোকভাষা লোক সমাজৰ বাচিক আচৰণৰ প্ৰত্যক্ষ বাহক। গতিকে লোকসাহিত্যই লোকভাষাৰ জৰিয়তে বাঙ্ময় ৰূপ লাভ কৰে।'[২১৭] লোকভাষা সাধাৰণতে লিখিত বা অভিজাত সাহিত্যৰ মূল ভেটি সেইদৰে লোকভাষাই সকলো ভাষাৰ বুনিয়াদ। "It should be obvious by now that Folk speech is the foundation on which all language is based."[২১৮]

গতিকে দেখা যায় আধুনিকতাই স্পৰ্শ নকৰা অনাখৰী প্ৰৱীণ পুৰুষ ঘাইকৈ মহিলাৰ মৌখিক পৰম্পৰাত যি ভাষা প্ৰচলিত হৈ আহিছে বা কোনো এটা অঞ্চলত প্ৰচলিত হৈ অহা ভাষাই লোকভাষা। লোকভাষা অঞ্চল বা ব্যক্তি ভেদেও ভিন ভিন হয়। শিশু, পুৰুষ, মহিলা সকলোৰে মুখত বেলেগ হ'ব পাৰে। 'শিশুৱে আনৰ লগত খেলা-ধূলা কৰাৰ আগতে মাকৰ কোচত থাকি যি ভাষাৰ সহায়ত নিজৰ মনৰ সুখ-দুখ; ৰাগ-অভিমান, স্নেহ আদি ভাবানুভূতিবোৰক মুক্তভাৱে প্ৰকাশ কৰে আৰু যিটো ভাষাক নিজৰ বুলি ভাৱে তাকে শিশু ভাষা বোলা হয়। শিশুৱে বহু ক্ষেত্ৰত অশুদ্ধ বাক্য প্ৰয়োগ কৰে। প্ৰত্যেক শিশুৰ ভাষা আহৰণৰ প্ৰক্ৰিয়া সুকীয়া।'[২১৯] ঘৰৰ বাহিৰত বিভিন্ন লোকৰ সংস্পৰ্শত পুৰুষৰ ভাষা ভিন্ন হয় আৰু ঘৰত নাৰীৰ ভাষাই প্ৰাধান্য লাভ কৰে। সেইবাবেই নাৰী সমাজতেই প্ৰকৃত লোকভাষাৰ বৈশিষ্ট্য ৰক্ষিত হয় বুলি কোৱা হয়।

মায়ং অঞ্চলত লোকভাষাক 'মায়ঙীয়া উপভাষা' বুলি কোৱা হয়। মায়ং অঞ্চল মধ্য অসমৰ অন্তৰ্গত ৰাজনৈতিক, সামাজিক আৰু যাতায়ত-যোগাযোগৰ অভাৱৰ বাবে এই অঞ্চল উজনি আৰু নামনি দুয়োটা অঞ্চলৰ পৰা বিচ্ছিন্ন হৈ আছিল। ফলত অঞ্চলটোত

---

২১৬ শৰ্মা, নবীনচন্দ্ৰ ঃ অসমীয়া লোকসংস্কৃতিৰ আভাস, পৃষ্ঠা ৯১

২১৭ শৰ্মা, নবীনচন্দ্ৰ ঃ লোকসংস্কৃতি, পৃষ্ঠা ২০৪

২১৮ Richmond W. Edson : Folk speech in Folklore and Folklite, ed R.M. Dorson P.154

২১৯ ভূঞা, যোগেন্দ্ৰনাৰায়ণ (সম্পা.) ঃ বিশ্বকোষ, ৪ৰ্থ খণ্ড, অসমসাহিত্য সভা পৃ. ৮৬৩

কথিত ভাষাই এক সুকীয়া ৰূপ ল'লে আৰু সিয়েই মায়ঙীয়া উপভাষা ৰূপে প্ৰখ্যাত। 'মায়ং অঞ্চলত পুৰণি কালৰপৰা ক্ৰমান্বয়ে কামৰূপৰ হিন্দু ৰজা, কছাৰী-জয়ন্তীয়া ৰজা, লালুংৰজা, কোঁচ ৰজা আৰু আহোম ৰজাই ৰাজত্ব কৰা কথা বুৰঞ্জীত উল্লেখ আছে। গতিকে বিভিন্ন ৰজাৰ আমোলত অঞ্চলটোৰ ওপৰত নানা প্ৰভাৱ পৰাৰ উপৰিও প্ৰধানকৈ স্থিৰতা নথকা হেতুকে বিবিধ ভাষা-ভাষীৰ সংমিশ্ৰণত এই অঞ্চলৰ কথিত মাত-কথাই এক সুকীয়া সাঁচ লয় আৰু কালক্ৰমত সিয়েই এটা উপভাষাত পৰিণত হয় গৈ।'[220]

স্বৰাজোত্তৰ কালচোৱাত পূব পাকিস্তানৰপৰা এই অঞ্চললৈ ভালেমান বাংলাভাষী লোকৰ প্ৰব্ৰজন ঘটে। পৰৱৰ্ত্তী কালত বাংলাদেশৰ পৰাও বহু বাংলাভাষী লোকৰ প্ৰব্ৰজন ঘটে। ত্ৰিপুৰা, পশ্চিমবংগ, কাছাৰ, ছিলেট আদিৰ পৰাও বহিৰাগত লোক এই অঞ্চলৰ ওচৰে-পাজৰে নিগাজীকৈ বাস কৰিবলৈ ল'লে। বাংলাদেশীসকলৰ দৰেই বৃটিছৰ ৰাজত্ব কালতে বহু নেপালী ভাষী লোক অঞ্চলটোলৈ আহি কৃষি-কাৰ্য আদিক জীৱিকা নিৰ্বাহৰ সমলৰূপে লৈ অসমীয়া ঘাইসুঁতিত মিলিব চেষ্টা কৰিছে। ৰজামায়ং অঞ্চলৰ মূৰবড়ী গাঁৱৰ দক্ষিণফালে নেপালীসকলৰ এখন গাঁও আছে।

'কামৰূপৰ হাজো, ৰামদিয়া অঞ্চলৰ পৰা অহা লোকৰ ভাষাত কামৰূপী শব্দ আৰু সুৰৰ পাৰ্থক্য লক্ষ্য কৰা যায়।'[221] বৰদিয়া, শিলডুবি আদি গাঁৱত এই অঞ্চলৰ মানুহ ঘাইকৈ লক্ষ্য কৰা যায়।

মায়ং অঞ্চলৰ তিব্বত-ধৰ্মী ভাষা গোষ্ঠীৰ তিনিটা ভাষা-ভাষীৰ লোক বাস কৰে— কাৰ্বি, তিৱা আৰু বড়ো। পাভকাটি গাঁৱত বড়ো মানুহৰ বসতিস্থল। বুঢ়ামায়ং, সাতবস্তি আদি অঞ্চলত কাৰ্বিলোক থাকে।

মায়ং অঞ্চলৰ সকলো লোকেই মান্যভাষা কয় যদিও সকলোৰে ভাষাত কিছুমান পাৰ্থক্য পৰিলক্ষিত হয়। মায়ঙৰ স্থানীয় উপভাষাটোৰ ক্ষেত্ৰত দেখা যায় হাতীমূৰীয়া আৰু ৰজামায়ং ওচৰা-ওচৰি কৈ থকা দুখন গাঁও যদিও দুয়োখন গাঁৱৰে মানুহৰ কথাৰ সুৰ কিছু বেলেগ। মায়ং অঞ্চল বিভিন্ন ভাষা-ভাষীৰ বাসভূমি। 'দ্বি-ভাষিকত্ত্ব গ্ৰহণ কৰা

২২০ নাথ, জীৱকান্ত ঃ মায়ঙীয়া উপভাষা, পৃ. ৩

২২১ শৰ্মা, হেমন্ত কুমাৰ ঃ মায়ং অঞ্চলৰ লোকসংস্কৃতি, পৃ ১১

ছটা ভাষা-ভাষীৰ লোকসকল হ'ল কাৰ্বি, তিৱা, নেপালী, বঙালী, বৰো আৰু মিএগ্ৰা। আনবিলাক সম্পূৰ্ণ অসমীয়া ভাষী।'[২২২]

মায়ঙীয়া উপভাষা সম্পৰ্কে ক'ব পাৰি যে নগাঁও (পূৰ্বৰ) আৰু কামৰূপ জিলাৰ প্ৰান্তীয় স্থানত অৱস্থিত বাবে অঞ্চলটোৰ ভাষাত দুয়োটা ভাষাৰে প্ৰভাৱ পৰাটো দেখিবলৈ পোৱা যায়। তাৰোপৰি জনজাতীয়ভাষাৰ প্ৰভাৱ পৰাটোও পৰিলক্ষিত হয় বহু শব্দত। বঙালী সম্প্ৰদায়ৰ লোকৰ সৈতেও মিলা-প্ৰীতি অধিক হোৱাৰ ফলত ভাষাটোৱে ভিন্ন ৰূপ পৰিগ্ৰহণ কৰিছে। মায়ং অঞ্চলত দেখা যায় পুৰুষৰ ভাষাতকৈ নাৰীৰ ভাষাত অধিক স্পষ্ট ৰূপত মায়ঙীয় উপভাষাৰ প্ৰচলন আছে। নাৰীৰ মুখত লোকভাষা অধিক স্পষ্ট যদিও দেখা যায় অঞ্চলটোৰ শিক্ষিত পুৰুষৰ মুখতো মায়ঙীয়া শব্দৰ প্ৰচুৰ প্ৰয়োগ।

*'আমাৰ বুদু এইছা*
*খুজি আনে পইছা।*
*আমাৰ বুদু কোলা*
*খুজি আনে চোলা।।'*

এনেদৰে বঢ়াই যায় বিভিন্ন কথা মিলাই। শিশুৰ নামকৰণ কৰে গণক, বামুণ বা গুৰুৱে। সোঁৰৰণীৰ নামৰ বাহিৰেও ঘৰতমতা নাম বেলেগ হয় সেইবোৰ মাকন, চনা ইত্যাদি। বেছিকৈ কান্দি থকা কেছুৱা হ'লে ঃ কান্দুআ, কান্দুই, জটালেনী, জটাল ইত্যাদি। ডাঙৰ মানুহৰ নামৰ ক্ষেত্ৰত ভঙাটিঙ, মমত, টুপুৰা, ভতকা, অগুণা, বেজমন, বচাই, চেনীৰাম, ভালমন, সৰুমন, মনীয়া, বাপধন ইত্যাদি।

বাৰ অনুযায়ী মঙলু, শনিবৰ। লোকোক্তি এটা আছে এনেধৰণৰ ঃ

*'আহিনত অহীয়া*
*ভাদত ভদীয়া*

কাতিত গাঁথি' (কাপোৰ গাঁথি লয়) জনজাতীয় লোকৰ দৰে পিঠিত কাপোৰ বান্ধি কেচুৱা নিচুকায়।

২২২ নাথ, জীৱকান্ত ঃ মায়ঙীয়া উপভাষা, পৃষ্ঠা ৪৩

১. শাক-পাচলিৰ নামৰ ক্ষেত্ৰতো কিছু পাৰ্থক্য দেখা যায় ঃ পনট (পনৰু), নেওথনি (মাটিকাদুৰী), পণিতা (অমিতা), কলফুল (কলডিল)।

২. ফুলৰ নামৰ ক্ষেত্ৰতো কচন্দা, ৰঙাদৰীয়া, কাঁথি কুঁৰৰী, গেন্দা চুঙাফুল আদি ফুলে ক্ৰমে ছাগলী ফুল, জবা, নয়নতৰা, নাৰ্জি, কৰৱী আদিক বুজায়।

৩. মানৱ দেহৰ অঙ্গ-প্ৰতঙ্গ উআত (উৰু), গেৰুৱা (গেৰোহা), ধুতুই (থুতুৰী), কতি (পোকৰ), দ'পিনা (কৰঙন)।

৪. জীৱ-জন্তুৰ নামৰ ক্ষেত্ৰত কেৰুন্দা (কেৰেলুৱা), জমতকলা (বৰটোকোলা), কুপতি (কপৌ), তেলভকুৱা (পইঁতাচোৰা), মাচলংকা (মাছৰোকা), চকৰি (পখিলা), পকা (পোক)।

৫. মাছৰ নাম ঃ ফলিআ মাছ (কান্দুলি), তেঙেৰা মাছ (শিঙৰা)।

মায়ং অঞ্চলত বাঘ মৰা প্ৰথা প্ৰচলিত আছিল। বেজে মন্ত্ৰপুত বান্ধনিৰে বাঘ ধৰিছিল আৰু কিছুদিন ৰংৰহচ কৰি বাঘটো মাৰিছিল। এই প্ৰথাটোত প্ৰচলিত কিছুমান পুৰণি মায়ঙীয়া শব্দ হৈছে— ঘেৰজালি (বান্ধনি দি বাঘ জালত পেলাই ৰখা ঠাই), নলচহী (ডিঙিৰ ভিতৰত থকা নলী), ছয়বাৰী (ছয়ডাল কান্ধমাৰী), চেলাই (বখলিয়াই), ৰূপৰ সুৱাণ (লাঠিত মাজে মাজে মাৰি লোৱা ৰূপৰ পাত), কাণ-কোন (শব্দ কাণত পেলা), সেঁহলী (সেহাই মতা), মালদাং (যুঁজাৰু মালৰ নিচিনা শকত-আৱত), বাঘমুই (বাঘৰ মূৰ্ত্তি দেখি মূৰ ঘূৰণি হোৱা), বাঘবুলনি (এঠাইৰ পৰা আন এঠাইলৈ বুলাই লৈ যাব পৰা), হিঁলৈকঁপা (সৰ্বশৰীৰৰ কঁপনি), সিধা (ভাতখোৱাৰ সকলো যোগাৰ পাতি), কেৰ্মেছেৰা দে (কোচ খাই শুই থকা), মাতৰৰ (গাঁৱৰ মুখীয়াল লোক), বান্দীৰ গু (দুষ্প্ৰাপ্য বস্তু), জাকৰুৱা (বেচি পৰিয়ালৰ), মুগাৰ নলী (আঁত ওলায়ে থকা), বোলন দিয়া (জাননী দিয়া), কুকুৰ খুঁটি (জালৰ তলৰ দুৱানত দাং নাখাবৰ বাবে দুৱানত পুতিবলৈ আমি থকা আগলি বাঁহৰি খুঁটি), মেটেৰী খুঁটা (ঘাই খুটা), ঢাকি (বনৰীয়া জন্তু খেদি নিয়া অস্ত্ৰধাৰী দল), ভূঁইবাৰী (মাটিৰ ওপৰত মৰা লাঠিৰ কোব), ঘুগুৰী (গুহা), খামগিতা (লৰচৰ নকৰা), কুৰা (নাল), পিলাই লৰা (বুকু কঁপা), নাথি পেলা (দুখন ভৰি জুটিয়াই বন্ধা), সাতোশ (বহুত সংখ্যক), হিয়াজুলি (আগ বুকুত থকা খাল পৰা ঠাই), ধুন্ধুনীয়া

(ৰছীৰ আঁহবোৰ উলিয়াই পেলোৱা) ইত্যাদি।[২২৩]

মায়ঙীয়া উপভাষাত 'অৰতলি' শব্দৰ অৰ্থ থুপৰী। অৰশ্যে ঘৰুৱা কাম-বন নজনা ছোৱালীকো 'অৰতলি' বুলি বিদ্রুপ কৰে। বৰো আলুৰি > মা. অৰতলি হোৱাটো সম্ভৱ।[২২৪] "বৰো-কছাৰী ছোৱালীয়ে কাপোৰ বব নাজানিলে তাকে 'আল্ৰি' অৰ্থাৎ কাম-বন নজনা বুলি কয়। আলৰি ছোৱালীজনীক বড়ো-কছাৰীৰ সমাজৰ মানুহে বৰ হেয় জ্ঞান কৰে।"[২২৫]

❑❑❑

২২৩ নাথ, দিপন চন্দ্ৰ, মায়ঙৰ বেজ আৰু ৰোমাঞ্চকৰ ঘেৰজালি
২২৪ নাথ, জীৱকান্ত ঃ মায়ঙীয়া উপভাষা, পৃ. ৫২
২২৫ নাৰ্জী, ভবেন ঃ বড়োকছাৰী সমাজ আৰু সংস্কৃতি, পৃ. ১৬১